www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

বৃদ্ধাৱস্থাৰ যন্ত্ৰণাটো বুঢ়া হোৱাৰ বাবে নহয়; তেওঁ যে এদিন ডেকা আছিল তাৰ বাবেহে। — অস্কাৰ ওৱাইল্ড

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ৩০১ | বুধবাৰ | ০৯ ছেপ্টেম্বৰ, ২০২৬ চন | Volume/Year- I | Issue- 301 | Wednesday | 09th September, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

## এডভাণ্টেজ আছাম ২.০ৰ বিনিয়োগ প্ৰস্তাৱৰ অগ্ৰগতি পৰ্যালোচনা মুখ্যমন্ত্ৰী শৰ্মাৰ

**চিমেণ্ট, শক্তি, নৱীকৰণযোগ্য শক্তি খণ্ডত বিনিয়োগৰ স্থিতিৰ বুজ; আন্তঃগাঁথনি সমস্যা দূৰীকৰণৰ নিৰ্দেশ**

**নিউজ ডেস্ক, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** মঙলবাৰে লোকসেৱা ভৱনত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ বৈঠকত এডভাণ্টেজ আছাম ২.০ৰ সময়ত স্বাক্ষৰিত বুজাবুজি চুক্তিসমূহৰ জৰিয়তে অহা বিনিয়োগ প্ৰস্তাৱসমূহৰ অগ্ৰগতি আৰু কাৰ্যকৰীকৰণৰ বৰ্তমান স্থিতি পৰ্যালোচনা কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বৈঠকখনত মুখ্যমন্ত্ৰী গৰাকীয়ে চিমেণ্ট, শক্তি আৰু নৱীকৰণযোগ্য শক্তিকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ খণ্ডত বিনিয়োগৰ অগ্ৰগতিৰ বিষয়ে বিশদভাৱে বুজ লয়। ৬ পৃষ্ঠাত

■ ৰাজ্যৰ আকাশে-বতাহে গুঞ্জৰিত হৈ উঠিল ভূপেন্দ্ৰ সংগীত ■

# সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীত দেশজুৰি স্মৰণ

## মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ শ্ৰদ্ধাঞ্জলি ঃ দীঘলীপুখুৰীপাৰত ৰাজ্যপালৰ সুধ্যকণ্ঠলৈ পুষ্পাৰ্ঘ্য



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** আজি মঙলবাৰে অসমবাসীয়ে গভীৰ শ্ৰদ্ধা আৰু উৎসৱমুখৰ পৰিবেশেৰে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ শততম জন্মদিন পালন কৰে। মহান শিল্পীগৰাকীৰ স্মৃতিত ৰাজ্যৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত হয় নানান ধৰ্মী কাৰ্যসূচী, য'ত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পৃথক পৃথক অনুষ্ঠানত উপস্থিতিৰে তেওঁলোকৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পুৱাৰ ভাগতে দীঘলীপুখুৰীপাৰত অৱস্থিত ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিত পুষ্পাৰ্ঘ্য ৬ পৃষ্ঠাত

## অসমৰ আত্মাক কঢ়িয়াই ফুৰিছিল ভূপেন হাজৰিকাৰ কণ্ঠই ঃ মোদী



শততম জন্মদিনত সুধাকণ্ঠলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শ্ৰদ্ধা

**নিউজ ডেস্ক, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** আজি সমগ্ৰ অসম তথা দেশ-বিদেশত অতি আড়ম্বৰপূৰ্ণ পৰিবেশেৰে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ শততম জন্মদিন পালন কৰা হৈছে। এই বিশেষ দিনটোতে কিংবদন্তি কণ্ঠশিল্পী, সংগীতজ্ঞ তথা সাংস্কৃতিক জগতৰ পুৰোধা ব্যক্তিগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। নতুন দিল্লীত মঙলবাৰে প্ৰধানমন্ত্ৰীয়ে ভূপেন হাজৰিকাৰ ভাৰতীয় সংগীতলৈ অৱদান আৰু উত্তৰ-পূবাঞ্চলৰ আত্মাক সমগ্ৰ দেশৰ শ্ৰোতা-দৰ্শকৰ ৬ পৃষ্ঠাত

**বিদেশত ধন প্ৰেৰণৰ খৰচ ৰাহি কৰাত ইউপিআইৰ ভূমিকাৰ ওপৰত গুৰুত্ব**

## গ্ল'বেল ফিনটেক ফেষ্টত ইউপিআইৰ বিশ্বব্যাপী প্ৰসাৰৰ আহ্বান প্ৰধানমন্ত্ৰী মোদীৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** মঙলবাৰে মুম্বাইত অনুষ্ঠিত গ্ল'বেল ফিনটেক ফেষ্টৰ সপ্তম সংস্কৰণত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইউনিফাইড পেমেণ্টছ ইণ্টাৰফেচ (UPI)ৰ বিশ্বব্যাপী প্ৰসাৰ সম্প্ৰসাৰণৰ বাবে আহ্বান জনায়। উদ্বোধনী অনুষ্ঠানৰ পাছত দিয়া



ভাষণত প্ৰধানমন্ত্ৰীয়ে কয় যে ইউপিআই প্লেটফৰ্ম এতিয়া ৰৰখন দেশত সক্ৰিয় হৈ আছে আৰু ছিংগাপুৰৰ স্থানীয় পেমেণ্ট ব্যৱস্থাৰ সৈতেও ই সংযোগ স্থাপন কৰিবলৈ সক্ষম হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে ফিনটেক ইক'চিষ্টেমক ইউপিআইৰ বিশ্বব্যাপী প্ৰসাৰ বৃদ্ধি কৰাৰ লগতে আন দেশৰ স্থানীয় পেমেণ্ট ব্যৱস্থাৰ সৈতে ইয়াক একত্ৰিত কৰি বিদেশত ৭ পৃষ্ঠাত

**স্বামীক ২ লাখ টকা অন্তৰৱৰ্তীকালীন ক্ষতিপূৰণ প্ৰদানৰ আদেশ ঃ বিতাড়ন প্ৰক্ৰিয়াৰ ওপৰত সন্দেহৰ অৱতাৰণা**

## বাংলাদেশলৈ বিতাড়িত মহিলাক ঘূৰাই আনিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ




**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৮ ছেপ্টেম্বৰ ঃ** বিদেশী নাগৰিক বুলি সন্দেহ কৰি বাংলাদেশলৈ বিতাড়ন কৰা নগাঁও জিলাৰ জুৰীয়াৰ এগৰাকী মহিলাক ঘূৰাই আনিবলৈ অসম চৰকাৰক নিৰ্দেশ দিছে গুৱাহাটী উচ্চন্যায়ালয়ে। মমতাজ বেগম বুলি চিনাক্ত হোৱা ভুক্তভোগী মহিলাগৰাকী নগাঁও জিলাৰ জুৰীয়াৰ বাসিন্দা। তেওঁক বিদেশী বুলি সন্দেহ কৰি বাংলাদেশলৈ বিতাড়ন কৰা হয়। কিন্তু পিছত গম পোৱা যায় যে তেওঁ প্ৰকৃততে এগৰাকী ৭ পৃষ্ঠাত

**অসম চৰকাৰক নিৰ্দেশ ঃ সাংবিধানিক প্ৰশ্নৰ পৰিপ্ৰেক্ষিতত অন্তৰ্বৰ্তীকালীন ব্যৱস্থা**

## প্ৰাদেশিকীকৰণ আঁচনিৰ অধীনত শিক্ষক নিযুক্তিৰ ওপৰত উচ্চতম ন্যায়ালয়ৰ স্থগিতাদেশ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** অসমৰ শিক্ষক সমাজৰ বাবে এক গুৰুত্বপূৰ্ণ তথ্য পোহৰলৈ আহিছে। ৰাজ্যৰ প্ৰাদেশিকীকৰণ আঁচনিৰ অধীনত বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত শিক্ষক নিযুক্তি বা গ্ৰহণ নকৰিবলৈ অসম চৰকাৰ আৰু শিক্ষা বিভাগক উচ্চতম ন্যায়ালয়ে কঠোৰ নিৰ্দেশ দিছে। দেশৰ শীৰ্ষ আদালতে আজি এই মন্তব্য প্ৰকাশ কৰে যে এই আঁচনিটি সাংবিধানিক ভিত্তিত প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে, আৰু সেইবাবে অন্তৰ্বৰ্তীকালীনভাৱে যিকোনো ধৰণৰ নিযুক্তি প্ৰক্ৰিয়া ৰখি ৰাখিব লাগে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্য কান্ত, ন্যায়াধীশ ৬ পৃষ্ঠাত



## বাংলাদেশৰ ৰাষ্ট্ৰপতি আলমগিৰক সাক্ষাৎ ভাৰতীয় উচ্চায়ুক্ত দীনেশ ত্ৰিবেদীৰ

**দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ ওপৰত আলোচনা**



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** মঙলবাৰে বাংলাদেশৰ ৰাষ্ট্ৰপতি মিৰ্জা ফফৰুল ইছলাম আলমগিৰক সৌজন্যমূলক সাক্ষাৎ কৰে ভাৰতীয় উচ্চায়ুক্ত দীনেশ ত্ৰিবেদীয়ে। যোৱা ২১ আগষ্টত ৬ পৃষ্ঠাত

**২৭ৰ ফেব্ৰুৱাৰী-মাৰ্চলৈ বঢ়াই দিয়া হ'ল পাঠদানৰ সময়সীমা**

## বানপানী আৰু লোকপিয়লৰ বাবে পলমকৈ অনুষ্ঠিত হ'ব দশম-দ্বাদশৰ পৰীক্ষা

**নিউজ ডেস্ক, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** অসম চৰকাৰৰ শিক্ষা বিভাগে চলিত বৰ্ষত দশম আৰু দ্বাদশ শ্ৰেণীৰ পাঠদানৰ দিন বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ ফলত দুয়োটা শ্ৰেণীৰ বাৰ্ষিক পৰীক্ষা পূৰ্বৰ



নিৰ্ধাৰিত সময়তকৈ পলমকৈ অনুষ্ঠিত হোৱাৰ সম্ভাৱনা প্ৰবল হৈ পৰিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ এখন জাননী জাৰি কৰি এই পৰিৱৰ্তনৰ কথা স্পষ্টভাৱে উল্লেখ কৰে। শিক্ষামন্ত্ৰী ৬ পৃষ্ঠাত

**জুবিন গাৰ্গ হত্যা গোচৰত ফাষ্ট ট্ৰেক আদালতত দ্বিতীয়গৰাকী প্ৰৱাসী অসমীয়াৰ সাক্ষ্য**

## ছিংগাপুৰৰ য়ট পাৰ্টিৰ প্ৰত্যক্ষ সাক্ষী সুস্মিতা গোস্বামী আদালতত হাজিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** মঙলবাৰে গুৱাহাটীৰ ফাষ্ট ট্ৰেক আদালতত জুবিন গাৰ্গ হত্যা গোচৰৰ শুনানিত আজি দ্বিতীয়গৰাকী প্ৰৱাসী অসমীয়া হিচাপে ছিংগাপুৰৰ পৰা অহা সুস্মিতা গোস্বামীয়ে আদালতত সাক্ষ্য প্ৰদান কৰে। উল্লেখযোগ্য যে ইতিপূৰ্বে ২ ছেপ্টেম্বৰত প্ৰথমগৰাকী ৬ পৃষ্ঠাত

**পত্নীহন্তা ৰামানুজৰ হুংকাৰ ঃ 'কাটি ভাল লাগিল, চুগাৰ ডেডীটোকো কাটিম'**

## ড্ৰাগছ আসক্ত ঘাতক স্বামী ৰামানুজ গোস্বামী আছিল HIV প'জিটিভ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** বশিষ্ঠপুৰত সংঘটিত হোৱা বৰ্বৰ হত্যাকাণ্ডই এতিয়া ৰাজ্যৰ বিভিন্ন মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। নিজৰ পত্নী ৰিয়া তালুকদাৰক শিৰশ্ছেদ কৰি হত্যা কৰাৰ পিছতো অভিযুক্ত ৰামানুজ গোস্বামীৰ মনত তিলমানো অনুশোচনা নাই। আৰক্ষীৰ জিম্মাত থকা অৱস্থাত সাংবাদিকৰ সন্মুখত উপস্থিত হৈ ৰামানুজে এক ভয়ংকৰ হুংকাৰ দিয়ে। তেওঁ স্পষ্টভাৱে কয়, "No regrets, No apology... ৰিয়াক হত্যা কৰি বহুত ভাল লাগিছে। তাইক কাটিলোঁ, জেলৰ পৰা ওলালে তাইৰ চুগাৰ ডেডীটোকো কাটিম।" কেৱল সেয়াই নহয়, সংবাদ মাধ্যমৰ কৰ্মীসকলকো তেওঁ ৬ পৃষ্ঠাত

**ক'লা পতাকা দেখুৱাই 'মুছলমানৰ শত্ৰু' আখ্যাৰে প্ৰতিবাদ**

## নগাঁৱৰ উপ-নিৰ্বাচনৰ পূৰ্বে সংখ্যালঘুৰ ৰোষত গৌৰৱ-ৰকিবুল



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰাক্কক্ষণত এইবাৰ সংখ্যালঘু জনতাৰ তীব্ৰ ৰোষত পৰিল অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ ৭ পৃষ্ঠাত

**হত্যাকাৰীক কঠোৰ শাস্তিৰ দাবী ঃ কেন্দ্ৰীয় মন্ত্ৰী ৰিজিজুৰ আশ্বাস**

## দিল্লীত মণিপুৰৰ শিল্পী বিক্ৰম সিঙক হত্যা! ৰাজনৈতিক মহলত তীব্ৰ প্ৰতিক্ৰিয়া

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** দিল্লীৰ ছানলাইট ক'লনীৰ কিলোকৰী গাঁৱত মণিপুৰৰ ৫৪ বছৰীয়া সংগীত শিল্পী, গীটাৰিষ্ট আৰু শিক্ষক চংথাম বিক্ৰম সিঙৰ হত্যাকাণ্ডে এতিয়া দেশৰ ৬ পৃষ্ঠাত



**পৰ্যটকৰ মুক্ত চলাচল, পাৰ্কিং আৰু শৌচাগাৰৰ দাবী পূৰণৰ আশ্বাস**

## শ্বিলঙত মন্ত্ৰী অতুল বৰা, উপ-মুখ্যমন্ত্ৰী এছ ধৰৰ বিশেষ বৈঠক



**নিউজ ডেস্ক, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** ১৯ আগষ্টত অসম আৰু মেঘালয়ৰ টেক্সি চালকসকলৰ মাজত সংঘটিত হোৱা ঘটনাৰ প্ৰেক্ষাপটত সমস্যাৰ স্থায়ী সমাধান বিচাৰি মঙলবাৰে শ্বিলঙত দুয়োখন ৰাজ্যৰ চৰকাৰী প্ৰতিনিধিৰ মাজত এক বিশেষ বৈঠক অনুষ্ঠিত হয়। শ্বিলঙৰ ষ্টেট কনভেনশ্বন চেণ্টাৰত অনুষ্ঠিত এই বৈঠকত অসমৰ ফালৰ পৰা মন্ত্ৰী অতুল বৰা আৰু মেঘালয়ৰ ফালৰ পৰা উপ-মুখ্যমন্ত্ৰী এছ ধৰে নেতৃত্ব দিয়ে। বৈঠকত অসম আৰু মেঘালয়ৰ পৰিবহণ সংগঠনসমূহৰ প্ৰতিনিধিসকলেও ৬ পৃষ্ঠাত

**সুধাকণ্ঠৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ ঃ নগাঁও উপ-নিৰ্বাচনত জয়ী হোৱাৰ আশা প্ৰকাশ কংগ্ৰেছৰ**

## 'দেৱাশিস শৰ্মাই ফ্ৰদ কৰিছে, মূল খলনায়ক মুখ্যমন্ত্ৰী' ঃ গৌৰৱ গগৈ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** আজি নগাঁৱত উপস্থিত হৈ অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ শততম জন্মবাৰ্ষিকী উপলক্ষে তেওঁৰ প্ৰতিমূৰ্তিত ৬ পৃষ্ঠাত

## নগাঁৱৰ উপ-নিৰ্বাচনৰ পূৰ্বে বিজেপিত যোগদান প্ৰাক্তন জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ



**'টিকটৰ বাবে যোগদান নহয়, দলৰ নিৰ্দেশ পালন কৰিম' ঃ শৰ্মা**

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** নগাঁও লোকসভা সমষ্টিৰ আসন্ন উপ-নিৰ্বাচনক লৈ ৰাজ্যৰ ৰাজনৈতিক মহলত নতুন মোড় লৈছে। আজি নগাঁৱৰ প্ৰাক্তন জিলা আয়ুক্ত দেৱাশিস শৰ্মাই বাজপেয়ী ভৱনত উপস্থিত হৈ বিজেপি দলত আনুষ্ঠানিকভাৱে যোগদান কৰে। এই যোগদান উপলক্ষে তেওঁ সংবাদ মাধ্যমৰ সন্মুখত নিজৰ দীৰ্ঘদিনীয়া চৰকাৰী চাকৰিৰ অভিজ্ঞতা আৰু বিজেপিৰ প্ৰতি থকা আস্থাৰ কথা স্পষ্টভাৱে উল্লেখ কৰে। দেৱাশিস শৰ্মাই ৬ পৃষ্ঠাত

**পেপচিকোৰ প্ৰতিনিধিৰ অংশগ্ৰহণ; উৎপাদনৰ পৰা বিপণনলৈ সহায়ৰ ওপৰত গুৰুত্ব**

## নলবাৰীত আলু মূল্য শৃংখলা বৈঠকত কৃষকৰ সৈতে মত-বিনিময় মন্ত্ৰী পীযুষ হাজৰিকাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** অসমৰ আলু খেতিৰ উন্নয়ন আৰু কৃষকসকলৰ আৰ্থিক স্বাৰ্থ সুৰক্ষিত কৰাৰ লক্ষ্যৰে কৃষি আৰু জলসিঞ্চন মন্ত্ৰী পীযুষ হাজৰিকাই এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰে। ৮ ছেপ্টেম্বৰত নলবাৰীত 'আলু মূল্য শৃংখলা উন্নয়ন আৰু সহযোগিতা' শীৰ্ষক এখন বিশেষ বৈঠক অনুষ্ঠিত হয়, য'ত মন্ত্ৰীগৰাকীয়ে অধ্যক্ষতা কৰে। বৈঠকৰ পিছতে তেওঁ আলু খেতিয়কসকলৰ সৈতে প্ৰত্যক্ষ মত-বিনিময় কৰি তেওঁলোকৰ আশা-আকাংক্ষা, উদ্বেগ আৰু সমস্যাসমূহৰ বিষয়ে বিস্তাৰভাৱে বুজ লয়। এই বৈঠকখনত ৰাজ্যৰ কৃষকসকলৰ পৰা আলু ক্ৰয় কৰা বহুজাতিক কোম্পানী পেপচিকোৰ প্ৰতিনিধিসকলেও অংশগ্ৰহণ কৰে। ৬ পৃষ্ঠাত

২৭ গৰাকী শিক্ষাগুৰুকসহ ৫ কীৰ্তিমানক সম্বৰ্ধনা; বাল্য-বিবাহ ৰোধৰ সজাগতা সৃষ্টি

# মাজুলীত গাঁওৰক্ষী বাহিনীৰ প্ৰশংসনীয় পদক্ষেপ

**অসম বাৰ্তা, মাজুলী, ৮ ছেপ্টেম্বৰ** ঃ মাজুলী কমলাবাৰী থানা সমিতিৰ অন্তৰ্গত বিহিমপুৰ গাঁও গাঁওৰক্ষী বাহিনী আৰু স্বেচ্ছাসেৱী অনুষ্ঠান প্ৰজ্ঞাৰ সহযোগত পৱিত্ৰ ৫ চেপ্তেম্বৰৰ শিক্ষক দিৱসত বিহিমপুৰ গাঁও বৰনাম ঘৰত এখনি সভা অনুষ্ঠিত হয়। ঐতিহ্যমণ্ডিত পি এম শ্ৰী চামগুৰি সত্ৰ ৰাৱনাপাৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিশিষ্ট শিক্ষাৱিদ দিলীপ মহন্তৰ পৌৰোহিত্যত্ব সেই উদ্দেশ্য অনুষ্ঠিত হোৱা সভাত শ্ৰীশ্ৰী বিহিমপুৰ সত্ৰৰ সত্ৰাধিকাৰ থগকান্ত মহন্তই সভাৰ আৰম্ভণিতে এগছি বন্তি প্ৰজ্বলন কৰে। স্থানীয় আই মাতৃ সকলে পৰিৱেশন কৰা এটি দিহানামৰে সভাৰ কাৰ্যসূচীৰ শুভাৰম্ভ হয়। সভাত মাজুলী জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়াই নিৰ্দ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে। দাৰ্শনিক পণ্ডিত ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণনৰ ৫ চেপ্তেম্বৰৰ জন্ম দিনটোৰ বিশেষ তাৎপৰ্য উল্লেখ কৰি বিদগ্ধ পণ্ডিত গৰাকীৰ প্ৰতিগভীৰ শ্ৰদ্ধা নিবেদন কৰি নিৰ্দ্দিষ্ট বক্তা গৰাকীয়ে কয় যে-গাঁওৰক্ষী বাহিনী হ'ল সমাজৰ এক অত্যন্ত পহৰী স্বৰূপ। সমাজ খনক সুস্থিৰ ভাৱে ৰখাটোৱেই গাঁৱৰক্ষী বাহিনীৰ প্ৰধান লক্ষ্য হোৱা উচিত। সামাজিক দায়বদ্ধতাৰ যোগেদি বাহিনী সমূহে নিজ নিজ গাঁও অঞ্চলৰ পৰা সামাজিক কেতবোৰ ব্যাধি যেনে-সম্প্ৰতি কালত সমাজত দেখা দিয়া বাল্যবিবাহ আৰু অবাধে মাদ্ৰক দ্ৰব্য সেৱনৰ ফলত সামাজিক পৰিৱেশ বিনষ্ট হোৱা, ধপাত জাতীয় দ্ৰব্য সেৱনৰ দ্বাৰাই শাৰীৰিক ক্ষতি আদিৰ উপৰিও আইন শৃংখলা বিঘ্নিত দৰে সমস্যা সমূহৰ বিৰোধে সমাজত জনমত সংগ্ৰহ কৰি সুস্থ-সৱল সমাজ গঢ়াত বাহিনী সমূহৰ যথেষ্ট কৰনীয় আছে বুলি নিৰ্দ্দিষ্ট বক্তা গৰাকীয়ে কয়। দিনক দিনে সমাজত দেখা দিয়া কু-প্ৰভাৱে সমাজ জীৱনত নেতিবাচক চিন্তাই চানি ধৰিছে। যাৰ পৰিপ্ৰেক্ষিতত সমাজ ব্যৱস্থাত নিতৌ বিশৃংখলতাৰ পৰিৱেশনে সুস্থিৰতাৰ পৰিচয় নাইকিয়াহে কৰিব ধৰিছে। সমাজিক দায়ৱদ্ধতা মূৰ পাতি লৈ জিলাখনৰ সকলো গাঁওৰক্ষী বাহিনীয়ে নিজ নিজ গাঁও এলেকাত বাল্য বিবাহ বিৰোধীজন সচেতনাৰ লক্ষ্য ৰে সজাগতা সৃষ্টি ও ৰাইজক সজাগ কৰা আৰু ধপাতঁমুক্ত সমাজ গঢ়াৰ আহ্বান জনায়। সভাত অসম গাঁওৰক্ষী সংগঠনৰ মাজুলী জিলাৰ গাঁৱৰক্ষী বাহিনীৰ উপ উপদেষ্টা তথা প্ৰজ্ঞাৰ মাজুলী জিলা সমিতিৰ সভাপতি মনোজ বৰাই মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰে। সভাৰ স্থলীতে শিক্ষক দিৱসৰ লগত সংগতি ৰাখি কণকণ ছাত্ৰী সকলে একোগছিকৈ বন্তিৰে সমবেত শিক্ষাগুৰু সকলক গুৰু প্ৰণাম কৰে। ইয়াৰোপৰি গাঁও/অঞ্চলত বৰ্তমানে কৰ্ম্মৰত আৰু অৱসৰপ্ৰাপ্ত মুঠ ২৭গৰাকী শিক্ষা গুৰুক একোখনিকৈ লিখিত সম্বৰ্ধনা পত্ৰ আৰু একোখনিকৈ গামোছাৰে সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে ২০২৬ বৰ্ষত সুখ্যাতিৰে উত্তীন হোৱা উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পাঁচগৰাকী কীৰ্তিমান ছাত্ৰ-ছাত্ৰীকো একেখন মঞ্চত সম্বৰ্ধনা জনোৱা হয়। সভাত গাঁৱৰক্ষী বাহিনী সমূহৰ বিষয় ববীয়া সদস্যৰ লগতে মাজুলী জিলা সাহিত্য সভাৰ সম্পাদক সঞ্জীৱ বৰা, মাজুলী থানা সমিতিৰ সভাপতি প্ৰতাপ বৰুৱা, থানা সমিতিৰ সহযোগী সম্পাদক টংকেশ্বৰ দাস, প্ৰজ্ঞাৰ বিষয়ববীয়া, গণ্য মান্য বিশিষ্ট ব্যক্তি; আই মাতৃ, আদি কৰি প্ৰায় দ্বি-শতাধিক ৰাইজ উপস্থিত থাকে। গাঁৱৰক্ষী বাহিনীৰ এনে পদক্ষেপক সমাজৰ বাবে এক আদৰনীয় পদক্ষেপ বুলি সমবেত ৰাইজে মতপোষণ কৰে।

# নাহৰকটীয়াৰ বিশিষ্ট সাংবাদিক প্ৰয়াত বুলন কুমাৰ শইকীয়া স্মাৰক ন্যাসৰ উদ্যোগত বুলন কুমাৰ শইকীয়াৰ ৰচনা সমগ্ৰ উন্মোচন অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, নাহৰকটীয়া, ৮ ছেপ্টেম্বৰ** ঃনাহৰকটীয়াৰ বিশিষ্ট তথা জ্যেষ্ঠ সাংবাদিক, নিবন্ধকা উপন্যাসিক, কবি, গল্পকাৰ, ৰাজনৈতিক বিশ্লেষক প্ৰয়াত বুলন কুমাৰ শইকীয়া স্মাৰক ন্যাসৰ উদ্যোগত তেখেতৰ দ্বাৰা ৰচনা হোৱা গ্ৰন্থ সমূহক একত্ৰ কৰি আৰু অসমৰ বিভিন্নজন সু লেখকৰ বুলন কুমাৰ শইকীয়া সম্পৰ্কত লিখা লিখনিৰে আমাৰ অসম কাকতৰ ডিব্ৰুগড়ৰ জ্যেষ্ঠ সাংবাদিক তথা সোণোৱাল বাৰ্তা কাকতৰ সম্পাদক ৰতন হাজৰিকাৰ সম্পাদনাত "অপ্ৰতিৰোধ্য বুলন কুমাৰ শইকীয়া, সৃষ্টি, আদৰ্শ আৰু কৰ্ম" নামেৰে ১৩০০ পৃষ্ঠাৰ এখন বৃহৎ কলেৱৰৰ গ্ৰন্থ কালি নাহৰকটীয়াৰ নামফাঁকে বৌদ্ধ বিহাৰৰ প্ৰেক্ষাগৃহত উন্মোচন কৰা হয়। অনুষ্ঠানৰ পূৰ্বে দুটিকৈ গছপুলি ৰোপণ কৰাৰ লগতে বুলন কুমাৰ শইকীয়াৰ প্ৰতিচ্ছবিত বতিপ্ৰজ্বলন কৰা হয়। বুলন কুমাৰ শইকীয়া স্মাৰক ন্যাসৰ সভাপতি তথা নাহৰকটিয়া পৌৰসভাৰ উপ পৌৰপতি অমূল্য চেংলাৰিৰ সঞ্চালনাত অনুষ্ঠিত হোৱা উক্ত অনুষ্ঠানটোত গ্ৰন্থখন উন্মোচন কৰে যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, বিশিষ্ট সাহিত্যিক, নাট্যকাৰ ড° জ্যোতি প্ৰসাদ শইকীয়াই। এই অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকে সোণোৱাল কছাৰী স্বায়ত্ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱাল, নাহৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ জ্যোতি প্ৰসাদ কোঁৱৰ, বৌদ্ধ বিহাৰৰ ভন্তে জ্ঞাপাল মহাঠেৰা, বুলন কুমাৰ শইকীয়াৰ সহধৰ্মিনী নৱনীতা কোঁৱৰ শইকীয়া আদি। সোণোৱাল কছাৰী স্বায়ত্ত্ব শাসিত পৰিষদ প্ৰকাশক হিচাপে থকা এই গ্ৰন্থখন উন্মোচন কৰাৰ পিছত প্ৰথম গ্ৰন্থখন নিলাম কৰা হয় আৰু বিশ হাজাৰ টকা নিলামত এই গ্ৰন্থখনখন ক্ৰয় কৰে সোণোৱাল কছাৰী স্বায়ত্ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালে। যোৰহাট, ধেমাজি, দুলীয়াজান, টেঙাখাট আৰু স্থানীয় শতাধিক গ্ৰন্থপ্ৰেমি ৰাইজৰ উপস্থিতিত অনুষ্ঠিত এই গ্ৰন্থখন উন্মোচনৰ দিনটোত ৫০ শতাংশ ৰেহাই মূল্যত গ্ৰন্থখন বিক্ৰী কৰা হয়। গ্ৰন্থ বিক্ৰী কৰি পোৱা সমুদায় ধন ন্যাসে বুলন কুমাৰ শইকীয়াৰ পৰিয়াল বৰ্গক অৰ্পণ কৰিব। ইয়াৰ উপৰিও বুলন কুমাৰ শইকীয়াৰ কন্যা গৰাকীৰ শিক্ষাৰ ক্ষেত্ৰত প্ৰয়োজনীয় ধন সোণোৱাল কছাৰী স্বায়ত্ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালে দায়িত্ব গ্ৰহণ কৰে। এই অনুষ্ঠানৰ বুলন কুমাৰ শইকীয়াৰ কন্যা ভৈৰৱী শইকীয়াই এটি কবিতা পাঠ কৰাৰ লগতে নামৰূপৰ ন্যাসৰ সদস্য জয়শ্ৰী বৰুৱাই একোটিকৈ কবিতা পাঠ কৰে।

"ভুলটোক ভুল বুলি ক'ব পৰাৰ সাহস আছিল বুলনৰ" ঃ ড° জ্যোতিপ্ৰসাদ শইকীয়া

# নাহৰকটীয়াৰ প্ৰয়াত সাংবাদিক বুলন কুমাৰ শইকীয়াৰ ৰচনা সমগ্ৰ উন্মোচন; ২০ হাজাৰ টকাত বিক্ৰী হ'ল প্ৰথমটো কপি

**অসম বাৰ্তা, নাহৰকটীয়া, ৮ ছেপ্টেম্বৰ** ঃনাহৰকটীয়াৰ বিশিষ্ট সাংবাদিক, সমালোচক, ঔপন্যাসিক, কবি, গল্পকাৰ, ব্যংগলেখক, ৰাজনৈতিক বিশ্লে-ষক, উদ্যোগী প্ৰয়াত বুলন কুমাৰ শইকীয়া স্মাৰক ন্যাসৰ উদ্যোগত "অপ্ৰতিৰোধ্য বুলন কুমাৰ শইকীয়াঃ সৃষ্টি, আদৰ্শ আৰু কম" শীৰ্ষক ১,৩০০ পৃষ্ঠাৰ এখন বৃহৎ কলেৱৰৰ গ্ৰন্থ দেওবাৰে নাহৰকটীয়াৰ নামফাকে বৌদ্ধ বিহাৰৰ প্ৰেক্ষাগৃহত এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত উন্মোচন কৰা হয়। বিশিষ্ট সাংবাদিক তথা 'মাহেকীয়া সোণোৱাল বাৰ্তা'ৰ সম্পাদক ৰতন হাজৰিকাৰ সম্পাদনাত আৰু সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ দ্বাৰা প্ৰকাশিত এই গ্ৰন্থখনে বুলন কুমাৰ শইকীয়াৰ বহুলচৰ্চিত উপন্যাস 'আৰাকান ইণ্টেল'সহ দুখন কাব্য সংকলন, দুখন আত্মজৈৱনীমূলক উপন্যাস (এখন অপ্ৰকাশিত), এখন ৰন্ধন সম্পৰ্কীয়, এখন নিবন্ধ সংকলন আৰু এখন অনূদিত গ্ৰন্থসহ মুঠ ৯খন গ্ৰন্থ অন্তৰ্ভুক্ত হৈছে। তদুপৰি 'বাটৰ কচু পুৰাণ' শীৰ্ষক ব্যংগ সংকলন আৰু লেখক গৰাকীৰ কেতবোৰ গ্ৰন্থৰ সমালোচনা আৰু তেওঁৰ সান্নিধ্য লাভ কৰা বিশিষ্ট ব্যক্তি সকলৰ লেখা, সামাজিক মাধ্যমত প্ৰচাৰিত এশটা প'ষ্ট গ্ৰন্থখনিত সন্নিৱিষ্ট হৈছে। এই উপলক্ষে 'বুলন কুমাৰ শইকীয়া স্মাৰক ন্যাস'ৰ উদ্যোগত সন্ধিয়া আয়োজিত উন্মোচন অনুষ্ঠানৰ পূৰ্বে দুটিকৈ গছপুলি ৰোপণ কৰাৰ লগতে বুলন কুমাৰ শইকীয়াৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়। ইয়াৰ পিছতে বুলন কুমাৰ শইকীয়া স্মাৰক ন্যাসৰ সভাপতি তথা নাহৰকটীয়া পৌৰসভাৰ উপ পৌৰপতি অমূল্য চেংলাৰীৰ সঞ্চালনাত অনুষ্ঠিত হোৱা গ্ৰন্থ উন্মোচনী সভাত শংখধ্বনি, বৌদ্ধস্তোত্ৰৰে গ্ৰন্থখন উন্মোচন কৰে যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ নাট্যকাৰ ড° জ্যোতিপ্ৰসাদ শইকীয়াই ভাষণ প্ৰসংগত উল্লেখ কৰে যে বুলন কুমাৰ শইকীয়াৰ লিখনি সমূহত মানৱদৰদী আৰু সংবেদনশীল কণ্ঠ বিচাৰি পোৱাৰ লগতে সৎ, সাহসী আৰু স্পষ্টবাদিতাৰ পৰিচয় পোৱা যায়। বিশেষকৈ গ্ৰন্থখনত সন্নিৱিষ্ট হোৱা চাৰিটা গল্প বিশ্বৰ জনপ্ৰিয় গল্পকাৰ ৰাস্কিন বণ্ড, এণ্টন শ্বেকভ, অ' হেনৰীৰ দৰে অনন্য বৈশিষ্ট্যপূৰ্ণ। প্ৰকাশভংগী অত্যন্ত সুন্দৰ। আনহাতে বুলনৰ কবিতাই নতুন প্ৰজন্মক চিন্তাৰ বাট বুলিবলৈ সুবিধা দিব বুলি উল্লেখ কৰি তেওঁ কয় যে ভুলটোক ভুল বুলি ক'ব পৰাৰ সাহস আছিল বুলনৰ। এই গ্ৰন্থখনত বুলনৰ এক মানৱদৰদী মন পাঠকে উদ্ধাৰ কৰিব। নতুন প্ৰজন্মই তেওঁৰ চিন্তা চৰ্চাক বিশ্লেষণ কৰি চোৱাৰ প্ৰয়োজন আছে বুলিও তেওঁ ভাষণত উল্লেখ কৰে। গ্ৰন্থখনিৰ সম্পাদক ৰতন হাজৰিকাই আঁত ধৰা অনুষ্ঠানটোত নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱাল, বিশিষ্ট সাহিত্যিক গুণেশ্বৰ সোণোৱাল, নাহৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতি প্ৰসাদ কোঁৱৰ, নামফাকে বৌদ্ধ বিহাৰৰ বিহাৰাধ্যক্ষ জ্ঞানপাল মহাথেৰ, বুলন কুমাৰ শইকীয়াৰ সহধৰ্মিনী নৱনীতা কোঁৱৰ শইকীয়াৰ উপস্থিতিত গ্ৰন্থখনি উন্মোচন কৰাৰ পিছতেই প্ৰথম কপিটো নিলাম কৰা হয়। ১০০১ টকাৰ পৰা আৰম্ভ হোৱা এই নিলামত ২০ হাজাৰ টকাত গ্ৰন্থখনখন ক্ৰয় কৰে সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালে। তেখেতে নিজৰ বক্তব্যত বুলন কুমাৰ শইকীয়াৰ জীৱন আৰু দৰ্শন ওপৰত আলোকপাত কৰাৰ লগতে বুলন কুমাৰ শইকীয়াৰ কন্যা ভৈৰৱী শইকীয়া পঢ়া-শুনাৰ বাবে যাৱতীয় খৰচৰ ব্যৱস্থা কৰাৰ প্ৰতিশ্ৰুতিও প্ৰদান কৰে। আনহাতে নামফাকে বৌদ্ধ বিহাৰৰ ভাণ্টে গৰাকীয়ে বুলন কুমাৰ শইকীয়াই যি সকল সাংবাদিকক হাতত ধৰি ধৰি সাংবাদিকতাৰ আদি পাঠ দিছিল সেই সকল সাংবাদিক সভাত উপস্থিত নথকা কাৰ্যত ক্ষোভ প্ৰকাশ কৰি কয় যে সেই সকল সাংবাদিকে সমাজৰ কি উন্নতি কৰিব। তেওঁলোকৰ মানৱতাবোধ নোহোৱা হ'ল নেকি বুলিও তেওঁ প্ৰশ্ন কৰে। অনুষ্ঠানত যোৰহাট, ধেমাজি, দুলীয়াজান, টেঙাখাট, নামৰূপ আৰু স্থানীয় ডেৰ শতাধিক বুলনৰ শুভাকাংক্ষী, বিশিষ্ট ব্যক্তি আৰু গুণমুগ্ধৰ উপস্থিতিত অনুষ্ঠিত এই গ্ৰন্থখন উন্মোচনৰ পিছতেই ৫০ শতাংশ ৰেহাই মূল্যত গ্ৰন্থখন বিক্ৰী কৰা হয়। গ্ৰন্থ বিক্ৰী কৰি পোৱা সমুদায় ধন বুলন কুমাৰ শইকীয়াৰ পৰিয়ালক ন্যাসে অৰ্পণ কৰিব। এই অনুষ্ঠানতে ন্যাসৰ সদস্য জয়শ্ৰী বৰুৱা আৰু বুলন কুমাৰ শইকীয়াৰ কন্যা ভৈৰৱী শইকীয়াই একোটিকৈ কবিতা পাঠ কৰাৰ লগতে বুলন কুমাৰ শইকীয়াৰ সম্পৰ্কে দেৱজিৎ সোণোৱালে প্ৰস্তুত কৰা এখনি তথ্যচিত্ৰও প্ৰদৰ্শন কৰা হয়।



# কৃতী শিক্ষক, শিল্পী অমিয় কুমাৰ চিৰাঙক পাথৰিচুক উন্নয়ন সমিতিৰ সম্বৰ্ধনা

**অসম বাৰ্তা, উজনী মাজুলী, ৮ ছেপ্টেম্বৰ** ঃমাজুলী জিলাৰ বিশিষ্ট লোক শিল্পী, লোহিত খাবলুৰ পাথৰিচুক প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা বিশিষ্ট শিক্ষাব্ৰতী অমিয় কুমাৰ চিৰাঙে চলিত ২০২৬ বৰ্ষৰ শিক্ষক দিৱসত লখিমপুৰ জিলা ভিত্তিত কৃতী শিক্ষকৰ বঁটা লাভ কৰি সমগ্ৰ লোহিত খাবলু অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। বিশিষ্ট শিক্ষাব্ৰতী আৰু সমাজকৰ্মী অমিয় কুমাৰ চিৰাঙক আজি পাথৰিচুক উন্নয়ন সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। কৃতী শিক্ষকজনক সম্বৰ্ধনা জনাবলৈ আজি পাথৰিচুক উন্নয়ন সমিতিৰ উদ্যোগত পাথৰিচুক প্ৰাথমিক বিদ্যালয়ত এক শ্ৰদ্ধা আৰু সন্মানসূচক অনুষ্ঠানৰ আয়োজন কৰা হয়। পাথৰিচুক উন্নয়ন সমিতিৰ সভাপতি বিজয় পায়েঙৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উক্ত সম্বৰ্ধনা অনুষ্ঠানৰ আঁত ধৰে পাথৰিচুক উন্নয়ন সমিতিৰ সম্পাদক কৃষ্ণ পায়েঙে। অনুষ্ঠানত বঁটা প্ৰাপক অমিয় কুমাৰ চিৰাঙৰ মহান অৱদানসমূহৰ বিষয়ে আলোকপাত কৰে পাথৰিচুক উন্নয়ন সমিতিৰ শিক্ষা সম্পাদক চক্ৰধৰ পায়েং আৰু ৰঞ্জিত পায়েঙে। অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী সঞ্জয় পায়েং, বিশ্বজিৎ পায়েং, নিৰন পায়েং আৰু মুখেশ্বৰ চিৰাঙে অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে। সম্বৰ্ধনা অনুষ্ঠানত পাথৰিচুক প্ৰাথমিক বিদ্যালয়ৰ সকলো শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰী সকলে অংশগ্ৰহণ কৰে। উক্ত, অনুষ্ঠানত পাথৰিচুক উন্নয়ন সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা পত্ৰ, অংগবস্ত্ৰ আৰু এখন শৰাই প্ৰদান কৰি কৃতী শিক্ষক অমিয় কুমাৰ চিৰাঙক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত পাথৰিচুক প্ৰাথমিক বিদ্যালয়ৰ তৰফৰ পৰাও প্ৰধান শিক্ষক অমিয় কুমাৰ চিৰাঙক সম্বৰ্ধনা জনোৱা হয়। উক্ত, সম্বৰ্ধনা গ্ৰহণ কৰি অমিয় কুমাৰ চিৰাঙে তেওঁৰ কৰ্মজীৱনত পোৱা কৃতী শিক্ষকৰ স্বীকৃতিয়ে তেওঁৰ দায়বদ্ধতা অধিক বৃদ্ধি কৰিলে বুলি উল্লেখ কৰে আৰু পাথৰিচুক উন্নয়ন সমিতিক কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়াই উন্নয়ন সমিতিৰ সম্পাদক কৃষ্ণ পায়েঙে।

# দুধনৈ আৰক্ষীয়ে চোৰাং কাঠসহ উদ্ধাৰ কৰা নম্বৰবিহীন বাহন বন বিভাগক হস্তান্তৰ



**অসমবাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ৮ ছেপ্টেম্বৰ** ঃ গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত আৰক্ষী তথা বন বিভাগে সময়ে সময়ে চোৰাং কাঠ আৰু কাঠ সৰবৰাহকাৰী বাহনৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি ৰখাৰ মাজতে দুধনৈত উদ্ধাৰ হোৱা এখন নম্বৰবিহীন বাহনক লৈ প্ৰশাসনিক প্ৰক্ৰিয়া অব্যাহত আছে। যোৱা ৮ আগষ্টত দুধনৈ আৰক্ষীয়ে এক গোপন খবৰৰ ভিত্তিত অভিযান চলাই এক পৰিত্যক্ত স্থানৰ পৰা চোৰাং কাঠসহ এখন নম্বৰ প্লেটবিহীন আৰু চালকবিহীন বলেৰ' মে' পিকআপ উদ্ধাৰ কৰিছিল। উদ্ধাৰৰ দীৰ্ঘদিন পাৰ হৈ যোৱাৰ পাছতো কোনো লোকে বাহনখনৰ মালিকীস্বত্ব দাবী কৰি ওলাই নহাত অৱশেষত দুধনৈ আৰক্ষীয়ে কাঠভৰ্তি বাহনখন দুধনৈ খণ্ড বন বিষয়াৰ কাৰ্যালয়ত আনুষ্ঠানিকভাৱে হস্তান্তৰ কৰে। বৰ্তমান বাহনখন আৰু জব্দকৃত কাঠখিনি দুধনৈ খণ্ড বন বিষয়াৰ জিম্মাত ৰখা হৈছে। বন বিভাগে আৰক্ষীৰ পৰা বাহন তথা চোৰাং কাঠখিনি চমজি লোৱাৰ পাছত নিয়ম অনুসৰি নিজাববীয়াকৈ বিভাগীয় যাৱতীয় কাম-কাজ আৰু তদন্ত প্ৰক্ৰিয়া দ্ৰুতগতিত আগুৱাই লৈ গৈছে। নম্বৰ প্লেট নথকা বাহনখনৰ ইঞ্জিন আৰু চেছিছ নম্বৰৰ জৰিয়তে প্ৰকৃত গৰাকীক চিনাক্ত কৰাৰ লগতে চোৰাং কাঠ সৰবৰাহ চক্ৰটোৰ শুংসূত্ৰ বিচাৰি বন বিভাগে প্ৰচেষ্টা অব্যাহত ৰাখিছে।

# দৈয়াঙত মাটিৰ পট্টাৰ দাবীত ক্ষোভ

২৫বছৰেও সমস্যাৰ সমাধান নোহোৱাত জনপ্ৰতিনিধিৰ ভূমিকাক লৈ প্ৰশ্ন

**অসম বাৰ্তা, মেৰাপানী, ৮ ছেপ্টেম্বৰ** ঃ গোলাঘাট জিলাৰ ঐতিহাসিক দৈয়াং অঞ্চলত যুগ যুগ ধৰি বসবাস কৰি অহা হাজাৰ হাজাৰ থলুৱা পৰিয়ালে আজিও নিজৰ ভেটি-মাটিৰ আইনী অধিকাৰ অৰ্থাৎ মাটিৰ পট্টা লাভ নকৰাক লৈ ক্ষোভ প্ৰকাশ কৰিছে। স্বাধীনতাৰ কেইবা দশক উকলি যোৱাৰ পাছতো ভূমিৰ অধিকাৰৰ পৰা বঞ্চিত হৈ থকা অঞ্চলটোৰ খিলঞ্জীয়া লোকসকলৰ মাজত এই বিষয়টোক কেন্দ্ৰ কৰি অসন্তোষ ক্ৰমাৎ তীব্ৰ হৈ উঠিছে। মাটিৰ পট্টা নথকাৰ ফলত দৈয়াং অঞ্চলৰ বহু ক্ষুদ্ৰ আৰু উপান্ত কৃষকে চৰকাৰী বিভিন্ন আঁচনিৰ সুবিধা লাভৰ ক্ষেত্ৰতো সমস্যাৰ সন্মুখীন হোৱা বুলি অভিযোগ উত্থাপিত হৈছে। বিশেষকৈ কৃষক পৰিচয়, প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিকে ধৰি কৃষি সম্পৰ্কীয় বিভিন্ন সুবিধা লাভৰ ক্ষেত্ৰত ভূমিৰ নথি এক গুৰুত্বপূৰ্ণ বিষয় হৈ পৰাত বহু কৃষক বঞ্চিত হৈ অহাৰ অভিযোগ কৰিছে। একেদৰে বেংকৰ পৰা কৃষি ঋণ, বিভিন্ন ৰাজসাহায্য তথা কৃষি সম্পৰ্কীয় সুবিধা লাভৰ ক্ষেত্ৰতো মাটিৰ পট্টাৰ অভাৱ বাধাৰ সৃষ্টি কৰা বুলি স্থানীয় ৰাইজে মত প্ৰকাশ কৰিছে। ইপিনে, এই দীৰ্ঘদিনীয়া সমস্যাটোৰ সমাধানৰ দাবীত সময়ে সময়ে ৰাইজে চৰকাৰ আৰু প্ৰশাসনৰ ওচৰত আবেদন-নিবেদন জনাই অহাৰ পাছতো আশানুৰূপ ফল নোপোৱাত ক্ষোভ বৃদ্ধি পাইছে। স্থানীয় ৰাইজৰ অভিযোগ, প্ৰতিটো নিৰ্বাচনৰ সময়ত ভূমি অধিকাৰৰ সমস্যাটো সমাধানৰ প্ৰতিশ্ৰুতি প্ৰদান কৰা হয় যদিও নিৰ্বাচন পাৰ হৈ যোৱাৰ পাছত বিষয়টো পুনৰ উপেক্ষিত হৈ পৰে। বিশেষ তাৎপৰ্যপূৰ্ণভাৱে, বিগত প্ৰায় ২৫ বছৰ ধৰি গোলাঘাট সমষ্টিক প্ৰতিনিধিত্ব কৰি অহা বিধায়িকা তথা ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ মন্ত্ৰী অজন্তা নেওগে দৈয়াংবাসীৰ এই দীৰ্ঘদিনীয়া ভূমি সমস্যাটো সমাধানৰ বিষয়ে বিধানসভাত গুৰুত্বসহকাৰে উত্থাপন কৰিছেনে তাক লৈ প্ৰশ্ন উত্থাপন কৰিছে দৈয়াঙবাসী ৰাইজে। ■

# সদৌ অসম গড় সমাজ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত সজাগতা সভা

**অসম বাৰ্তা, মাকুম, ৮ ছেপ্টেম্বৰ** ঃআজি সদৌ অসম গড় সমাজ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত মাকুম আঞ্চলিক সমিতি আৰু চান্দমাৰী বঙালী গাঁও প্ৰাথমিক গোটৰ লগতে সদৌ অসম গড় সমাজ মহিলা সমিতিৰ সহযোগত মাকুম চান্দমাৰী বঙালী গাৱঁৰ ৰাজহুৱা প্ৰেক্ষাগৃহত এক সজাগতা সভা অনুষ্ঠিত কৰা হয়। আজিৰ সজাগতা সভাখনত গড় সমাজৰ লোকৰ ভূমি আদি কিনা-বেচাৰ ক্ষেত্ৰত সদৌ অসম গড় সমাজৰ অনুমতি গ্ৰহণ কৰিব লাগিব, নিচা জাতীয় দ্ৰব্য যেনে ড্ৰাগছ, কানি, চুলাই-মদ আদি সেৱন বা ব্যৱসায় কৰা বন্ধ কৰিব লাগিব অন্যথ্যা আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব আৰু গড় সমাজৰ ছাত্ৰ-ছাত্ৰী সকলৰ শৈক্ষিক দিশটো আগুৱাই নিয়াৰ ক্ষেত্ৰত গড় সমাজে সৱল ভূমিকা পালন কৰিব লাগিব, বুলি সিদ্ধান্ত গ্ৰহণ কৰা হয়। সদৌ অসম গড় সমাজ মাকুম আঞ্চলিক সমিতিৰ সম্পাদক জয়পালে গড়ে সভাপতিত্ব কৰা সজাগতা সভাখনিত তিনিচুকীয়া জিলাৰ সভাপতি প্ৰভু গড়, চান্দমাৰী বঙালী গাঁও প্ৰাথমিক গোটৰ সম্পাদক শিৱা গড়, সদৌ অসম গড় সমাজ মহিলা সমিতিৰ বিষয় ববীয়া সকল প্ৰমুখ্যে কৰি আটছা বেতজান উপ-শাখাৰ উপ-সভাপতি ৰাজীৱ গড় সহিতে বহু সংখ্যক গড় সমাজৰ লোক সকল উপস্থিত থাকে।

# দেৰগাঁৱৰ সন্ধানহীন ছাত্ৰী লামডিঙত উদ্ধাৰ

**অসম বাৰ্তা, দেৰগাঁও, ৮ ছেপ্টেম্বৰ** ঃ শিক্ষক দিৱসৰ দিনাই দেৰগাঁৱৰ এগৰাকী উচ্চতৰ মাধ্যমিকৰ ছাত্ৰী সন্ধানহীন হোৱাৰ ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰে। জানিব পৰা মতে, দেৰগাঁও দক্ষিণ দলিজলীয়া গাঁৱৰ এগৰাকী কিশোৰী তথা দেৰগাঁও বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰীগৰাকী শিক্ষক দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ আহি ঘৰলৈ উভতি যোৱাৰ পথত সন্ধানহীন হৈ পৰে। ঘটনা সন্দৰ্ভত পৰিয়ালৰ লোকে দেৰগাঁও থানাত এজাহাৰ দাখিল কৰে। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰে। তদন্তৰ সময়তে ছাত্ৰীগৰাকীক লামডিং ষ্টেচনত উদ্ধাৰ কৰা হয়। আৰক্ষীৰ তদন্তত ছাত্ৰীগৰাকীক অপহৰণৰ অভিযোগ উত্থাপন হৈছে। ঘটনা সন্দৰ্ভত বিহাৰৰ ৰবি কুমাৰ নামৰ এজন যুৱকক আৰক্ষীয়ে আটক কৰা বুলি জানিব পৰা গৈছে। অৱশ্যে ছাত্ৰীগৰাকীয়ে যুৱকজনৰ সৈতে নিজৰ কোনো প্ৰেমৰ সম্পৰ্ক নাই বুলি আৰক্ষীৰ আগত প্ৰকাশ কৰে। ঘটনাটোক কেন্দ্ৰ কৰি দেৰগাঁৱত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। আৰক্ষীয়ে সমগ্ৰ ঘটনাৰ অধিক তদন্ত অব্যাহত ৰাখিছে।

সংবাদমেলত বদৰুদ্দিন আজমলক প্ৰত্যাহ্বান জিলা পৰিষদৰ সদস্য আচিফ জাবেদৰ

# বিন্নাকান্দিত জনপ্ৰতিনিধিৰ বিৰুদ্ধে আজমলৰ মনোনীত প্ৰতিনিধিৰ ষড়যন্ত্ৰৰ অভিযোগ

**অসম বাৰ্তা, ডবকা, ৮ ছেপ্টেম্বৰ** ঃ বিন্নাকান্দি সমষ্টিৰ উন্নয়নক কেন্দ্ৰ কৰি শাসক-বিৰোধী শিবিৰৰ মাজত বাক-বিতণ্ডা তীব্ৰতৰ হৈ পৰিছে। সমষ্টিৰ উন্নয়নৰ নামত বিধায়ক বদৰুদ্দিন আজমলৰ মনোনীত প্ৰতিনিধিয়ে পঞ্চায়ত প্ৰতিনিধি সকলৰ বিৰুদ্ধে উত্তেজনা মূলক আৰু বিভ্ৰান্তিকৰ বক্তব্য প্ৰদান কৰাৰ অভিযোগ উত্থাপন কৰি সোমবাৰে ডবকাত এখন সংবাদমেল অনুষ্ঠিত কৰে ডবকা জিলা পৰিষদৰ সদস্য আচিফ জাবেদে। বিন্নাকান্দি আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী ৰোবিয়া নাচৰীন আৰু উপ-সভাপতি ইয়াকুব আলীৰ উপস্থিতিত অনুষ্ঠিত সংবাদমেলত জাবেদে অভিযোগ কৰে যে বিধায়ক বদৰুদ্দিন আজমলৰ মনোনীত প্ৰতিনিধি আব্দুল হক আৰু আব্দুল হাই মীৰে বিভিন্ন পঞ্চায়তৰজন প্ৰতিনিধি সকলৰ বিৰুদ্ধে ৰাইজক উত্তেজিত কৰাৰ লগতে ভুল তথ্য প্ৰচাৰৰ জৰিয়তে বিভ্ৰান্ত কৰাৰ চেষ্টা চলাইছে। জিলা পৰিষদৰ সদস্য গৰাকীয়ে কয় যে বিগত জুন মাহত বিন্নাকান্দি উন্নয়ন খণ্ডৰ উন্নয়নমূলক আঁচনি নিৰ্ধাৰণৰ বাবে অনুষ্ঠিত গুৰুত্বপূৰ্ণ বৈঠকত বিধায়ক বদৰুদ্দিন আজমল নিজে উপস্থিত নাথাকি তেওঁৰ দলৰ নেতা আব্দুল হাই মীৰক প্ৰতিনিধি হিচাপে প্ৰেৰণ কৰিছিল। একেদৰে জিলা উন্নয়ন সমিতিৰ বৈঠকতো বিধায়ক গৰাকী উপস্থিত নথকাৰ অভিযোগ উত্থাপন কৰে তেওঁ। আচিফ জাবেদে দাবী কৰে যেজন প্ৰতিনিধি সকলৰ সৈতে পোনপটীয়া কৈ মত-বিনিময় কৰি সমষ্টিৰ সমস্যা উত্থাপন কৰাৰ পৰিৱৰ্তে বিধায়কে মনোনীত প্ৰতিনিধিৰ জৰিয়তে কাম-কাজ চলোৱাৰ চেষ্টা কৰিছে। এই ঘটনাক লৈ ৰাইজৰ মাজত অসন্তুষ্টিৰ সৃষ্টি হোৱা বুলিও তেওঁ দাবী কৰে। সংবাদমেলত পূৰ্বৰ বিধায়ক ছিৰাজুদ্দিন আজমলৰ কাৰ্যকালত সংঘটিত হোৱা বুলি অভিযোগ কৰা এক বিত্তীয় অনিয়মৰ বিষয়ো উত্থাপন কৰে জাবেদে। তেওঁৰ দাবী অনুসৰি, ছিৰাজুদ্দিন আজমল বিধায়ক হৈ থকা সময়ছোৱাত প্ৰায় ১ কোটি ১৭ লাখ টকাৰ ৰাবিছ কেলেংকাৰি সংঘটিত হৈছিল। উক্ত ধন কোনে, কাৰ নামত আৰু কেনেদৰে উলিয়াইছিল, সেই সন্দৰ্ভত সম্পূৰ্ণ তদন্ত কৰি তথ্য ৰাজহুৱা কৰাৰ দাবী জনায় তেওঁ। এই সন্দৰ্ভত বদৰুদ্দিন আজমলক প্ৰত্যাহ্বান জনাই জাবেদে কয় যে যদি তেওঁ সঁচাকৈয়ে দুৰ্নীতিৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰিব বিচাৰে, তেন্তে নিজৰ ভাতৃ ছিৰাজুদ্দিন আজমলৰ কাৰ্যকালৰ উক্ত অভিযোগৰ তদন্ত কৰাই দেখুৱাব লাগে। ৰাবিছৰ নামত উল্লিখিত ১ কোটি ১৭ লাখ টকাৰ ধন কেনেদৰে ব্যৱহাৰ বা হৰলুকী কৰা হৈছিল আৰু কাৰ কাৰ নামত ধন উলিওৱা হৈছিল, সেই বিষয়ে তদন্তৰ দাবী জনায় তেওঁ। ইফালে, বৰ্তমানলৈকে পঞ্চায়ত সমূহৰ কাউন্সিলাৰ বা সভাপতি সকলৰ বাবে ৰাজ্য চৰকাৰৰ পৰা কোনো নতুন ধন বিন্নাকান্দি উন্নয়ন খণ্ড অথবা সংশ্লিষ্ট পঞ্চায়ত সমূহলৈ অহা নাই বুলি সংবাদমেলত স্পষ্ট কৰে জাবেদে। এনে পৰিস্থিতিত ধন আবণ্টন হোৱা বুলি বা নতুন ধন অহা বুলি বিভ্ৰান্তিকৰ তথ্য প্ৰচাৰ কৰা হৈছে বুলিও তেওঁ অভিযোগ কৰে। জিলা পৰিষদৰ সদস্য গৰাকীৰ অভিযোগ, সমষ্টিৰ উন্নয়নমূলক কাম-কাজত বিধায়কৰ সক্ৰিয় ভূমিকা থকাৰ পৰিৱৰ্তে মনোনীত প্ৰতিনিধিৰ জৰিয়তে সমষ্টি পৰিচালনাৰ চেষ্টা চলোৱা হৈছে। তেওঁৰ মতে, বিধায়কৰ মূল দায়িত্ব হৈছে চৰকাৰৰ সৈতে সমন্বয় স্থাপন কৰি সমষ্টিৰ উন্নয়নৰ বাবে পুঁজি আৰু আঁচনি নিশ্চিত কৰাৰ লগতে পঞ্চায়ত আৰু অন্যান্যজন প্ৰতিনিধিৰ সৈতে আলোচনা কৰি উন্নয়নৰ পৰিকল্পনা গ্ৰহণ কৰা। অৱশ্যে, সংবাদমেলত উত্থাপিত অভিযোগ সমূহ সন্দৰ্ভত বিধায়ক বদৰুদ্দিন আজমল বা তেওঁৰ মনোনীত প্ৰতিনিধিৰ কোনো প্ৰতিক্ৰিয়া এই পৰ্যন্ত লাভ কৰা হোৱা নাই।

**NAME CORRECTION**

My actual and correct name is "KARIMAN NESSA", which has been recorded in my all relevant documents including Aadhar Card Vide Card No- 6639-0560-7941 PAN Card vide No DLRPB7146F, but the same has wrongly recorded in my AGVB Bank Account Lakhiganj Branch vide No- 7150029002154 as KARIMAN BEWA instead of correct name- KARIMAN NESSA. That, both KARIMAN BEWA and KARIMAN NESSA,signifies the same and one identical person i.e. myself.
S/d
KARIMAN NESSA
C/O: Boktar Ali
Vill: Khudigaon pt 2
PO: Lakhiganj, Pin: 783345
PS: Bilasipara
Dist: Dhubri
AB-155/2026

### অসম সাহিত্য সভাৰ উদ্যোগত গৰিয়া, মৰিয়া, দেশী, জলহা (চাহ জনগোষ্ঠী) আৰু চৈয়দ জনগোষ্ঠীৰ বিদ্যায়তনিক আৰু সাংস্কৃতিক সমাৰেশ সম্পন্ন

# লোকপিয়লত মাতৃভাষা অসমীয়া বুলি লিখিব পাঁচ জনগোষ্ঠীয়ে

**অসম বাৰ্তা, সোণাপুৰ, ৮ ছেপ্টেম্বৰ ঃ** চলিত লোকপিয়লত মাতৃভাষা অসমীয়া বুলি লিখিব গৰিয়া, মৰিয়া, দেশী, জলহা (চাহ জনগোষ্ঠী) আৰু চৈয়দ জনগোষ্ঠীকে ধৰি পাঁচ জনগোষ্ঠীয়ে। আজি অসম সাহিত্য সভাৰ উদ্যোগত পৰিৱেশ্য কলা উপসমিতিৰ সহযোগত আয়োজিত গৰিয়া, মৰিয়া, দেশী, জলহা (চাহ জনগোষ্ঠী) আৰু চৈয়দ জনগোষ্ঠীৰ বিদ্যায়তনিক আৰু সাংস্কৃতিক সমাৰেশৰ মুকলি অধিৱেশনত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। আজি আদৰণী সমিতিৰ সভাপতি ডাঃ পদ্মশ্ৰী ইলিয়াছ আলীৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি অধিৱেশনত উপস্থিত থাকি অসম সাহিত্য সভাৰ প্ৰধানসম্পাদক দেৱজিৎ বৰাই আদৰণী ভাষণ প্ৰদান কৰি কয়- 'অসমৰ চহকী সামাজিক, সাংস্কৃতিক আৰু ভাষিক বৈচিত্ৰ্যৰ অবিচ্ছেদ্য অংগ হিচাপে গৰিয়া, মৰিয়া, দেশী, জলহা (চাহ জনগোষ্ঠী) আৰু চৈয়দ জনগোষ্ঠীসমূহে যুগ যুগ ধৰি অসমৰ সমাজ-সংস্কৃতি, লোককলা, লোকসংস্কৃতি আৰু ঐতিহ্য সমৃদ্ধ কৰি আহিছে। এই জনগোষ্ঠীসমূহৰ স্বকীয় পৰিচয়, ভাষা, কলা-কৃষ্টি আৰু সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ, সংবৰ্ধন আৰু ভৱিষ্যৎ প্ৰজন্মলৈ সুৰক্ষিতভাৱে আগবঢ়াই নিয়াৰ উদ্দেশ্যে অসম সাহিত্য সভাই আজিৰ দৰে কাৰ্যক্ৰমণিকা গ্ৰহণ কৰিছে। দীপালী পাটগিৰি দলৰ দ্বাৰা পৰিৱেশিত চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে আৰম্ভ হোৱা আজিৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে অধিবক্তা নেকিবুজ জামান, বিশিষ্ট অতিথি হিচাপে লেখক-গল্পকাৰ ইমৰাণ হুছেইন, লেখক ধীৰেন্দ্ৰ চন্দ্ৰ শৰ্মা, লেখক মুকুট শৰ্মা আৰু সংখ্যালঘু আয়োগৰ অধ্যক্ষ তবিবুৰ ৰহমান উপস্থিত থাকে। আজিৰ অনুষ্ঠনত গৰিয়া মৰিয়া দেশী, জলহা (চাহ জনগোষ্ঠী আৰু চৈয়দ ঐক্য মঞ্চ, অসম, সদৌ অসম অতি পিছপৰা মৰিয়া সন্থা, চাহ শ্ৰমিক আৰু প্ৰাক্তন চাহ শ্ৰমিক জলহা জাতি সম্মিলনী, অসম চাহ জনগোষ্ঠী জলহা যুৱ-ছাত্ৰ পৰিষদ, অসমীয়া চৈয়দ কল্যাণ ন্যাস, অসমীয়া চৈয়দ জনগোষ্ঠীয় পৰিষদ, দেশী জনগোষ্ঠীয় মঞ্চ অসম, দেশী সাহিত্য সভা, চাহ আৰু প্ৰাক্তন চাহ জনজাতি জলহা সমাজ, অসম গৰিয়া পৰিষদ, গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদ, উজনী অসম মুছলিম কল্যাণ পৰিষদ, চাহ জনগোষ্ঠী জলহা সাহিত্য সভা, সদৌ অসম গৰিয়া জাতীয় পৰিষদ, সদৌ অসম গৰিয়া পৰিষদ, সদৌ অসম গৰিয়া জাতীয় পৰিষদ, সদৌ জাৰুৱা জাতীয় পৰিষদকে ধৰি বহু কেইটা সংগঠনৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰে। উক্ত অধিৱেশনত কেবাটাও উল্লেখযোগ্য প্ৰস্তাৱ গ্ৰহণ কৰে। উক্ত প্ৰস্তাৱসমূহ হ'ল- গৰিয়া, মৰিয়া, দেশী, জলহা (চাহ জনগোষ্ঠী) আৰু চৈয়দ জনগোষ্ঠীৰ বাবে তেওঁলোকৰ বসতি প্ৰধান অঞ্চলসমূহত প্ৰায় ৫০ বিঘা ভূমি সংৰক্ষণ কৰি প্ৰতিটো জনগোষ্ঠীৰ স্বকীয় কলা-কৃষ্টি, লোকসংস্কৃতি, পৰম্পৰা আৰু ঐতিহ্য সংৰক্ষণৰ উদ্দেশ্যে সাংস্কৃতিক কেন্দ্ৰ স্থাপনৰ ব্যৱস্থা কৰিবলৈ অসম চৰকাৰক অসম সাহিত্য সভাই আহ্বান জনায়। আনহাতে গুৱাহাটী মহানগৰ এলেকাত উক্ত গৰিয়া, মৰিয়া, দেশী, জলহা (চাহ জনগোষ্ঠী) আৰু চৈয়দ জনগোষ্ঠীৰ প্ৰতিটোৰ বাবে একোখনকৈ অতিথিশালা তথা জনগোষ্ঠীয় সাংস্কৃতিক ভৱন নিৰ্মাণৰ বাবে প্ৰয়োজনীয় ভূমি আৰু আৰ্থিক সহাৰ্য্য আগবঢ়াবলৈ অসম চৰকাৰক আহ্বান জনায়। ইফালে সভাত উক্ত জনগোষ্ঠীসমূহৰ স্বকীয় জনগোষ্ঠীয় পৰিচয় সুনিশ্চিত কৰাৰ বাবে চৰকাৰীভাৱে জনগোষ্ঠীয় পৰিচয়-পত্ৰ প্ৰদানৰ ব্যৱস্থা কৰিবলৈ অসম চৰকাৰক আহ্বান জনায়। আনহাতে অসম বিধান সভা তথা বিভিন্ন স্থানীয় নিকায়, নিগম আৰু পৰিষদত উক্ত জনগোষ্ঠীসমূহৰ উপযুক্ত প্ৰতিনিধিত্ব নিশ্চিত কৰাৰ বাবে আসন সংৰক্ষণ অথবা অন্যান্য গণতান্ত্ৰিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ অসম চৰকাৰক আহ্বান জনায়। সভাত অন্য এক প্ৰস্তাৱযোগে উক্ত জনগোষ্ঠীসমূহৰ সামাজিক, শৈক্ষিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক উন্নয়নৰ বাবে পৃথক জনগোষ্ঠীয় উন্নয়ন পৰিষদ গঠন কৰি পৰ্যাপ্ত আৰু বিশেষ আৰ্থিক অনুদান আগবঢ়োৱাৰ ব্যৱস্থা কৰিবলৈ অসম চৰকাৰক আহ্বান জনায়। ইফালে অন্য এক প্ৰস্তাবযোগে অসম সাহিত্য সভাৰ উদ্যোগত আগন্তুক ডিচেম্বৰ মাহত উক্ত জনগোষ্ঠীসমূহক সামৰি এক বৃহৎ জনগোষ্ঠীয় সমাৰোহ আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। উক্ত সমাৰোহত জনগোষ্ঠীসমূহৰ লোককলা, লোকসংগীত, লোকনৃত্য, লোকাচাৰ আৰু পৰম্পৰাগত সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হ'ব। সভাত এক প্ৰস্তাৱ যোগে গৰিয়া, মৰিয়া, দেশী, জলহা (চাহ জনগোষ্ঠী) আৰু চৈয়দ জনগোষ্ঠীৰ মেধাৱী অথচ আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ জলপানি, পাঠ্য সমলেৰে শিক্ষাৰ্থীক সহায় আৰু নামভৰ্তিৰ ক্ষেত্ৰত বিনামূলীয়া অথবা বিশেষ ৰেহাইৰ ব্যৱস্থা কৰিবলৈ অসম চৰকাৰক অসম সাহিত্য সভাই আহ্বান জনায়। ইয়াৰ জৰিয়তে জনগোষ্ঠীসমূহৰ শৈক্ষিক আৰু বৌদ্ধিক বিকাশ ত্বৰান্বিত কৰি এখন সুস্থ, শিক্ষিত আৰু সমন্বিত সমাজ গঢ়ি তোলাৰ পথ প্ৰশস্ত হ'ব। সভাত উক্ত জনগোষ্ঠীসমূহৰ ভাষিক স্বকীয়তা সংৰক্ষণৰ স্বাৰ্থত আগন্তুক লোকপিয়লত প্ৰতিগৰাকী ব্যক্তিয়ে নিজৰ প্ৰকৃত মাতৃভাষা 'অসমীয়া' বুলি লিপিবদ্ধ কৰিবলৈ অসম সাহিত্য সভাৰ জৰিয়তে জনগোষ্ঠীসমূহৰ মাজত সজাগতা সৃষ্টি আৰু আহ্বান জনোৱাৰ বাবে অসম সাহিত্য সভাই উদ্যোগ গ্ৰহণ কৰিব। সভাই জনগোষ্ঠীয় ইতিহাস আৰু ঐতিহ্য সংৰক্ষণৰ নিমিত্তে উক্ত জনগোষ্ঠীসমূহৰ ইতিহাস, লোকসাহিত্য, লোকসংস্কৃতি, পৰম্পৰা আৰু সামাজিক অৱদানৰ নথিভুক্তকৰণ আৰু সংৰক্ষণৰ ক্ষেত্ৰত অসম সাহিত্য সভাই বিশেষ উদ্যোগ গ্ৰহণ কৰিব আৰু এই মহৎ কামত অসম চৰকাৰৰ সক্ৰিয় সহযোগিতা সভাই কামনা কৰে। চৈয়দ মাৰুফ হুচেইন আৰু ৰিতু গগৈয়ে আঁত ধৰা আজিৰ সভাত ভিন্ন জনগোষ্ঠীসমূহে নিৰ্বাচন কৰি দিয়া প্ৰায় ৬০ গৰাকী শিল্পী, সাহিত্যিক, সমাজসেৱকক অসম সাহিত্য সভাই স্নেহ-পত্ৰ প্ৰদান কৰে। উক্ত অনুষ্ঠানত চৈয়দা নাবিহা ৰহমানে বৰগীত, ফাৰিহা আহমেদে জিকিৰ, চৈয়দ তজদুপ ইউচুফে জিকিৰ, ফাইজুৰ ৰহমানে লোকগীত, আজিমুদ্দিন আহমেদে চেৰাঢেক, জে এইছ ফ্ৰিদালিমে আধুনিক গীত, গুৱাহাটীৰ বিভিন্ন স্থানৰ শিল্পীসকলে থিয় নাম পৰিৱেশন কৰে।



## দেৰগাঁৱত ড্ৰাগছ বিৰোধী সজাগতামূলক বাটৰ নাট প্ৰদৰ্শন



**অসম বাৰ্তা, দেৰগাঁও, ৮ ছেপ্টেম্বৰ ঃ** ড্ৰাগছৰ বিৰুদ্ধে সজাগতা সৃষ্টি আৰু নৱপ্ৰজন্মক ড্ৰাগছৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনোৱাৰ উদ্দেশ্যে সোমবাৰে দেৰগাঁৱত অনুষ্ঠিত হয় এক সজাগতামূলক বাটৰ নাট প্ৰদৰ্শন। ইউনিভাৰ্ছেল ষ্টাৰ অৰ্গেনাইজেচনৰ উদ্যোগত দেৰগাঁও চাৰিআলি আৰু দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ সন্মুখত ড্ৰাগছ বিৰোধী বাটৰ নাট প্ৰদৰ্শন কৰা হয়। জনসমাগমৰ মাজত পৰিৱেশন কৰা এই বাটৰ নাটৰ জৰিয়তে ড্ৰাগছ সেৱনৰ ভয়াৱহতা আৰু ইয়াৰ ফলত ব্যক্তি, পৰিয়াল তথা সমাজত পৰা নেতিবাচক প্ৰভাৱৰ বিষয়ে সজাগ কৰা হয়। এই সজাগতামূলক কাৰ্যসূচীত ইউনিভাৰ্ছেল ষ্টাৰ অৰ্গেনাইজেচনৰ উদ্যোগত দেৰগাঁৱৰ অজিত শৰ্মা নাট্য বিদ্যালয়ৰ শিল্পীসকলে বাটৰ নাট পৰিৱেশন কৰে। নাটখনৰ জৰিয়তে বিশেষকৈ নৱপ্ৰজন্মক ড্ৰাগছৰ পৰা আঁতৰি থাকি এখন সুস্থ আৰু সুন্দৰ সমাজ গঢ়াত সহযোগ কৰিবলৈ আহ্বান জনোৱা হয়। উল্লেখযোগ্য যে দেৰগাঁও অঞ্চলত বিগত কেইবছৰ ধৰি বিভিন্ন সামাজিক বিষয়ক লৈ এনেধৰণৰ বাটৰ নাটে জনসচেতনতা সৃষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ইউনিভাৰ্ছেল ষ্টাৰ অৰ্গেনাইজেচনৰ হৈ ইউনিভাৰ্চেল ষ্টাৰ অৰ্গেনাইজেচনৰ হৈ সভানেত্ৰী অনন্যা ফুকন, উপ-সভাপতি ময়ূৰ দীপ ফুকন, সম্পাদিকা পল্লৱী নেওগ বৰুৱা, কোষাধ্যক্ষ: জলি বৰকটকী, সমন্বয়ক পাৰিশ মিতা বৰা, কাৰ্যকৰী সদস্য: ৰাজশ্ৰী আৰু গ্ৰুপ মেনেজাৰ ঃ শান্তনু কলিতাকে ধৰি সংশ্লিষ্টসকলে আগন্তুক দিনতো ড্ৰাগছ বিৰোধী তথা বিভিন্ন সামাজিক বিষয়ত এনেধৰণৰ সজাগতামূলক কাৰ্যসূচী অব্যাহত ৰখাৰ কথা সংবাদ মাধ্যমক অৱগত কৰে।

### ৭০ উৰ্দ্ধৰ ৩৫ গৰাকী জ্যেষ্ঠ অৱসৰী শিক্ষকক বাসগৃহতে সম্বৰ্ধনা

# শিক্ষকৰ দুৱাৰডলিলৈ গৈ কৃতজ্ঞতা জ্ঞাপন; শিক্ষক দিৱসত SWAৰ ব্যতিক্ৰমী পদক্ষেপ

**অসম বাৰ্তা, কুমুল্লীপাৰা, ৮ ছেপ্টেম্বৰ ঃ** শিক্ষক দিৱস উপলক্ষে বৰপেটা জিলাৰ হাউলী থানাৰ অন্তৰ্গত খন্দকাৰ পাৰাস্থিত স্বেচ্ছাসেৱী অনুষ্ঠান ছ'চিয়েল ওৱেলফেয়াৰ এছ'চিয়েছন (SWA)-এ গ্ৰহণ কৰে এক ব্যতিক্ৰমী আৰু মানৱীয় পদক্ষেপ। ৰাজহুৱা অনুষ্ঠানলৈ জ্যেষ্ঠ শিক্ষকসকলক আমন্ত্ৰণ জনোৱাৰ পৰিৱৰ্তে অনুষ্ঠানটোৰ সদস্যসকলে তেখেতসকলৰ নিজ নিজ বাসগৃহলৈ গৈ সন্মান আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। এই বিশেষ কাৰ্যসূচীৰ জৰিয়তে ৭০ বছৰৰ উৰ্দ্ধৰ মুঠ ৩৫ গৰাকী জ্যেষ্ঠ অৱসৰী শিক্ষকক তেখেতসকলৰ বাসগৃহতে আন্তৰিকভাৱে সম্বৰ্ধনা জনোৱা হয়। স্বাস্থ্যজনিত আৰু বাৰ্ধক্যজনিত বিভিন্ন অসুবিধাৰ বাবে বহু জ্যেষ্ঠ শিক্ষকে ৰাজহুৱা অনুষ্ঠানত উপস্থিত থাকিব নোৱাৰাৰ কথা বিবেচনা কৰিয়েই SWA-ই 'শিক্ষকৰ ওচৰলৈ সমাজ' শীৰ্ষক মানৱীয় চিন্তাৰে এই ব্যতিক্ৰমী কাৰ্যসূচী গ্ৰহণ কৰে। কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয় বৃহত্তৰ খন্দকাৰপাৰা গাঁৱৰ জ্যেষ্ঠতম অৱসৰী শিক্ষক আব্দুল কদ্দুছ খানক বাসগৃহতে সম্বৰ্ধনা জনাই। SWAৰ সদস্যসকলে তেখেতৰ বাসগৃহত উপস্থিত হৈ এখন সম্বৰ্ধনা-পত্ৰ, ফুলাম গামোচা, জাপি, কলম আৰু এজোপা গছৰ পুলি আগবঢ়াই সন্মান জ্ঞাপন কৰে। সম্বৰ্ধনাৰ প্ৰতিটো সামগ্ৰীৰ মাজতো নিহিত আছিল একো একোটা গভীৰ তাৎপৰ্য। সম্বৰ্ধনা-পত্ৰখনে শিক্ষকসকলৰ জীৱনজোৰা অৱদানৰ আনুষ্ঠানিক স্বীকৃতি আৰু কৃতজ্ঞতাৰ লিখিত প্ৰকাশ বহন কৰাৰ বিপৰীতে ফুলাম গামোচা আৰু জাপিয়ে অসমীয়া সমাজৰ পৰম্পৰাগত সন্মান, মৰম আৰু শ্ৰদ্ধাৰ প্ৰতীক হিচাপে স্থান লাভ কৰে। আনহাতে, শিক্ষকসকলে এদিন শিক্ষাৰ্থীৰ হাতত তুলি দিয়া কলম টোক কৃতজ্ঞতাৰ প্ৰতীক হিচাপে আগবঢ়োৱা হয়। এজোপা গছৰ পুলিৰ মাজতো কাৰ্যসূচীটোৰ এক তাৎপৰ্যপূৰ্ণ বাৰ্তা নিহিত আছিল। এটি সৰু পুলি যেনেকৈ সময়ৰ সোঁতত এদিন মহীৰুহলৈ পৰিণত হৈ অসংখ্যজনক ছাঁ, আশ্ৰয় আৰু শান্তি প্ৰদান কৰে, ঠিক তেনেদৰেই শিক্ষাগুৰুসকলে শিক্ষাৰ্থীৰ কোমল মনত জ্ঞানৰ বীজ ৰোপণ কৰি শিক্ষা, মূল্যবোধ আৰু অনুশাসনৰ সাৰ-পানীৰে তেওঁলোকক জীৱনৰ বাবে প্ৰস্তুত কৰে। সেই শিক্ষাৰ ফলতেই বহু শিক্ষাৰ্থীয়ে পৰৱৰ্তী সময়ত সমাজৰ বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠা লাভ কৰি দেশ আৰু সমাজৰ সেৱাত ব্ৰতী হৈছে। SWAৰ উদ্যোগত অনুষ্ঠিত এই সম্বৰ্ধনা কেৱল শিক্ষকসকলৰ শিক্ষকতা জীৱনৰ শৈক্ষিক অৱদানৰ স্বীকৃতিৰ মাজতে সীমাবদ্ধ নাছিল। অৱসৰ গ্ৰহণ কৰাৰ পাছতো সমাজৰ কল্যাণৰ বাবে তেখেতসকলে আগবঢ়াই অহা বিভিন্ন সেৱামূলক কাম-কাজৰ প্ৰতিও অনুষ্ঠানটোৱে কৃতজ্ঞতা জ্ঞাপন কৰে। SWAৰ মতে, শিক্ষকসকলৰ অক্লান্ত পৰিশ্ৰম, ত্যাগ আৰু নিঃস্বাৰ্থ সেৱাৰ ঋণ কোনো প্ৰতিদানৰ জৰিয়তে সম্পূৰ্ণৰূপে পৰিশোধ কৰা সম্ভৱ নহয়। তথাপি আন্তৰিক শ্ৰদ্ধা, কৃতজ্ঞতা আৰু সন্মানেৰে তেখেতসকলৰ প্ৰতি মূৰ দোঁৱাই সমাজে সেই ঋণৰ কিছু অংশ পৰিশোধ কৰিব পাৰে। অনুষ্ঠানটোৰ উদ্যোক্তাসকলে কয় যে এই পদক্ষেপৰ উদ্দেশ্য কেৱল অতীতৰ শিক্ষকসকলৰ কৃতিত্ব সোঁৱৰণ কৰা নহয়; বৰং জ্যেষ্ঠ শিক্ষাগুৰুসকলক এই বাৰ্তা দিয়া তেখেতসকলৰ অৱদান সমাজে পাহৰা নাই আৰু কেতিয়াও পাহৰিব নোৱাৰে। তেখেতসকলে বিলোৱা জ্ঞানৰ পোহৰত আলোকিত হৈ বহু প্ৰজন্মই জীৱনত সফলতা লাভ কৰিছে। সেই সফলতাৰ আঁৰত থকা শিক্ষাগুৰুসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰাটো সমাজৰ এক নৈতিক দায়িত্ব। 'গুৰুৰ ঋণ কেতিয়াও পৰিশোধ কৰিব নোৱাৰি; কিন্তু কৃতজ্ঞতাৰে মূৰ দোঁৱাই তেওঁলোকক সন্মান জনাব পাৰি'— এই উপলব্ধিক সাৰোগত কৰি SWA-ই গ্ৰহণ কৰা এই পদক্ষেপে শিক্ষক দিৱস উদযাপনক এক নতুন অৰ্থ প্ৰদান কৰাৰ লগতে সমাজৰ বাবে এক মানৱীয়, ইতিবাচক আৰু অনুকৰণীয় দৃষ্টান্ত দাঙি ধৰিছে।

# ডিব্ৰুগড়ৰ মনোৰঞ্জন হাজৰিকালৈ 'বৰ্ষশ্ৰেষ্ঠ শাৰীৰিক নিৰ্দেশক' বঁটা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৮ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয়ৰ শাৰীৰিক নিৰ্দেশক মনোৰঞ্জন হাজৰিকাক ২০২৫-২০২৬ বৰ্ষৰ 'বৰ্ষশ্ৰেষ্ঠ শাৰীৰিক নিৰ্দেশক' হিচাপে গুৱাহাটীৰ সৰুসজাইস্থিত অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আনুষ্ঠানিকভাৱে বঁটা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে, এই সন্মান লাভ কৰা মনোৰঞ্জন হাজৰিকা ডিব্ৰুগড় জিলাৰ প্ৰথম গৰাকী শাৰীৰিক নিৰ্দেশক। তেওঁৰ এই সাফল্যই সমগ্ৰ ডিব্ৰুগড় জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে। তেওঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগত শাৰীৰিক শিক্ষা প্ৰদান কৰা প্ৰথমজন ব্যক্তি, লগতে বৃহত্তৰ লাহোৱাল অঞ্চলৰ প্ৰথমজন শাৰীৰিক নিৰ্দেশক আৰু এন চি চি বিষয়া হিচাপেও পৰিচিত। ডিব্ৰুগড় জিলাৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত হৈ তেওঁ বহু বিদ্যালয় আৰু মহাবিদ্যালয়ত শাৰীৰিক শিক্ষা প্ৰদান কৰি আহিছে। ইয়াৰ উপৰিও তেওঁ ডিব্ৰুগড় জিলাৰ প্ৰথমজন ৰাষ্ট্ৰীয় পৰ্যায়ৰ খো-খো ৰেফাৰী। ২০০৫ চনত গঠিত ডিব্ৰুগড় জিলা খো-খো সন্থাৰ সৈতে নিবিড়ভাৱে জড়িত হৈ বহু ছাত্ৰ-ছাত্ৰীক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ আগবঢ়াই নিয়াত উল্লেখযোগ্য ভূমিকা পালন কৰিছে। তেখেতে চৰকাৰী চাকৰিত যোগদান কৰাৰ কেইমাহমান পূৰ্বে, ১৯৯৫ চনৰ ২৬ জানুৱাৰীৰ পেৰেডত ডিব্ৰুগড় বিবেকানন্দ কেন্দ্ৰীয় বিদ্যালয়ৰ দলক প্ৰতিনিধিত্ব কৰি প্ৰথম স্থান দখল কৰোৱাই তেওঁ কৰ্মজীৱনৰ প্ৰথম উল্লেখযোগ্য সফলতা অৰ্জন কৰিছিল। সেই সফলতাৰ ধাৰা আজিও একেই নিষ্ঠা, কষ্ট আৰু ত্যাগেৰে অব্যাহত ৰাখিছে।

### ভুক্তভোগী পৰিয়াল, স্থানীয় সচেতন নাগৰকিৰ দাবী প্ৰশাসন কঠোৰ হওক ঃ শৰৎ শেনচোৱা

# মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ড্ৰাগছ মুক্ত অসম অভিযানক ভেঁঙুচালি

## চেপনত গাঞ্জা, ড্ৰাগছ আৰু জুৱা-খেলৰ মুকলি আড্ডা; দিন-দুপৰতে যুৱতী, ছাত্ৰীলৈ অসৎ ইংগিত

**অসম বাৰ্তা, চেপন, ৮ ছেপ্টেম্বৰ ঃ** যি সময়ত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমক এখন ড্ৰাগছ মুক্ত ৰাজ্য হিচাপে গঢ়ি তোলাৰ স্বাৰ্থত সমগ্ৰ ৰাজ্যজুৰি নিতৌ অসম আৰক্ষীৰ দ্বাৰা কঠোৰ অভিযান অব্যাহত ৰাখিছে, তেনে সময়ত উজনি অসমৰ চৰাইদেউ, ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাৰ সীমান্তৱৰ্তী ক্ষুদ্ৰ বাণিজ্যিক চহৰ চেপন আৰু ইয়াৰ সমীপৱৰ্তী অঞ্চলসমূহত এচাম ফুলকুমলীয়া ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱক যুৱতীয়ে মদ, গাঞ্জা, ড্ৰাগছ আদি কেতবোৰ মাৰাত্মক নিচাযুক্ত দ্ৰব্য সেৱন কৰি নিজৰ জীৱনলৈ অন্ধকাৰ নমাই অনাৰ লগতে স্থানীয় বৃহৎ অঞ্চলটোৰ সামাজিক পৰিৱেশ অস্থিৰ কৰি তুলিছে। উল্লেখ্য যে সীমান্তৱৰ্তী এলেকা আৰু উল্লিখিত তিনিওখন জিলাৰ আৰক্ষী আৰু আবকাৰী প্ৰশাসনৰ নিৰ্লপ্ততাৰ সুযোগ লৈ বৃহত্তৰ চেপন আৰু ইয়াৰ সমীপৱৰ্তী ৰূকাং, লাইপ্লেং, পাটসাঁকো, ডবা, টিফুক, ২ নং হলগুৰি, ডোমৰ দলং, গড়পাৰা, মৌড়ুমুনী আদি অঞ্চলৰ বহুসংখ্যক কম বয়সীয়া ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতী নিচাযুক্ত দ্ৰব্যৰ কবলত পৰি বিপথগামী হৈছে। এইসকল ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতীয়ে জনচক্ষুৰ আঁৰত থাকি বিশেকৈ শ্মশান থলী, পৰিত্যক্ত বিদ্যালয় গৃহ, ৰাজহুৱা প্ৰেক্ষাগৃহ, নিৰ্জন আৰু হাবিতলীয়া ঠাই নিৰ্বাচন কৰি এইবোৰত মদ, ভাং, ড্ৰাগছ আদিৰ আড্ডা পাতি আহিছে। আমাৰ হাতলৈ অহা খবৰ অনুসৰি কেৱল চেপন অঞ্চলৰে কেবাখনো ৰাজহুৱা শ্মশানথলী, চেপন-টিফুক-ডবা গড়কাপ্তানি পথ, চেপন-টিফুক (চেপন আৰক্ষী চকীৰ সমীপৰ) গড়কাপ্তানি পথ, চেপন- চূণপোৰা আৰু চেপন-চাফ্ৰাই গড়কাপ্তানি পথৰ কাষৰ কেবাটাও নিৰ্জন তথা হাবিতলীয়া স্থানত নিতৌ মদ, ভাং, ড্ৰাগছ, জুৱা আদিৰ আড্ডা চলে। বিয়লি আৰু সন্ধিয়াৰ বেলাত বিভিন্ন ঠাইৰ পৰা দুচকীয়া, চাৰিচকীয়া বাহনত অহা বহু চিনাকি অচিনাকি যুৱক-যুৱতীয়ে এই আড্ডাবোৰত ভাগ লৈ অঞ্চলটোৰ সামাজিক পৰিৱেশ কলুষিত কৰি আহিছে। জানিব পৰা মতে আৰক্ষীৰ জ্ঞাতসাৰেই চলি থকা এই নিষিদ্ধ আড্ডাত ভাগ লোৱা কেবাজনো উঠি অহা ছাত্ৰ তথা যুৱকৰ পৰিয়ালে ইতিমধ্যে ধন-জন হেৰুৱাই সৰ্বস্বান্ত হৈছে। তাতোতকৈ ভয়ংকৰ কথাটো হৈছে ইয়াৰে আন একাংশ উদণ্ড স্বভাৱৰ যুৱকে বিভিন্ন সময়ত কাজিয়া পেচালত লিপ্ত হোৱাৰ উপৰিও ৰাজপথৰ নিৰ্জন স্থানত বৈ কাষেদি পাৰ হোৱা স্কুলীয়া, কলেজীয়া ছাত্ৰীক মুকলিকৈ বিবাহৰ প্ৰস্তাৱ, অসৎ ইংগিত দিবলৈও কুণ্ঠাবোধ কৰা নাই। নাম প্ৰকাশত অনিচ্ছুক চৰাইদেউ জিলাৰ আৰক্ষীৰ এক নিৰ্ভৰযোগ্য সূত্ৰই সদৰী কৰা মতে ঐতিহ্যমণ্ডিত জিলাখনত ড্ৰাগছৰ দৰে মাৰাত্মক বৰবিহ সেৱন কৰা আৰু এইবোৰৰ সৰবৰাহৰ লগত জড়িতসকলক ইতিমধ্যেই চিনাক্ত কৰিছে যদিও অতি ৰহস্যজনক কাৰণত আৰক্ষীয়ে কঠোৰ ব্যৱস্থা গ্ৰহণৰ পৰা বিৰত আছে। ইয়াৰোপৰি এই উচ্ছৃঙ্খল যুৱকসকলৰ সৈতে স্থানীয় আৰক্ষী থানাসমূহত কৰ্মৰত আৰক্ষীৰ একাংশ বিষয়া, কনিষ্টবলৰ লগত ভিতৰুৱা সুম্পৰ্ক থকাৰ ফলস্বৰূপে জিলাখনৰ অন্যান্য প্ৰান্তৰ লগতে বিগত দুই-তিনি বছৰৰ পৰা চেপন আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত অবৈধ মদ, ভাং আৰু নিষিদ্ধ ড্ৰাগছৰ প্ৰচলন ব্যাপক ৰূপত গঢ় লৈ উঠিছে। তদুপৰি আৰক্ষীৰ সূত্ৰটোৱে জানিবলৈ দিয়া মতে চৰাইদেউ জিলাৰ চেপন আৰক্ষী চকীৰ অন্তৰ্গত ৰূকাং-লাইপ্লেং অঞ্চলৰ জনৈক 'ৰাজখোৱা' আৰু 'মহন' উপাধিৰ দুজন ব্যক্তি নিষিদ্ধ ড্ৰাগছ সৰবৰাহৰ লগত জড়িত থকাৰ তথ্য জিলাখনৰ একাংশ আৰক্ষী বিষয়াৰ হাতত আছে। আৰক্ষীয়ে ইচ্ছা কৰিলেই সম্পৰ্কত এক উচ্ছ পৰ্যায়ৰ তদন্তৰ যোগে অঞ্চলটোত ড্ৰাগছ সৰবৰাহৰ লগত জড়িত সমগ্ৰ চক্ৰটোক উৎখাট কৰিব পাৰিব। আনহাতে ইয়াৰ বিপৰীতে চেপন বৰতানী অঞ্চলৰ জনৈক দাস, পেটুৱা, আলি, চেপন বজাৰ এলেকাৰ জনৈক পাল উপৰি ডোমৰ দলং চাহ বাগিচাৰ জুটুলিটিং ডিভিজনৰ জনৈক ভূমিজ উপাধিৰ এগৰাকী বিবাহিত মহিলাসহ এটা বৃহৎ চক্ৰই অবৈধ গাঞ্জা ব্যৱসায়ৰ লগত দীৰ্ঘদিনৰ পৰা জড়িত হৈ আহিছে বুলি আৰক্ষীৰ একেটা সূত্ৰই সদৰী কৰিছে। উল্লেখ্য যে আহোম স্বৰ্গদেউসকলৰ দিনৰে পৰা এক সুকীয়া মৰ্যাদা লাভ কৰি অহা বৃহত্তৰ চেপন আৰু ইয়াৰ সমীপৱৰ্তী অঞ্চলসমূহক বিভিন্ন অসামাজিক কাৰ্যকলাপ বিশেষকৈ গাঞ্জা, ড্ৰাগছ আদিৰ কবলৰ পৰা মুক্ত কৰাৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, নৱনিৰ্বাচিত যুৱ বিধায়ক সূৰুজ দিহিঙীয়া, চক্ৰধৰ গগৈৰ লগতে অসম আৰক্ষীৰ এগৰাকী অতি দক্ষ, বিচক্ষণ বিষয়াৰূপে পৰিচিত চৰাইদেউ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুৰজিৎ সিং পানেচৰক অঞ্চলটোৰ বিভিন্ন জাতীয় দল সংগঠনৰ লগতে স্থানীয় সচেতন নাগৰিকসকলে দাবী জনাইছে।

# শিক্ষক দিৱসত ৰহাত ৯৩ বছৰীয়া অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকক ৰাজ্যপালৰ বিশেষ সন্মান



**অসম বাৰ্তা, ৰহা, ৮ ছেপ্টেম্বৰ ঃ** পবিত্ৰ শিক্ষক দিৱসৰ দিনটোতে ৰহাত এক নজিৰবিহীন আৰু আবেগিক দৃশ্যৰ সাক্ষী হৈ ৰ'ল ৰহাবাসী। ৰহা কপিলী শিক্ষা খণ্ডৰ অন্তৰ্গত গান্ধী বড়ী প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, ৯৩ বছৰ গৰকা কমলেশ্বৰ বৰদলৈ দেৱক অসমৰ মহামহিম ৰাজ্যপাল শ্ৰী লক্ষ্মণ প্ৰসাদ আচাৰ্য দেৱে ৰাজ্যপালৰ তৰফৰ পৰা বিশেষ সম্বৰ্ধনা জনায়। উল্লেখযোগ্য যে, প্ৰতি বছৰে শিক্ষক দিৱস উপলক্ষে অসমৰ ৰাজভৱনৰ তৰফৰ পৰা ৯০ বছৰ উৰ্ধৰ অৱসৰপ্ৰাপ্ত শিক্ষাগুৰুসকলক বিচাৰি উলিয়াই তেওঁলোকক ঘৰে ঘৰে গৈ সন্মান জনোৱাৰ এক মহৎ পদক্ষেপ গ্ৰহণ কৰা হৈছে। ইয়াৰ অংশ হিচাপে এইবাৰ নগাঁও জিলাৰ ৰহাৰ এইগৰাকী শতবৰ্ষ গৰকিবলৈ ওলোৱা শিক্ষাগুৰুক বাছনি কৰা হয়। আজি ৰাজ্যপাল মহোদয়ৰ নিৰ্দেশ মৰ্মে নগাঁও জিলা প্ৰশাসন আৰু শিক্ষা বিভাগৰ এটা যুটীয়া দলে বৰদলৈ দেৱৰ বাসগৃহত উপস্থিত হয়। তেওঁলোকে ৰাজ্যপাল মহোদয়ৰ স্বাক্ষৰিত এখন বিশেষ প্ৰশস্তি পত্ৰ, এখন ফুলাম গামোচা, এখন চেলেং, ফল-মূল আৰু অন্যান্য উপহাৰ সামগ্ৰীৰে ৯৩ বছৰীয়া শিক্ষকগৰাকীক উষ্ম সম্বৰ্ধনা জনায়। বাৰ্ধক্যজনিত কাৰণত শয্যাগত হৈ থকা শিক্ষকগৰাকীয়ে ৰাজ্যপাল মহোদয়ৰ এইমৰম আৰু সন্মান লাভ কৰি আবেগিক হৈ পৰে আৰু ৰাজ্যপাল মহোদয়ক আশীৰ্বাদ দিয়ে। তেখেতৰ পৰিয়ালৰ লোকসকলেও ৰাজ্যপাল আৰু জিলা প্ৰশাসনক ধন্যবাদ জনায়। জানিব পৰা মতে, কমলেশ্বৰ বৰদলৈ দেৱে শিক্ষকতাৰ জীৱনত কেইবা দশক ধৰি গান্ধী বড়ী অঞ্চলৰ শ শ ছাত্ৰ-ছাত্ৰীক শিক্ষাৰ পোহৰ বিলাইছিল। তেওঁৰ বহু ছাত্ৰই আজি সমাজৰ বিভিন্ন উচ্চ পদত অধিষ্ঠিত হৈ আছে। অতি নিষ্ঠা আৰু সততাৰে তেওঁ শিক্ষকতা কৰি অৱসৰ গ্ৰহণ কৰিছিল। এই চমু অথচ গাম্ভীৰ্যপূৰ্ণ সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকে নগাঁও জিলা প্ৰাথমিক শিক্ষা বিষয়া তথা বিদ্যালয়সমূহৰ পৰিদৰ্শক বিভূতি চৰণ বৰুৱা, ৰহা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া বিশ্বজিৎ দত্ত, কপিলী খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক, ৰহা আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সম্পাদক তথা কটহগুৰি নেহৰু প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক লক্ষ্মী প্ৰসাদ ডেকা, নগাঁও জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি সঞ্জয় কুমাৰ কাকতি, জ্যেষ্ঠ সাংবাদিক ইন্দ্ৰ নাথকে প্ৰমুখ্য কৰি বহু গণ্য-মান্য ব্যক্তি, স্থানীয় ৰাইজ আৰু পৰিয়ালৰ লোক। সমাজ তথা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ হকে আগবঢ়োৱা সুদীৰ্ঘ আৰু বলিষ্ঠ সেৱাৰ বাবে অৱসৰৰ পাছতো জীৱনৰ শেষ বয়সত এগৰাকী শিক্ষাগুৰুক এনেদৰে ৰাজ্যপালে সন্মান জনোৱা কাৰ্যই সমগ্ৰ ৰহা অঞ্চলত এক ইতিবাচক বাৰ্তা কঢ়িয়াইছে আৰু সকলোকে আপ্লুত কৰিছে।

# ভকতগাঁও মণিপুৰটুপ উচন আলী জাতীয় বিদ্যালয়ত উলহ-মালহেৰে শিক্ষক দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ৰহা, ৮ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ ভকতগাঁও মণিপুৰটুপত অৱস্থিত উচন আলী জাতীয় বিদ্যালয়ত পবিত্ৰ শিক্ষক দিৱস অতি উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলৰ উদ্যোগত আৰু সকলো শ্ৰেণীৰ সহযোগত আয়োজিত এই অনুষ্ঠানৰ আৰম্ভণিতে ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি, দাৰ্শনিক তথা মহান শিক্ষাবিদ ড° সৰ্বপল্লী ৰাধাকৃষ্ণণদেৱৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি বন্তি প্ৰজ্বলন কৰা হয়। বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নুৰুল আমিন ডাঙৰীয়াই। ইয়াৰ পিছত প্ৰয়াত উচন আলী ডাঙৰীয়া প্ৰতি শ্ৰদ্ধা জনাই এক মিনিট মৌন প্ৰাৰ্থনা কৰা হয়। শিক্ষক দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা মুকলি সভাত সভাপতিত্ব কৰে পৰিচালনা সমিতিৰ সভাপতি নুৰুল আমিনে। সভাত বিদ্যালয়ৰ সম্পাদক আজিজুল হক, অধ্যক্ষ ইকবাদুল ইছলাম, উপাধ্যক্ষ প্ৰবীণ চন্দ্ৰ নাথৰ লগতে বহু আমন্ত্ৰিত অতিথি উপস্থিত থাকে। সভাত অতিথি সকলে শিক্ষক দিৱসৰ তাৎপৰ্যৰ ওপৰত সাৰুৱা বক্তব্য প্ৰদান কৰে। তেওঁলোকে কয় যে, শিক্ষক হৈছে সমাজৰ পথ প্ৰদৰ্শক। শিক্ষকৰ ত্যাগ আৰু আদৰ্শৰ অবিহনে এজন ছাত্ৰই কেতিয়াও সু-নাগৰিক হ'ব নোৱাৰে। ছাত্ৰ-ছাত্ৰী সকলক তেওঁলোকে পিতৃ-মাতৃ আৰু শিক্ষাগুৰুক সন্মান কৰি অধ্যয়নত মনোনিবেশ কৰিবলৈ আহ্বান জনায়। আনুষ্ঠানিক সভাৰ পিছতে দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলে একেলগে কেক কাটি শিক্ষক দিৱসৰ আনন্দ উপভোগ কৰে। ইয়াৰ পিছত দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলে বিদ্যালয়ৰ প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰীক একোটি উপহাৰ আৰু কলমেৰে সম্বৰ্ধনা জনায়। শিক্ষক সকলৰ প্ৰতি থকা মৰম আৰু শ্ৰদ্ধা দেখি সকলো আবেগিক হৈ পৰে। দিনৰ দ্বিতীয়াৰ্ধত বিদ্যালয়ৰ সহকাৰী শিক্ষক নৱজ্যোতি ভূঞা ডাঙৰীয়াই আঁত ধৰা এক বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী সকলে শিক্ষাগুৰুৰ ওপৰত ভাষণ, সমবেত সংগীত, একক সংগীত আৰু মনোমোহা নৃত্য পৰিবেশন কৰি উপস্থিত অভিভাৱক আৰু দৰ্শকৰ মন মুগ্ধ কৰে। শেষত জাতীয় সংগীতৰে অনুষ্ঠানটিৰ সফল সামৰণি পৰে।

## সম্পাদকীয়

# মানচিত্ৰৰ ৰাজনীতি আৰু ভাৰতৰ দৃঢ় সাৰ্বভৌমত্ব

শেহতীয়াকৈ ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদত 'ইকুৱেল আৰ্থ মেপ' বা সম এলেকাৰ বিশ্ব মানচিত্ৰ সংক্ৰান্তিয় প্ৰস্তাৱত ভাৰতে গ্ৰহণ কৰা স্থিতি কেৱল ভৌগোলিক সিদ্ধান্ততে আৱদ্ধ হৈ থকা নাই, ই হৈ পৰিছে দেশৰ ভূখণ্ডগত অখণ্ডতা আৰু আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ এক গুৰুত্বপূৰ্ণ দলিল। টগোৰ পৃষ্ঠপোষকতাত আৰু আফ্ৰিকান ইউনিয়নৰ সমৰ্থনত ১৬৪খন দেশৰ সন্মতিত গৃহীত এই প্ৰস্তাৱে বিশ্বৰ মানচিত্ৰত বিভিন্ন মহাদেশৰ প্ৰকৃত আকাৰ আৰু ভাৰসাম্য ৰক্ষাৰ লক্ষ্য ৰাখিছে। কাৰিকৰী দিশৰ পৰা সম এলেকাৰ এই প্ৰস্তাৱক সমৰ্থন জনাই যদিও নতুন দিল্লীয়ে ৰাষ্ট্ৰসংঘত যি স্পষ্ট বাৰ্তা দিলে, সেয়া হ'ল—'ভাৰতৰ ভৌগোলিক সীমা কেৱল ইয়াৰ চৰকাৰী মানচিত্ৰ অনুসৰিহে চিহ্নিত হ'ব লাগিব।'

শতিকা শতিকা ধৰি ব্যৱহৃত হৈ অহা 'মেৰ্কেটৰ প্ৰজেকচন' (Mercator projection) মানচিত্ৰত বিষুৱৰেখাৰ পৰা আঁতৰত থকা অঞ্চলবোৰক প্ৰকৃত আকাৰতকৈ যথেষ্ট ডাঙৰকৈ দেখুওৱা হৈছিল। উদাহৰণস্বৰূপে, মেৰ্কেটৰ মানচিত্ৰত গ্ৰীণলেণ্ড আৰু আফ্ৰিকাক সমান যেন লাগে, যদিও বাস্তৱত আফ্ৰিকা গ্ৰীণলেণ্ডতকৈ প্ৰায় ১৪ গুণ ডাঙৰ। একেদৰে আলাস্কাক ব্ৰাজিলৰ সমান যেন দেখিলেও ব্ৰাজিল প্ৰকৃততে আলাস্কাতকৈ ৫ গুণ ডাঙৰ। এই ভৌগোলিক বৈষম্য দূৰ কৰি বিশেষকৈ আফ্ৰিকা আৰু দক্ষিণ গোলাৰ্ধৰ দেশসমূহৰ উচিত প্ৰতিনিধিত্ব সুনিশ্চিত কৰাৰ বাবেই এই নতুন প্ৰস্তাৱ অনা হৈছিল। ভাৰতে বিজ্ঞানসন্মত এই প্ৰচেষ্টাক সমৰ্থন কৰি কাৰিকৰী সত্যতাক আদৰণি জনাইছে।

প্ৰস্তাৱৰ সপক্ষে ভোটদান কৰিলেও বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে সংবাদ মাধ্যমৰ আগত যি বক্তব্য দাঙি ধৰিলে, সেয়া অত্যন্ত কৌশলপূৰ্ণ আৰু প্ৰয়োজনীয় আছিল। ভাৰতে স্পষ্ট কৰি দিলে যে এই প্ৰস্তাৱে কেৱল গাণিতিক বা ভৌগোলিক আকাৰৰ দিশটোহে সামৰি লৈছে; ই কোনো নিৰ্দিষ্ট ৰাজনৈতিক সীমা বা বিবাদিত ভূখণ্ডৰ অস্তিত্ব স্বীকাৰ বা প্ৰমাণীকৰণ নকৰে। জম্মু-কাশ্মীৰ আৰু লাডাখ ভাৰতৰ অবিচ্ছেদ্য অঙ্গ আৰু কোনো আন্তঃৰাষ্ট্ৰীয় মঞ্চত বা মানচিত্ৰত এই অঞ্চলসমূহক বিবাদিত বা অন্য ধৰণে প্ৰদৰ্শন কৰাটো ভাৰতে কেতিয়াও গ্ৰহণ নকৰে। ভাৰতৰ চৰকাৰী মানচিত্ৰত যি সীমা নিৰ্ধাৰণ কৰা হৈছে, সেয়াই হ'ব চূড়ান্ত আৰু ইয়াৰ ওপৰত কোনো ধৰণৰ আলোচনাৰ অৱকাশ নাই।

ৰাষ্ট্ৰসংঘৰ এই ঘটনাৱলী আৰু ভাৰতৰ দৃঢ় স্থিতিৰ পাছত প্ৰত্যেকগৰাকী সাধাৰণ নাগৰিকৰে মনত কিছু স্বাভাৱিক প্ৰশ্নৰ উদয় হোৱাটো স্বাভাৱিক। মানচিত্ৰ সলনি হ'লেই কি বৈশ্বিক ৰাজনীতিত কোনো ডাঙৰ প্ৰভাৱ পৰিব নেকি? সাধাৰণ দৃষ্টিত ই কেৱল এটা মেপ প্ৰজেকচন যেন লাগিব পাৰে, কিন্তু গোলকীয় ৰাজনীতিত মানচিত্ৰই এক মানসিক আৰু দৃশ্যগত প্ৰভাৱ পেলায়। বিশ্ব সংস্থাবোৰত কাৰ সীমা কেনেকৈ দেখুওৱা হয়, তাৰ ওপৰত বহু কূটনৈতিক সিদ্ধান্ত নিৰ্ভৰ কৰে। আকৌ প্ৰশ্ন হয় ৰাষ্ট্ৰসংঘই বিশ্ব মানচিত্ৰত জম্মু-কাশ্মীৰ বা লাডাখক ভুলকৈ উপস্থাপন কৰাৰ সম্ভাৱনা আছে নেকি? ইতিপূৰ্বে কেইবাটাও আন্তঃৰাষ্ট্ৰীয় সংস্থাই জম্মু-কাশ্মীৰক পৃথক বা বিবাদিত অঞ্চল হিচাপে দেখুওৱাৰ চেষ্টা কৰিছিল। সেইবাবেই, নতুন মানচিত্ৰ ব্যৱস্থা কাৰ্যকৰী কৰাৰ পূৰ্বে ভাৰতে আগতীয়াকৈ নিজৰ স্থিতি স্পষ্ট কৰি দিলে যাতে কাৰিকৰী সংশোধনৰ সুযোগ লৈ কোনেও কূটনৈতিক খেল খেলিব নোৱাৰে। কিন্তু ভাৰতৰ এই শক্তিশালী স্থিতিয়ে সীমান্ত সুৰক্ষাত কেনে প্ৰভাৱ পেলাব? চুবুৰীয়া দেশৰ সৈতে চলি থকা সীমান্ত বিবাদৰ মাজত ৰাষ্ট্ৰসংঘৰ দৰে বিশ্ব মঞ্চত নিজৰ সাৰ্বভৌমত্বৰ বিষয়ে এইদৰে স্পষ্ট আৰু অনমনীয় ভাষ্য প্ৰদান কৰাটোৱে ভাৰতৰ বৈদেশিক নীতিৰ দৃঢ়তাক প্ৰতিফলিত কৰে।

বিজ্ঞান আৰু ভৌগোলিক সঠিকতাক সমৰ্থন কৰাৰ সমান্তৰালকৈ ৰাষ্ট্ৰীয় স্বাৰ্থ আৰু সাৰ্বভৌমত্বক প্ৰথম স্থান দিয়াটোৱে ভাৰতৰ পূৰ্ণাঙ্গ কূটনৈতিক পৰিপক্কতাৰ প্ৰমাণ। বিশ্ব মানচিত্ৰৰ সমতাপূৰ্ণ প্ৰতিনিধিত্বক আদৰণি জনালেও সীমান্তৰ প্ৰতিটো ইঞ্চি মাটিৰ সুৰক্ষা আৰু সত্যতা ৰক্ষা কৰাত যে কোনো আপোচ কৰা নহ'ব, ৰাষ্ট্ৰসংঘত এই কথা পুনৰবাৰ উদঘোষিত হ'ল।

# উচ্চ শিক্ষাত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োজনীয়তা আৰু প্ৰত্যাহ্বান



*উচ্চ শিক্ষাৰ অন্যতম মূল স্তম্ভ হৈছে গৱেষণা। গৱেষকসকলে প্ৰতিদিনে বৃহৎ পৰিমাণৰ তথ্য, গৱেষণা-পত্ৰ আৰু পৰিসংখ্যাগত উপাত্তৰ সৈতে কাম কৰিবলগীয়া হয়। AI-ভিত্তিক সঁজুলিয়ে বৃহৎ তথ্যসমষ্টি বিশ্লেষণ, তথ্যৰ মাজত আৰ্হি বিচাৰি উলিওৱা, সাহিত্য পৰ্যালোচনাত সহায় কৰা আৰু গৱেষণাৰ সম্ভাব্য দিশ চিনাক্ত কৰাত সহায় কৰিব পাৰে। অসমৰ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহত পৰিৱেশ, বানপানী, কৃষি, জনস্বাস্থ্য, জৈৱ-বৈচিত্ৰ্য, ভাষা, অৰ্থনীতি আৰু সামাজিক পৰিৱৰ্তন আদি বিষয়ত বহু গৱেষণাৰ সুযোগ আছে। AI আৰু তথ্য-বিশ্লেষণৰ সঠিক ব্যৱহাৰে এই ক্ষেত্ৰসমূহত অধিক তথ্য-ভিত্তিক গৱেষণা সম্ভৱ কৰি তুলিব পাৰে। উদাহৰণস্বৰূপে, অসমৰ বানপানীৰ তথ্য, বৰষুণৰ পৰিমাণ, নদীৰ জলস্তৰ আৰু ভূমিৰ পৰিৱৰ্তনৰ তথ্য বিশ্লেষণ কৰি বানপানীৰ সম্ভাব্য প্ৰভাৱৰ বিষয়ে অধিক বৈজ্ঞানিক ধাৰণা লাভ কৰিব পৰা যায়। একেদৰে কৃষিক্ষেত্ৰত মাটিৰ গুণাগুণ, বতৰৰ তথ্য আৰু শস্যৰ উৎপাদনৰ তথ্য বিশ্লেষণ কৰি কৃষকৰ বাবে অধিক ফলপ্ৰসূ পৰামৰ্শ প্ৰস্তুত কৰাৰ সম্ভাৱনাও আছে।*

**ড° নয়ন মণি মজুমদাৰ**

কৃত্ৰিম বুদ্ধিমত্তা (AI) হৈছে এনে এক প্ৰযুক্তি, যিয়ে যন্ত্ৰক মানুহৰ দৰে চিন্তা কৰা, শিক্ষা গ্ৰহণ কৰা, সমস্যা সমাধান কৰা আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা প্ৰদান কৰে। যিয়ে মানুহৰ জীৱন তুলনামূলকভাৱে সহজ কৰি তুলিছে। কিন্তু আমাৰ সঠিক ব্যৱহাৰে ইয়াক আৰু অধিক ফলপ্ৰসূ কৰি তুলিব পাৰে। বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ উন্নত শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত।

একবিংশ শতিকাৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ দ্ৰুত পৰিৱৰ্তনে শিক্ষা ব্যৱস্থাকো নতুন ৰূপ দিবলৈ আৰম্ভ কৰিছে। বিশেষকৈ কৃত্ৰিম বুদ্ধিমত্তা বা Artificial Intelligence (AI)-এ শিক্ষাদান, শিক্ষাগ্ৰহণ, গৱেষণা আৰু মূল্যায়নৰ পদ্ধতিত এক নতুন সম্ভাৱনাৰ সৃষ্টি কৰিছে। অসমৰ দৰে ৰাজ্যত উচ্চ শিক্ষাৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰে শিক্ষাৰ মান উন্নত কৰাৰ লগতে গ্ৰাম্য আৰু দূৰৱৰ্তী অঞ্চলৰ শিক্ষাৰ্থীসকলক উন্নত শিক্ষাৰ সুযোগ প্ৰদান কৰিব পাৰে। অৱশ্যে ইয়াৰ সৈতে জড়িত নৈতিকতা, তথ্য-নিৰাপত্তা, ডিজিটেল বিভাজন আৰু শিক্ষকৰ ভূমিকা সম্পৰ্কীয় প্ৰশ্নসমূহো গুৰুত্বসহকাৰে বিবেচনা কৰিব লাগিব।

পৰম্পৰাগত শিক্ষা ব্যৱস্থাত একেটা শ্ৰেণীকোঠাত বিভিন্ন সামৰ্থ্য, আগ্ৰহ আৰু শিক্ষণ-গতিসম্পন্ন শিক্ষাৰ্থীয়ে একেলগে অধ্যয়ন কৰে। ফলত সকলো শিক্ষাৰ্থীক একে ধৰণে শিক্ষা প্ৰদান কৰাটো কঠিন হৈ পৰে। AI-ভিত্তিক শিক্ষণ ব্যৱস্থাই শিক্ষাৰ্থীৰ প্ৰয়োজন অনুসৰি বিষয়বস্তু, অনুশীলন আৰু মূল্যায়নৰ পদ্ধতি সলনি কৰিব পাৰে। কোনো শিক্ষাৰ্থীয়ে এটা বিষয় বুজিবলৈ অধিক সময় ল'লে AI-ভিত্তিক ব্যৱস্থাই অধিক উদাহৰণ আৰু অনুশীলন আগবঢ়াব পাৰে; আনহাতে দ্ৰুতগতিত শিকা শিক্ষাৰ্থীক অধিক উন্নত সমস্যাৰ সন্মুখীন কৰাব পাৰে। এই ব্যক্তিকেন্দ্ৰিক শিক্ষণ পদ্ধতিয়ে উচ্চ শিক্ষাৰ মান উন্নত কৰাত সহায় কৰিব পাৰে। বিশেষকৈ গণিত, বিজ্ঞান, পৰিসংখ্যা, কম্পিউটাৰ বিজ্ঞান আৰু ভাষা শিক্ষাৰ ক্ষেত্ৰত AI সহায়ক হিচাপে ব্যৱহাৰ কৰিব পাৰি।

উচ্চ শিক্ষাৰ অন্যতম মূল স্তম্ভ হৈছে গৱেষণা। গৱেষকসকলে প্ৰতিদিনে বৃহৎ পৰিমাণৰ তথ্য, গৱেষণা-পত্ৰ আৰু পৰিসংখ্যাগত উপাত্তৰ সৈতে কাম কৰিবলগীয়া হয়। AI-ভিত্তিক সঁজুলিয়ে বৃহৎ তথ্যসমষ্টি বিশে-ষণ, তথ্যৰ মাজত আৰ্হি বিচাৰি উলিওৱা, সাহিত্য পৰ্যালোচনাত সহায় কৰা আৰু গৱেষণাৰ সম্ভাব্য দিশ চিনাক্ত কৰাত সহায় কৰিব পাৰে। অসমৰ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহত পৰিৱেশ, বানপানী, কৃষি, জনস্বাস্থ্য, জৈৱ-বৈচিত্ৰ্য, ভাষা, অৰ্থনীতি আৰু সামাজিক পৰিৱৰ্তন আদি বিষয়ত বহু গৱেষণাৰ সুযোগ আছে। AI আৰু তথ্য-বিশ্লেষণৰ সঠিক ব্যৱহাৰে এই ক্ষেত্ৰসমূহত অধিক তথ্য-ভিত্তিক গৱেষণা সম্ভৱ কৰি তুলিব পাৰে। উদাহৰণস্বৰূপে, অসমৰ বানপানীৰ তথ্য, বৰষুণৰ পৰিমাণ, নদীৰ জলস্তৰ আৰু ভূমিৰ পৰিৱৰ্তনৰ তথ্য বিশ্লেষণ কৰি বানপানীৰ সম্ভাব্য প্ৰভাৱৰ বিষয়ে অধিক বৈজ্ঞানিক ধাৰণা লাভ কৰিব পৰা যায়। একেদৰে কৃষিক্ষেত্ৰত মাটিৰ গুণাগুণ, বতৰৰ তথ্য আৰু শস্যৰ উৎপাদনৰ তথ্য বিশ্লেষণ কৰি কৃষকৰ বাবে অধিক ফলপ্ৰসূ পৰামৰ্শ প্ৰস্তুত কৰাৰ সম্ভাৱনাও আছে।

অসমীয়া ভাষাৰ ক্ষেত্ৰতো কৃত্ৰিম বুদ্ধিমত্তাই নতুন দুৱাৰ মুকলি কৰিব পাৰে। ভাষা সংৰক্ষণ, ডিজিটেল অভিধান, স্বয়ংক্ৰিয় অনুবাদ, speech-to-text, text-to-speech আৰু অসমীয়া ভাষাৰ শিক্ষণ সঁজুলি উন্নয়নত AI ব্যৱহাৰ কৰিব পাৰি। অসমীয়া ভাষাৰ বিপুল সাহিত্যিক আৰু সাংস্কৃতিক সম্পদ ডিজিটেল ৰূপত সংৰক্ষণ কৰাটো সময়ৰ দাবী। পুৰণি গ্ৰন্থ, সংবাদপত্ৰ আৰু নথিপত্ৰ ডিজিটাইজ কৰি AI-ভিত্তিক ভাষা প্ৰযুক্তিৰ সহায়ত সেইবোৰ অধিক সহজলভ্য কৰিব পাৰি। ইয়াৰ ফলত গৱেষক, শিক্ষাৰ্থী আৰু সাধাৰণ পাঠকে অসমীয়া ভাষা আৰু সাহিত্যৰ সমৃদ্ধ ভঁৰালৰ সৈতে সহজে সংযোগ স্থাপন কৰিব পাৰিব।

এতিয়া মনকৰিবলগীয়া বিষয়টো হ'ল যে AIৰ সুবিধা সকলো শিক্ষাৰ্থীৰ বাবে সমানে উপলব্ধ হ'ব নে নহয়, সেয়া এক গুৰুত্বপূৰ্ণ প্ৰশ্ন। নগৰ অঞ্চলৰ বহু শিক্ষাৰ্থীৰ হাতত উন্নত স্মাৰ্টফোন, কম্পিউটাৰ আৰু উচ্চগতিসম্পন্ন ইণ্টাৰনেট থাকিলেও গ্ৰাম্য বা দূৰৱৰ্তী অঞ্চলৰ বহু শিক্ষাৰ্থী এতিয়াও এই সুবিধাৰ পৰা বঞ্চিত। যদি শিক্ষা ব্যৱস্থাত AIৰ ব্যৱহাৰ দ্ৰুতগতিত বৃদ্ধি পায়, কিন্তু ডিজিটেল আন্তঃগাঁথনি একে গতিত উন্নত নহয়, তেন্তে শিক্ষাৰ ক্ষেত্ৰত থকা বৈষম্য আৰু বৃদ্ধি পাব পাৰে। সেয়েহে AI-ভিত্তিক শিক্ষা প্ৰসাৰৰ লগতে বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহত উন্নত ইণ্টাৰনেট, কম্পিউটাৰ, বিদ্যুৎ আৰু ডিজিটেল প্ৰশিক্ষণৰ সুবিধা নিশ্চিত কৰাটো অত্যন্ত প্ৰয়োজনীয়।

অৱশ্যে তাৰ সমান্তৰালকৈ শিক্ষক এজনৰ ভূমিকাও গুৰুত্বপূৰ্ণ। কাৰণ AIৰ আগমনে শিক্ষক সকলৰ প্ৰয়োজনীয়তা শেষ কৰি দিব বুলি ধাৰণা কৰাটো ভুল। AI তথ্য প্ৰদান কৰিব পাৰে, কিন্তু এজন দক্ষ শিক্ষকে শিক্ষাৰ্থীৰ মানসিক অৱস্থা বুজি উৎসাহিত কৰিব পাৰে, নৈতিক মূল্যবোধ গঢ়ি তুলিব পাৰে আৰু সঠিক-ভুলৰ মাজত বিচাৰ কৰাৰ ক্ষমতা বিকশিত কৰিব পাৰে।

গতিকে শিক্ষণৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা যথেষ্ট আছে। ভৱিষ্যতৰ উন্নত শিক্ষা ব্যৱস্থাত শিক্ষক আৰু AIৰ মাজত শিক্ষণৰ কোনো প্ৰতিযোগিতা নহয়, বৰং সহযোগিতাইহে শিক্ষণক অধিক গুৰুত্বপূৰ্ণ আৰু ফলপ্ৰসূ কৰি তুলিব। শিক্ষক হ'ব জ্ঞানৰ একমাত্ৰ উৎসৰ পৰিৱৰ্তে শিক্ষাৰ্থীৰ পথপ্ৰদৰ্শক, পৰামৰ্শদাতা আৰু সমালোচনামূলক চিন্তাৰ বিকাশকাৰী। AIক শিক্ষকক প্ৰতিষ্ঠাপন কৰাৰ সলনি শিক্ষকৰ সক্ষমতা বৃদ্ধি কৰা এক সহায়ক সঁজুলি হিচাপে গ্ৰহণ কৰাটোৱেই অধিক যুক্তিসংগত। AI ব্যৱহাৰৰ সৈতে নৈতিক প্ৰশ্নও জড়িত হৈ আছে। শিক্ষাৰ্থীয়ে AIৰ সহায় লৈ সম্পূৰ্ণ উত্তৰ বা গৱেষণা লিখাই ল'লে মৌলিক চিন্তা আৰু সৃষ্টিশীলতা ক্ষতিগ্ৰস্ত হ'ব পাৰে। বিশেষকৈ assignment, project আৰু research paper প্ৰস্তুত কৰাৰ ক্ষেত্ৰত AIৰ অতিৰিক্ত নিৰ্ভৰশীলতাই plagiarism আৰু academic dishonestyৰ সমস্যা বৃদ্ধি কৰিব পাৰে। সেয়েহে শিক্ষানুষ্ঠানসমূহে AI ব্যৱহাৰৰ বাবে স্পষ্ট নীতি প্ৰস্তুত কৰিব লাগিব। শিক্ষাৰ্থীক AI নিষিদ্ধ কৰাৰ পৰিৱৰ্তে দায়িত্বশীলভাৱে AI ব্যৱহাৰ কৰিবলৈ শিকোৱাটো অধিক ফলপ্ৰসূ। কোনটো কামত AI ব্যৱহাৰ কৰিব পাৰি, কোনটো কামত নিজস্ব চিন্তা প্ৰয়োজন আৰু AI-উৎপাদিত তথ্য কেনেকৈ যাচাই কৰিব লাগে-এই বিষয়সমূহ শিক্ষাৰ অংশ হ'ব লাগে।

গতিকে শিক্ষণৰ ক্ষেত্ৰত অসমত AI-ভিত্তিক উচ্চ শিক্ষা সফল কৰিবলৈ তিনিটা বিষয় বিশেষভাৱে গুৰুত্বপূৰ্ণ—ডিজিটেল আন্তঃগাঁথনি, শিক্ষক প্ৰশিক্ষণ আৰু নৈতিক নীতি। বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহত AI literacy programme আৰম্ভ কৰিব পাৰি। শিক্ষাৰ্থী আৰু শিক্ষক উভয়কে AI সঁজুলিৰ সম্ভাৱনা আৰু সীমাবদ্ধতা সম্পৰ্কে প্ৰশিক্ষণ দিয়া প্ৰয়োজন। একেদৰে অসমীয়া ভাষাৰ বাবে বিশেষ AI মডেল আৰু digital resources বিকাশৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়, চৰকাৰ, গৱেষণা প্ৰতিষ্ঠান আৰু প্ৰযুক্তি বিশেষজ্ঞসকলে একেলগে কাম কৰিব পাৰে। স্থানীয় সমস্যা সমাধানৰ ক্ষেত্ৰত AIক ব্যৱহাৰ কৰিলে অসমৰ উচ্চ শিক্ষাই কেৱল প্ৰযুক্তিৰ গ্ৰাহক হৈ নাথাকি নতুন জ্ঞান সৃষ্টিৰ ক্ষেত্ৰতো অৱদান আগবঢ়াব পাৰিব।

ভৱিষ্যতৰ শিক্ষা কেৱল কিতাপ আৰু শ্ৰেণীকোঠাৰ মাজতে সীমাবদ্ধ নাথাকিব। প্ৰযুক্তি, গৱেষণা আৰু মানৱিক মূল্যবোধৰ সমন্বয়ত গঢ়ি উঠিব নতুন শিক্ষা ব্যৱস্থা। সেয়েহে AIক ভয় কৰাৰ পৰিৱৰ্তে ইয়াক বুজি, পৰীক্ষা কৰি আৰু দায়িত্বশীলভাৱে ব্যৱহাৰ কৰাটোৱেই সময়ৰ দাবী। অসমৰ যুৱ প্ৰজন্মক এই নতুন প্ৰযুক্তিৰ সৈতে সংযুক্ত কৰি জ্ঞান, সৃষ্টিশীলতা আৰু গৱেষণাৰ ক্ষেত্ৰত আগুৱাই নিব পাৰিলে ৰাজ্যখনৰ উচ্চ শিক্ষাই এক নতুন দিগন্তত প্ৰৱেশ কৰিব পাৰে।

এতিয়া মন কৰিবলগীয়া কথাটো হ'ল যে প্ৰত্যেকটো বস্তুৰে ইতিবাচক আৰু নেতিবাচক দুয়োটা দিশেই থাকে। কৃত্ৰিম বুদ্ধিমত্তা (AI) ৰ ক্ষেত্ৰতো ই ব্যতিক্ৰম নহয়। গতিকে ইয়াক ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত আমি কিছু সাৱধানতা অৱলম্বন কৰিব লাগিব। কৃত্ৰিম বুদ্ধিমত্তা নিজে কোনো যাদুকৰী সমাধান নহয়। ইয়াৰ প্ৰভাৱ নিৰ্ভৰ কৰিব আমি ইয়াক কেনেদৰে ব্যৱহাৰ কৰোঁ তাৰ ওপৰত। সঠিক পৰিকল্পনা, উপযুক্ত প্ৰশিক্ষণ আৰু নৈতিক দায়বদ্ধতাৰ সৈতে AI অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত এক শক্তিশালী পৰিৱৰ্তনৰ মাধ্যম হ'ব পাৰে।

# বিশ্ব সাক্ষৰতা দিৱসৰ তাৎপৰ্য আৰু প্ৰয়োজনীয়তা

**নিবেদিতা হাজৰিকা**

এগৰাকী ব্যক্তিৰ বাবে জীৱনৰ আটাইতকৈ প্ৰয়োজনীয় সম্পদ হৈছে -শিক্ষা। সাক্ষৰতা হৈছে এজন ব্যক্তিয়ে লিখিব, পঢ়িব আৰু দৈনন্দিন জীৱনত প্ৰয়োজন হোৱা জ্ঞান ব্যৱহাৰ কৰিব পৰা এক গুৰুত্বপূৰ্ণ ক্ষমতা বিশেষ। শিক্ষাৰ জৰিয়তেহে ব্যক্তিৰ জীৱনৰ মাপকাঠি নিৰ্ণয় হয়। ই প্ৰতিজন ব্যক্তিৰ মৌলিক অধিকাৰ হিচাপেও স্বীকৃত। সাক্ষৰতাই এজন মানুহক মৰ্যাদাৰে জীয়াই থাকিবলৈ আৰু নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰতো সহায় কৰে। ঠিক সেইদৰে, এখন সুস্থ, শান্তিপূৰ্ণ আৰু আগুৱাই যোৱা সমাজ গঠনৰ বাবে সাক্ষৰিত সমাজ এখনৰ প্ৰয়োজন খুবেই বেছি। ইয়াৰ বিকল্প নাই বুলিব পাৰি। এই সকলো কথা বিবেচনা কৰি ৰাষ্ট্ৰসংঘৰ শিক্ষা, বিজ্ঞান আৰু সংস্কৃতি চমুকৈ (ইউনেস্কো) য়ে ১৯৬৫ চনৰ ১৭ নৱেম্বৰত ৮ ছেপ্টেম্বৰ দিনটো আন্তৰ্জাতিক সাক্ষৰতা দিৱস (World Literacy Day) হিচাপে ঘোষণা কৰে আৰু তেতিয়াৰে পৰা প্ৰতি বছৰে এটা নিৰ্দিষ্ট (Thim) বা আৰ্হি মূল হিচাপে লৈ এই দিৱসটি পালন কৰা হয়, যিয়ে সমাজত শিক্ষাৰ সঠিক বাৰ্তা প্ৰেৰণ কৰে। ব্যক্তি, পৰিয়াল আৰু সমাজৰ সৰ্বাংগীণ উন্নয়নৰ বাবে শিক্ষা আৰু সাক্ষৰতা যে আটাইতকৈ শক্তিশালী অস্ত্ৰ সেই কথা সোঁৱৰাই দিয়াই এই দিৱসৰ মূল উদ্দেশ্য। এই দিৱস হৈছে শিক্ষা আৰু সাক্ষৰতাৰ পৰিৱৰ্তনশীল শক্তিৰ ওপৰত প্ৰতিফলিত কৰা এক প্ৰয়োগ। এই দিনটোত ব্যক্তিগত বিকাশ আৰু সৱলীকৰণৰ আধাৰশিলা হিচাপে পঢ়া আৰু লিখাৰ গুৰুত্বক গুৰুত্বৰ ওপৰত বিশেষ ভাৱে গুৰুত্ব প্ৰদান কৰা হয় তথা ব্যক্তি, সমাজ আৰু ৰাষ্ট্ৰৰ বাবে সাক্ষৰতাৰ প্ৰয়োজনীয়তা তথা গুৰুত্ব প্ৰচাৰ কৰাৰ লগতে সমগ্ৰ বিশ্বৰ পৰা নিৰক্ষৰতা দূৰ কৰাৰ বাবে সজাগতাৰ শিক্ষা দিয়াই এই দিৱস পালনৰ লক্ষ্য আৰু উদ্দেশ্য। জ্ঞানৰ পোহৰেৰে পৃথিৱীৰ পৰা অজ্ঞানতাৰ আন্ধাৰ দূৰ কৰাৰ বাবে এক অহৰহ সংকল্পৰ নামেই হ'ল বিশ্ব সাক্ষৰতা দিৱস, যি আমাক সোঁৱৰাই দিয়ে যে সমাজৰ প্ৰতিজন ব্যক্তিক শিক্ষিত কৰি নোতোলা পৰ্যন্ত বা শিক্ষিত নোহোৱা পৰ্যন্ত এখন সম্ভাৱনাপূৰ্ণ আৰু প্ৰগতিশীল পৃথিৱী গঢ়া সম্ভৱ নহয়। এখন সুস্থ, শান্তিপূৰ্ণ আৰু উন্নত সমাজ গঠনৰ বাবে বিশ্ব সাক্ষৰতা দিৱসৰ প্ৰাসংগিকতা সদায়ে সৰ্বোচ্চ।



সমগ্ৰ বিশ্বৰ পৰা নিৰক্ষৰতা দূৰীকৰণৰ বাবে ব্যাপক ভাৱে প্ৰচাৰ চলাই অহা এই দিৱস কেৱল মাত্ৰ এটা দিৱস নহয়, ই হৈছে মানৱ অধিকাৰ, মৰ্যাদা আৰু সমাজ পৰিৱৰ্তনৰ এক সজাগতামূলক আন্দোলন। চৰকাৰে বিশ্বৰ সকলো নাগৰিককে সাক্ষৰ কৰি তুলিবলৈ যত্ন তথা বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে যদিও বৰ্তমান সময়তো বিশ্বৰ এক বৃহৎ সংখ্যক লোক নিৰক্ষৰ হৈ আছে। সেইবাবে, এই দিৱসৰ প্ৰাসংগিকতা এতিয়াও শেষ হোৱা নাই। সকলোৰে বাবে শিক্ষা নিশ্চিত কৰিবলৈ চৰকাৰ আৰু ব্যক্তিগত পৰ্যায়ত অহৰহ প্ৰচেষ্টা চলাই থকাটো অত্যন্ত প্ৰয়োজনীয়। এই দিৱস পালন প্ৰকৃত অৰ্থত কাৰ্যকৰী আৰু সাৰ্থক কৰি তুলিবলৈ হ'লে শিক্ষা সুলভ কৰা, বিদ্যালয় ত্যাগ কৰা ছাত্ৰ-ছাত্ৰী সকলক বিদ্যালয়মুখী কৰা, প্ৰাপ্ত বয়স্ক শিক্ষাৰ সম্প্ৰসাৰণ কৰাৰ বাবে বিশেষ গুৰুত্ব আৰোপ কৰিব লাগিব। যেতিয়া দেশৰ প্ৰতিগৰাকী নাগৰিকে আখৰ জ্ঞান বা সাক্ষৰতা লাভ কৰি আত্মনিৰ্ভৰশীল হ'ব পাৰিব, তেতিয়াহে 'বিশ্ব সাক্ষৰতা দিৱস' উদ্‌যাপন প্ৰকৃত অৰ্থত সাৰ্থক হ'ব।

# ড° ভূপেন হাজৰিকাৰ বিশাল ব্যক্তিত্বৰ পৰা অপৰিচিত হৈ ৰ'ল জেন জি

**অজিত বৰুৱা**

ড° ভূপেন হাজৰিকাৰ ব্যক্তিত্বৰ আন এক গুৰুত্বপূৰ্ণ দিশ হৈছে তেওঁৰ সাম্প্ৰদায়িক সম্প্ৰীতি আৰু মানৱীয় একতাৰ বাণী। তেওঁ ধৰ্ম, ভাষা, জাতি বা বৰ্ণৰ সীমা মানি চলা মানুহ নাছিল। তেওঁৰ গীতত মানুহৰ কথাই মুখ্য স্থান পাইছিল। তেওঁ বিশ্বাস কৰিছিল যে মানুহৰ পৰিচয় প্ৰথমে মানুহ, তাৰ পিছতহে আন সকলো। বৰ্তমান বিশ্বত যেতিয়া বিভাজনৰ ৰাজনীতি, ঘৃণা আৰু অসহিষ্ণুতা বৃদ্ধি পাইছে, তেতিয়া ডঃ ভূপেন হাজৰিকাৰ এই দৰ্শন অধিক প্ৰাসঙ্গিক হৈ উঠিছে। কিন্তু দুখজনকভাৱে বহু যুৱক-যুৱতীয়ে এই চিন্তাধাৰাৰ সৈতে পৰিচিত নহয়।

অসমীয়া জাতীয় জীৱনত ডঃ ভূপেন হাজৰিকাৰ অৱদান অনন্য। তেওঁ অসমৰ নদ-নদী, পাহাৰ-পৰ্বত, কৃষক, মজদুৰ, চাহ জনজাতি, মিছিং, বড়ো, কাৰ্বি, ডিমাছা, নেপালী—সকলো জনগোষ্ঠীৰ জীৱনক গীতৰ মাজেৰে বিশ্বদৰবাৰত উপস্থাপন কৰিছিল। তেওঁ অসমৰ সাংস্কৃতিক বৈচিত্ৰ্যক একতাৰ ডোলেৰে বান্ধিছিল। তেওঁৰ গীতত অসমৰ মাটি আৰু মানুহৰ যি সজীৱ প্ৰতিচ্ছবি দেখা যায়, সেয়া অসমৰ সাংস্কৃতিক ইতিহাসৰ এক অমূল্য সম্পদ। কিন্তু GEN-Z ৰ বহু সদস্যই বিশ্বসংস্কৃতিৰ বিষয়ে জানিলেও নিজৰ সাংস্কৃতিক পৰিচয় এই মহান শিল্পীজনৰ বিষয়ে গভীৰভাৱে নাজানে।

চলচ্চিত্ৰ জগততো ড° ভূপেন হাজৰিকাৰ অৱদান অসাধাৰণ। তেওঁ বহু অসমীয়া, বাংলা আৰু হিন্দী চলচ্চিত্ৰৰ সংগীত পৰিচালনা কৰিছিল। "ৰুদালী", "দমন", "এক পল", "চামেলী মেমচাহেব" আদি চলচ্চিত্ৰত তেওঁৰ সংগীতে নতুন মাত্ৰা যোগ কৰিছিল। ভাৰতীয় চলচ্চিত্ৰ সংগীতৰ ক্ষেত্ৰত তেওঁ এক স্বতন্ত্ৰ ধাৰা সৃষ্টি কৰিছিল। কিন্তু বৰ্তমানৰ বহু যুৱকে বিশ্বৰ বিভিন্ন পপ তাৰকাৰ নাম জানে যদিও ভাৰতীয় সংগীত আৰু চলচ্চিত্ৰৰ এই মহান শিল্পীজনৰ অৱদান সম্পৰ্কে অজ্ঞাত।

এই অৱস্থাৰ আন এটা কাৰণ হৈছে সাংস্কৃতিক স্মৃতিৰ ক্ষয়। পৰিয়ালসমূহত আগৰ দৰে সাহিত্য, সংগীত, নাটক বা সাংস্কৃতিক ব্যক্তিত্বক লৈ আলোচনা কমি গৈছে। শিশু আৰু কিশোৰসকলৰ সাংস্কৃতিক শিক্ষাৰ দায়িত্ব ক্ৰমে Digital Platform সমূহলৈ স্থানান্তৰিত হৈছে। এই Platform সমূহে লাভজনক আৰু তৎক্ষণাত মনোৰঞ্জনমূলক বিষয়বস্তু অধিক প্ৰচাৰ কৰে, ফলত ড° ভূপেন হাজৰিকাৰ দৰে গভীৰ আৰু চিন্তাশীল শিল্পীসকল নতুন প্ৰজন্মৰ দৃষ্টিৰ পৰা আঁতৰি যায়।

তথাপি সমগ্ৰ GEN-Z প্ৰজন্মক দোষাৰোপ কৰাটো উচিত নহ'ব। বহু যুৱক-যুৱতীয়ে ভূপেন হাজৰিকাৰ গীত নতুনকৈ আৱিষ্কাৰ কৰিছে।



Youtube, Spotify, Digital Orchids আৰু সাংস্কৃতিক অনুষ্ঠানসমূহৰ জৰিয়তে তেওঁলোকৰ একাংশই ড° ভূপেন হাজৰিকাৰ সৃষ্টিৰ গভীৰতা উপলব্ধি কৰিবলৈ আৰম্ভ কৰিছে। সমস্যাটো মূলতঃ পৰিচয়ৰ অভাৱ, আগ্ৰহৰ অভাৱ নহয়। যদি সঠিকভাৱে উপস্থাপন কৰা যায়, তেন্তে আজিৰ যুৱসমাজেও ড° ভূপেন হাজৰিকাৰ চিন্তাধাৰাক হৃদয়েৰে গ্ৰহণ কৰিব পাৰে।

সেয়েহে সময়ৰ দাবী হৈছে ড° ভূপেন হাজৰিকাক নতুন প্ৰজন্মৰ ওচৰলৈ নতুন ভাষা আৰু নতুন মাধ্যমৰ জৰিয়তে লৈ যোৱা। তেওঁৰ গীতসমূহৰ আধুনিক উপস্থাপন, ডকুমেণ্টাৰী, প'ডকাষ্ট, এনিমেচন, ডিজিটেল আৰ্কাইভ, বিদ্যালয়ভিত্তিক আলোচনা, বিশ্ববিদ্যালয়ত বিশেষ পাঠ্যক্ৰম, সাংস্কৃতিক কৰ্মশালা আৰু সামাজিক মাধ্যমভিত্তিক সৃষ্টিশীল প্ৰচাৰৰ প্ৰয়োজন আছে। ড° ভূপেন হাজৰিকাক কেৱল স্মৃতিচাৰণৰ বিষয় হিচাপে নহয়, সমকালীন সমাজচিন্তক হিচাপে উপস্থাপন কৰিব লাগিব।

অসম চৰকাৰ, শিক্ষা প্ৰতিষ্ঠান, সাহিত্য-সংস্কৃতি সংগঠন, সংবাদ মাধ্যম আৰু পৰিয়াল—সকলোৰে এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা আছে। ড° ভূপেন হাজৰিকাৰ জন্মশতবাৰ্ষিকী উদযাপনৰ প্ৰস্তুতি চলি আছে এই সময়ছোৱাত তেওঁৰ জীৱন আৰু কৰ্মৰ বিষয়ে ব্যাপক জনসচেতনতা সৃষ্টিৰ উদ্যোগ গ্ৰহণ কৰাটো অতি প্ৰয়োজনীয়। বিশেষকৈ যুৱসমাজৰ মাজত তেওঁৰ আদৰ্শ আৰু দৰ্শন প্ৰচাৰৰ বাবে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা উচিত।

ড° ভূপেন হাজৰিকা কেৱল এগৰাকী শিল্পী নহয়, তেওঁ আছিল এক যুগ, এক আন্দোলন, এক মূল্যবোধৰ নাম। তেওঁৰ গীতত আছে অসমৰ আত্মা, ভাৰতৰ হৃদয় আৰু বিশ্বমানৱতাৰ স্পন্দন। যদি নতুন প্ৰজন্ম তেওঁৰ এই বিশাল ব্যক্তিত্বৰ পৰা অপৰিচিত হৈ থাকে, তেন্তে সেয়া কেৱল এজন শিল্পীৰ বিস্মৃতি নহয়, সেয়া আমাৰ সমাজৰ সাংস্কৃতিক স্মৃতিভ্ৰংশৰ লক্ষণ।

সাংস্কৃতিকভাৱে সমৃদ্ধ আৰু মূল্যবোধসম্পন্ন সমাজ গঢ়িবলৈ হ'লে নতুন প্ৰজন্মক ড° ভূপেন হাজৰিকাৰ দৰে ব্যক্তিত্বৰ সৈতে পুনৰ সংযোগ স্থাপন কৰাটো অনিবাৰ্য। কিয়নো ড° ভূপেন হাজৰিকা অতীতৰ স্মৃতি নহয়, তেওঁ হৈছে বৰ্তমানৰ প্ৰয়োজন আৰু ভৱিষ্যতৰ পথপ্ৰদৰ্শক। GEN-Z য়ে যদি তেওঁৰ গীত, দৰ্শন আৰু মানৱতাৰ বাণী হৃদয়েৰে উপলব্ধি কৰিব পাৰে, তেন্তে সেয়াই হ'ব এই মহান শিল্পীজনৰ প্ৰতি সৰ্বশ্ৰেষ্ঠ শ্ৰদ্ধাঞ্জলি।

ৰতা

**ওদালগুৰিৰ জ্যেষ্ঠ সাংবাদিক তথা অৱসৰপ্ৰাপ্ত শিক্ষক গায়ত্ৰী ভট্টৰায় আৰু টংলা অঞ্চলৰ ক্ৰীড়া সংগঠক জোনাচ চাংমাক টংলা প্ৰেছ ক্লাবৰ সন্মান**

# টংলা প্ৰেছ ক্লাবৰ উদ্যোগত সাংবাদিক ধনেশ্বৰ ৰাভাৰ ষষ্ঠ বাৰ্ষিক মৃত্যু তিথি আৰু ধনেশ্বৰ ৰাভা সোঁৱৰণী বঁটা প্ৰদান অনুষ্ঠান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৮ ছেপ্টেম্বৰ ঃ** টংলা প্ৰেছ ক্লাবৰ সতীৰ্থ সাংবাদিক, সমাজহিতৈষী তথা ক্ৰীড়া সংগঠক ধনেশ্বৰ ৰাভা বিগত ২০২০ চনৰ ৬ চেপ্তেম্বৰত স্বৰ্গগামী হয়। তেখেতৰ পবিত্ৰ স্মৃতি সজীৱ কৰি ৰখাৰ মানসেৰে ২০২১ চনৰে পৰা সাংবাদিক ধনেশ্বৰ ৰাভা স্মৃতিচাৰণ সভা আৰু সোঁৱৰণী বঁটা প্ৰদান অনুষ্ঠানটি টংলা প্ৰেছ ক্লাৱে অনুষ্ঠিত কৰি আহিছে। সেই উপলক্ষে আজি দিনজোৰা কাৰ্যসূচীৰে টংলা মিলনপুৰস্থিত চিলাৰায় ভৱনত সাংবাদিক ধনেশ্বৰ ৰাভাৰ ষষ্ঠ বাৰ্ষিক মৃত্যু তিথি আৰু ধনেশ্বৰ ৰাভা সোঁৱৰণী বঁটা প্ৰদান অনুষ্ঠানটি অনুষ্ঠিত হয়। এই উপলক্ষে পুৱা ১০ বজাত বন্তি প্ৰজ্বলনৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে সমাজকৰ্মী দণ্ডিৰাম ৰাভাই আৰু ইয়াৰ পিছতে সাংবাদিক ধনেশ্বৰ ৰাভালৈ একাঁজলি শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠান মুকলি কৰে ক্ৰমে টংলা সাহিত্য সভাৰ উপ-সভাপতি তপেশ্বৰ ৰাভা আৰু প্ৰয়াত ধনেশ্বৰ ৰাভাৰ পত্নী সুমিত্ৰা ৰাভাই। পুৱা ১১ বজাত টংলা প্ৰেছ ক্লাবৰ সভাপতি ফটিক নন্দন ৰভাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা স্মৃতিচাৰণ সভা আৰু বঁটা প্ৰদান অনুষ্ঠান উদ্বোধন কৰে টংলা প্ৰেছ ক্লাবৰ উপদেষ্টা জয়ন্ত কুমাৰ দাসে। উদ্বোধনী ভাষণত জ্যেষ্ঠ সাংবাদিক জয়ন্ত কুমাৰ দাসে প্ৰয়াত ধনেশ্বৰ ৰাভা সাংবাদিকতা, স্বগোষ্ঠীয় কলা সংস্কৃতি আৰু ক্ৰীড়া সংগঠক হিচাবে কৰ্ম জীৱনৰ আলোকপাত কৰে। তেওঁ মফচলিয় সাংবাদিকতা আৰু বৰ্তমানৰ প্ৰতিযোগিতামূলক সাংবাদিকতাৰ প্ৰসংগ উল্লেখ কৰি সত্য নিষ্ঠ সাংবাদিকতাৰ পৃথিৱীখন বহুত কষ্টকৰ বুলি কয়। সন্মানীয় অতিথিৰূপে বিটিচি পৰিষদৰ পাৰিষদ অৰ্জুন দৈমাৰী আৰু, টংলা সাহিত্য সভাৰ সভাপতি ঘটেশ্বৰ বৰুৱা, আছুৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য চিণ্টুমনি চক্ৰৱৰ্তী, আক্ৰাছুৰ ওদালগুৰি জিলা সমিতিৰ সভাপতি মিণ্টু বৰুৱা, ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বড়া, আপকু ওদালগুৰি জিলা সমিতিৰ সভাপতি নৱ কুমাৰ ডেকা, আৰছুৰ ওদালগুৰি জিলা সমিতিৰ শিক্ষা সম্পাদক অৰূপ জ্যোতি ৰাভা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ টংলা আঞ্চলিক সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি পৱন বনিয়া, টংলা প্ৰেছ ক্লাৱৰ প্ৰাক্তন সভাপতি উজ্জ্বল কুমাৰ দাসৰ উপৰি বিভিন্ন দল-সংগঠনৰ নেতৃত্ব উপস্থিত থাকি ধনেশ্বৰ ৰাভাৰ কৰ্ম জীৱনৰ স্মৃতি ৰোমন্থন কৰি বৰ্তমানৰ প্ৰতিযোগিতামূলক সাংবাদিকতা আৰু সংবাদ পৰিবেশন সম্পৰ্কে বিবৰণ ডাঙি ভাষণ প্ৰদান কৰে। ওদালগুৰিৰ জ্যেষ্ঠ সাংবাদিক তথা শিক্ষক গায়ত্ৰী ভট্টৰায় আৰু টংলা অঞ্চলৰ ক্ৰীড়া সংগঠক জোনাচ চাংমাক টংলা প্ৰেছ ক্লাৱে দুই গৰাকীক ফুলাম গামোচা, এটা কিতাপৰ টোপোলা, এটা স্মাৰক আৰু এখনকৈ প্ৰশস্তি পত্ৰ প্ৰদান কৰি সম্বৰ্দ্ধনা জ্ঞাপন কৰে। দুই গৰাকী সম্বৰ্ধিত ব্যক্তিয়ে এই সম্বৰ্দ্ধনা তেওঁলোকৰ জীৱনৰ আটাইতকৈ ডাঙৰ প্ৰাপ্তি বুলি উল্লেখ কৰে। তেওঁলোক দুই গৰাকীয়ে নিজৰ নিজৰ কৰ্ম ক্ষেত্ৰত ভোগা কষ্ট আৰু তাৰ পিছত লাভ কৰা সফলতাৰ কথাবোৰ সুঁৱৰি আবেগিক হৈ পৰে আৰু টংলা প্ৰেছ ক্লাবক এনে মৰম আৰু সাদৰ কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। পৱন বনিয়া, লব কুমাৰ ডেকা, নিশামনি ৰাভাই গীত পৰিৱেশন আৰু নজৰুল ইছলামে কবিতা পাঠ কৰা উক্ত অনুষ্ঠানত বড়োলেণ্ড সাংবাদিক সংস্থা, ওদালগুৰি জিলা সমিতি, পানেৰী প্ৰেছ ক্লাব, ডিমাকুছি ই মিডিয়াম ফৰাম, টংলা ক্ৰীড়া সন্থা, টংলা আছু, টংলা সাহিত্য সভা, নিখিল ৰাভা মহিলা পৰিষদৰ বিষয়ববীয়াৰ লগতে হত্তৰ টংলা অঞ্চলটোৰ শতাধিক লোক উপস্থিত থাকে।

# ডিব্ৰুগড়ৰ চৰকাৰী বালিকা বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী, স্ত্ৰী শিক্ষা বিস্তাৰৰ পথিকৃত প্ৰয়াত গৌৰীপ্ৰভা চলিহাৰ জীৱনী উন্মোচন

**পিনাকী শৰ্মাক গৌৰি প্ৰভা চলিহা শৈক্ষিক সোঁৱৰণী বঁটা**

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৮ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড়ৰ অগ্ৰগামী মহিলা সন্মিলনৰ উদ্যোগত উজনি অসমত স্ত্ৰী-শিক্ষা বিস্তাৰৰ অন্যতম পথিকৃৎ, অবিভক্ত অসমৰ প্ৰথমখন চৰকাৰী বালিকা বিদ্যালয় 'ডিব্ৰুগড় চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বালিকা বিদ্যালয়'ৰ প্ৰধান শিক্ষয়িত্ৰী প্ৰয়াত গৌৰী প্ৰভা চলিহাৰ ১২৬ সংখ্যক জন্ম-দিৱস ডিব্ৰুগড় লেখিকা সমাৰোহ সমিতিৰ কাৰ্যালয়ত ৫ ছেপ্তেম্বৰত অনুষ্ঠিত হৈ যায়। আৰাধনা দত্তৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত বন্তি প্ৰজ্বলন কৰে গৌৰী প্ৰভা চলিহাৰ প্ৰাক্তন ছাত্ৰী ডিব্ৰুগড় ল'ৰাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা লখিমী নেওগে। মাধৱদেৱৰ বিৰচিত এটি বৰগীত পৰিৱেশন কৰে সুগায়িকা নীলিমা বৰদলৈয়ে। সভানেত্ৰীসহ বিশিষ্ট ব্যক্তিসকলক মঞ্চলৈ আহ্বান জনায় সহ সম্পাদিকা মানসী বৰুৱাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদিকা জোনালী খাউণ্ডে। সভানেত্ৰীৰ আদৰণী ভাষণত আৰাধনা দত্তই অগ্ৰগামীৰ গঠনমূলক কামৰ খতিয়ান দাঙি ধৰে আৰু প্ৰয়াত গৌৰী প্ৰভা চলিহাৰ দৰে১৯২১ চনতে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা বি, এ মহলাত গণিতত সৰ্বোচ্চ নম্বৰ লাভ কৰি আশুতোষ মুখাৰ্জী স্বৰ্ণপদকৰ লগতে বছৰটোৰ শ্ৰেষ্ঠ ছাত্ৰৰ স্বৰ্ণপদক লাভ কৰা গৌৰীপ্ৰভাৰ দৰে এগৰাকী বিদুষী নাৰী, আদৰ্শবান শিক্ষয়িত্ৰীক সমাজে পাহৰি পেলোৱাটো অতি হতাশাজনক বুলি অভিমত দিয়ে। অগ্ৰগামীয়ে সেয়েহে গৌৰী প্ৰভাৰ তিনিগৰাকী নাতিনীৰ সৌজন্যত গৌৰীপ্ৰভাই শিক্ষকতা কৰি যোৱা ডিব্ৰুগড় চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত স্কুলখনৰ সমূহ ছাত্ৰীৰ ভিতৰত সৰ্বোচ্চ মূল্যাংক লাভ কৰি উত্তীৰ্ণ হোৱা ছাত্ৰীগৰাকীক শিক্ষাব্ৰতী গৌৰী প্ৰভা সোঁৱৰণী শৈক্ষিক বঁটা প্ৰদান কৰিছে সভাৰ মূল বক্তৃতা প্ৰদান কৰে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উপদেষ্টা বিশিষ্ট লেখিকা ড° ভাৰতী দত্তই। ভাষণত তেওঁ গৌৰী প্ৰভাৰ মেধা, প্ৰশাসনিক দক্ষতা আৰু উৎকৃষ্ট শিক্ষাদান পদ্ধতিৰ কথা উল্লেখ কৰে। গৌৰি প্ৰভা চলিহাৰ চৌত্ৰিছ বছৰ জোৰা শিক্ষাদানৰ কালছোৱাত তেওঁ বহু ভৱিষ্যতৰ আদৰ্শ গৃহিণী, আদৰ্শ ব্যক্তি আৰু সৎ নাগৰিক সৃষ্টি কৰিলে বুলি তেওঁ উল্লেখ কৰে। বিশিষ্ট অতিথি শিশু বন্ধু প্ৰসেনজিৎ কুমাৰ গোস্বামীয়ে আৰাধনা দত্তই ৰচনা কৰা "গৌৰী প্ৰভা" নামৰ গৌৰী প্ৰভা চলিহাৰ এখন চমু জীৱনী উন্মোচন কৰি গ্ৰন্থখনিক বেজবৰুৱাৰ ভাষাৰে কয় গৌৰী প্ৰভা পুথিখনি সৰু কিন্তু সোণৰ। ভৱিষ্যতৰ গৱেষক সকলক এই পুথিখনে যথেষ্ট সহায় কৰিব। এনে এখন পুথি ৰচনা কৰা বাবে তেওঁ লেখিকা আৰাধনা দত্তৰ শলাগ লয়। ৰাধাকৃষ্ণ জুনিয়ৰ কলেজত অধ্যয়ন কৰি থকা পিনাকি শৰ্মাক গৌৰীপ্ৰভা চলিহা সোঁৱৰণী শৈক্ষিক বঁটা/২০২৫ প্ৰদান কৰা হয়। বঁটাত আছে নগদ ধন, স্মাৰক, চাৰ্টিফিকেট আৰু কিতাপ। বঁটা গ্ৰহণ কৰি পিনাকি শৰ্মাই আনন্দ প্ৰকাশ কৰে। এই বঁটাই তেওঁক অধিক ভাল ফলাফল অৰ্জন কৰিবলৈ উৎসাহিত কৰিব বুলিও ছাত্ৰী গৰাকীয়ে কয়। দাতাৰ পৰিয়ালৰ পৰা কাবেৰী চলিহা, ডিব্ৰুগড় লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী সুদক্ষিণা দাস আৰু ৰেণু ফুকনৰ বক্তব্য আগবঢ়ায়। শলাগ জ্ঞাপন কৰে ড° দীপাঞ্জনা দত্ত দাসে।

# সিদলসতী কৈমাৰীত দিন দুপৰীয়াত চুৰি কাৰ্য

**অসম বাৰ্তা, উত্তৰ শালমাৰা, ৮ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী সম জিলাৰ সিদলসতী কৈমাৰী গাঁৱত আজি দুপৰীয়া কমলা কান্ত দাসৰ ঘৰত কোনো মানুহ নথকাৰ সুযোগ লৈ দুৰ্বৃত্তই দৰ্জাৰ তলা ভাঙি ভিতৰত প্ৰৱেশ কৰি প্ৰায় ২লক্ষাধিক টকাৰ সোণৰ অলংকাৰ আৰু নগদ ছয় হাজাৰ টকা লৈ যায়। উক্ত ঘটনা সন্দৰ্ভত কমলা কান্ত দাসে উত্তৰ শালমাৰা আৰক্ষী চকীত খবৰ দিয়ে। আৰক্ষী খবৰ পোৱাৰ লগে লগে ঘটনাস্থলীত উপস্থিত হয় আৰু দুৰ্বৃত্তক কৰায়ত্ত কৰাৰ বাবে তদন্ত অব্যাহত ৰাখিছে।

# কৃষ্ণ জন্মাষ্টমী উপলক্ষে মাজুলীৰ প্ৰীয়াশ্ৰী মেধিৰ কণ্ঠত মুক্তি পালে দৃশ্য শ্ৰাব্য গীত "কাৰাগাৰে গোসাঁই জন্মে"



**অসম বাৰ্তা, উজনী মাজুলী, ৮ ছেপ্টেম্বৰ ঃ** জন্মাষ্টমী বুলিলেই অসমৰ শ্ৰোতা দৰ্শক অধিক আগ্ৰহেৰে বাট চাই থাকে "Zonak The Live Station Foundation" ইউটিউব চেনেললৈ। যিহেতু ২০২০ চনৰে পৰা এই ফাউণ্ডেশ্যনৰ কৰ্মীসকলে প্ৰতি বছৰে এটি ভগৱান শ্ৰীকৃষ্ণৰ গুণানুকীৰ্তন সমৃদ্ধ ভক্তি গীত অসমীয়া সমাজলৈ আগবঢ়ায় দিছে। বিগত বৰ্ষৰ দৰে এইবাৰো মাজুলীৰ শিল্পী প্ৰীয়াশ্ৰী মেধিৰ কণ্ঠত জন্মাষ্টমীৰ আগদিনা অৰ্থাৎ ৩ ছেপ্টেম্বৰ তাৰিখে "কাৰাগাৰে গোঁসাই জন্মে" নামৰ দৃশ্য শ্ৰাব্য এলবামটো মুকলি কৰা হয়। মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ প্ৰেক্ষগৃহত পৰিৱেশ্য কলা বিভাগৰ মুৰব্বী অধ্যাপিকা ড° শ্ৰাবনিকা চাংমাই লগতে বিভাগৰ সমূহ অধ্যাপক-অধ্যাপিকাৰ উপস্থিতিত মন পৰশা উক্ত ভক্তি গীতটো উন্মোচন কৰা হয়। গীতটিৰ কথা লোক শিল্পী পংকজ বৰা। অতিৰিক্ত শব্দ সংযোজন সত্যেন্দ্ৰ নাথ মেধিৰ। গীতটিৰ সুৰ পৰম্পৰাগত। গীতটিৰ সংগীত ব্যৱস্থাপনা কৰিছে অনুৰাগ মেধিয়ে। গীতটোত শিল্পী প্ৰীয়াশ্ৰী মেধি আৰু অসমৰ বিভিন্ন প্ৰান্তৰ কলা কুশলীয়ে অভিনয় কৰিছে। মাজুলীৰ মনোমোহা পৰিৱেশ সমৃদ্ধ পহুমৰা গাৱঁৰ বৰ নামঘৰত আৰু ড্ৰামা শিতানখিনি দৃশ্য গ্ৰহণকৰা হয় খোনাচুকৰ মাধৱদেৱ কৃষ্টিকেন্দ্ৰ ৰঙ্গমঞ্চত। দৃশ্য শ্ৰাব্য গীতটিৰ দৃশ্য গ্ৰহণ আৰু সম্পাদনা কৰে ভাৰ্গৱ প্ৰতীম বৰাই। গীতটিৰ পৰিকল্পনা আৰু পৰিচালনা কৰে দেবাংগৰাজ মেধিয়ে। গীতটিৰ প্ৰযোজনা কৰে মনিমা শইকীয়া মেধি আৰু আকাশ অনুকূল মেধিয়ে। সদ্য মুক্তিপ্ৰাপ্ত গীতটো বৰ্তমান "Zonak the live station YouTube channel"ত উপলব্ধ। সমূহ অসমবাসী ৰাইজলৈ কলা-কুশলী দলৰ পৰা পৰা গীতটো আদৰি লৈ নিজৰ লগতে আন এজনলৈ আগবঢ়াই দি উৎসাহিত প্ৰদানৰ বাবে আহ্বান জনায়। লগতে উঠি অহা থলুৱা শিল্পী সকলক প্ৰেৰণা জগাব বুলি আশাবাদী।

**পথ ভাল হোৱাৰ পাছতো যান-বাহনৰ গতি নিয়ন্ত্ৰণক লৈ প্ৰশ্ন**

# সঘন পথ দুৰ্ঘটনাক লৈ উদ্বিগ্ন ৰাইজ

**অসম বাৰ্তা, দেৰগাঁও, ৮ ছেপ্টেম্বৰ ঃ** দেৰগাঁৱৰ ৰঙামাটিত শেহতীয়াকৈ সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাই অঞ্চলটোৰ ৰাইজৰ মাজত উদ্বেগৰ সৃষ্টি কৰিছে। উল্লেখযোগ্য যে পূৰ্বতে সমগ্ৰ দেৰগাঁও অঞ্চলটোৰ পথৰ অৱস্থা যথেষ্ট বেয়া আছিল যদিও বৰ্তমান পথসমূহ উন্নত আৰু যাতায়াতৰ বাবে সুচল হৈ আছে। এনে পৰিস্থিতিত পথ দুৰ্ঘটনাৰ সংখ্যা বৃদ্ধি পোৱাটোহে এতিয়া ৰাইজৰ বাবে চিন্তাৰ বিষয় হৈ পৰিছে। বিগত কেইবামাহতো দেৰগাঁও অঞ্চলত সংঘটিত কেইবাটাও পথ দুৰ্ঘটনাত বহু পৰিয়ালে আপোনজনক হেৰুৱাবলগীয়া হৈছে। শেহতীয়াকৈ ৰঙামাটিত সংঘটিত দুৰ্ঘটনাই পুনৰ পথ সুৰক্ষাৰ বিষয়টো গুৰুত্বসহকাৰে উত্থাপন কৰিছে। ৰাইজৰ মতে, উন্নত পথত যান-বাহনৰ গতি বৃদ্ধি পোৱাৰ সম্ভাৱনাই দুৰ্ঘটনাৰ আশংকা অধিক বৃদ্ধি কৰিছে। বিশেষকৈ চাৰিআলি, তিনিআলি আৰু জনবহুল স্থানসমূহত গতি নিয়ন্ত্ৰণৰ বাবে অধিক সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজন। কাজিৰঙাৰ দৰে গুৰুত্বপূৰ্ণ পথসমূহত গতি সীমা নিৰ্ধাৰণ আৰু সতৰ্কীকৰণমূলক ফলক স্থাপনৰ আৰ্হিত চাৰিআলি-তিনিআলিৰ পূৰ্বে নিৰ্দিষ্ট দূৰত্বত স্পীড লিমিটৰ ফলক, সতৰ্কীকৰণমূলক চিহ্ন আৰু প্ৰয়োজনীয় যান-বাহন নিয়ন্ত্ৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাইজে দাবী জনাইছে। পথ উন্নত হোৱাৰ পাছত যাতে অতিমাত্ৰা গতি আৰু অসাৱধানতাৰ বাবে পথ দুৰ্ঘটনা বৃদ্ধি নাপায়, তাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষই শীঘ্ৰে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰাটো এতিয়া ৰাইজৰ মূল দাবী।

# নেত্ৰদান পষেক উপলক্ষে কামৰূপ জিলাত ব্যাপক সজাগতা কাৰ্যসূচী

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** নেত্ৰদানৰ প্ৰতি জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে ২৫ আগষ্টৰ পৰা ৮ ছেপ্টেম্বৰলৈ পালন কৰা নেত্ৰদান পষেক উপলক্ষে কামৰূপ জিলাত বিভিন্ন সজাগতা কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। নেত্ৰদান পষেকৰ সৈতে সংগতি ৰাখি জিলাখনৰ বিভিন্ন বি পি এইচ চি (BPHC) পৰ্যায়ত সজাগতা সভা অনুষ্ঠিত কৰাৰ লগতে বেনাৰ প্ৰদৰ্শন আৰু সচেতনতামূলক পুস্তিকা বিতৰণৰ ব্যৱস্থা কৰা হৈছে। এই উপলক্ষে সোমবাৰে আমিনগাঁওস্থিত তুলাৰাম বাফনা জিলা অসামৰিক চিকিৎসালয়ত জিলা পৰ্যায়ৰ এক সজাগতা সভা অনুষ্ঠিত হয়। সভাত কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ উপস্থিত থাকি নেত্ৰদান সম্পৰ্কীয় সজাগতা তৃণমূল পৰ্যায়লৈ অধিক শক্তিশালীভাৱে প্ৰসাৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। জিলা আয়ুক্তগৰাকীয়ে বিশেষকৈ বি পি এইচ চি পৰ্যায়ত ব্যাপক সজাগতা সৃষ্টি কৰাৰ লগতে আশা কৰ্মীসকলৰ মাজতো নেত্ৰদান সম্পৰ্কীয় সচেতনতা বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰে, যাতে আশা কৰ্মীসকলে সমাজৰ তৃণমূল পৰ্যায়লৈ এই মহান মানৱীয় কাৰ্যৰ বাৰ্তা প্ৰচাৰ কৰিব পাৰে। অনুষ্ঠানত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ চকু বিভাগৰ অধ্যাপিকা ডাঃ ভাৰতী দেউৰীয়ে নেত্ৰদানৰ বিভিন্ন বৈজ্ঞানিক দিশৰ ওপৰত এক তথ্যসমৃদ্ধ বক্তব্য আগবঢ়ায়। তেওঁ নেত্ৰদানৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি কয় যে, ইয়াৰ জৰিয়তে কৰ্ণিয়াজনিত অন্ধত্বত ভুগি থকা ব্যক্তিসকলৰ জীৱনলৈ পুনৰ পোহৰ ঘূৰাই আনিবলৈ সহায় কৰিব পৰা যায়। ইয়াৰ উপৰিও নাৰায়ণা চিকিৎসালয়ৰ এম ডি ডাঃ সমৰ দত্তই নেত্ৰদানৰ প্ৰয়োজনীয়তা, ইয়াৰ প্ৰক্ৰিয়া আৰু এই ক্ষেত্ৰত সমাজৰ দায়বদ্ধতাৰ

# মঙ্গলদৈত অনুষ্ঠিত হ'বলগীয়া জীৱন বীমা অভিকৰ্তা সন্থা গুৱাহাটী মাণ্ডলিক পৰিষদৰ ১৩ তম্ ত্ৰি-বাৰ্ষিক অধিৱেশনৰ ব্যাপক প্ৰস্তুতি

**অসম বাৰ্তা, খৈৰাবাৰী, ৮ ছেপ্টেম্বৰ ঃ** ভাৰতীয় জীৱন বীমা অভিকৰ্তা সন্থা গুৱাহাটী মাণ্ডলিক পৰিষদৰ বিষয়ববীয়া আৰু মঙ্গলদৈ শাখাৰ বিষয়ববীয়াৰ লগতে মঙ্গলদৈ শাখাৰ কিছু সংখ্যক সক্ৰিয় সদস্যৰ উপস্থিতিত যোৱা ৫ চেপ্তেম্বৰ ২০২৬ তাৰিখে এখনি বিশেষ সভা অনুষ্ঠিত হয় দিলীপ কুমাৰ চলিহা দেৱৰ সভাপতিত্বত মঙ্গলদৈ প্ৰেছ ক্লাবত অনুষ্ঠিত হোৱা সভাত গুৱাহাটী মাণ্ডলিকৰ ১৩ তম সাধাৰণ অধিৱেশনখনি অহা ইংৰাজী ২১ আৰু ২২নবেম্বৰ ২০২৬ তাৰিখে দুদিনীয়া বৰ্ণাৰ্ধ্য কাৰ্যসূচীৰে মঙ্গলদৈত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। অধিৱেশনখনি সুচাৰুৰূপে পৰিচালনা কৰাৰ উদ্দেশ্যে মঙ্গলদৈ শাখাৰ প্ৰাক্তন সভাপতি, জ্যেষ্ঠ অভিকৰ্তা কৰুণা মোহন দত্ত দেৱক সভাপতি আৰু চি এম ক্লাৱ মেম্বাৰ তথা এম ডি আৰ টি অভিকৰ্তা মিণ্টু কলিতাক সম্পাদক হিচাপে লৈ এখনি শক্তিশালী আদৰণি সমিতি গঠন কৰা হয়। সমিতিখনৰ উপ সভাপতিদ্বয় ক্ৰমে গিৰিছচন্দ্ৰ ডেকা আৰু দিগন্ত পাঠক লগতে সহ সম্পাদকদ্বয় মদন কোৱৰ আৰু উৎপল শৰ্মা ডাঙৰীয়াক নিৰ্বাচিত কৰা হয়। সভাত বহু কেইগৰাকীমান ব্যক্তিয়ে মত ব্যক্ত কৰি বক্তব্য প্ৰদান কৰি উক্ত অধিৱেশনখনি জাক জমকতাৰে পাতিবলৈ সকলোৰে সহায় সহযোগিতা কামনা কৰে।

# উৰিয়ামঘাটৰ অবৈধভাৱে সৰবৰাহ হোৱা বিলাতী সুৰা জব্দ

**অসম বাৰ্তা, সৰুপথাৰ, ৮ ছেপ্টেম্বৰ ঃ** অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটৰ পৰা নাগালেণ্ডলৈ সৰবৰাহ হয় অবৈধভাৱে বিলাতী সুৰা। সোমবাৰে নিশা উৰিয়ামঘাট আৰক্ষীৰ তালাচী অভিযানত জব্দ ৩৫ কাৰ্টোন বিলাতী সুৰা। AS 01 DL 5010 নম্বৰৰ এখন এল্ট' বাহনেৰে নিবলৈ চেষ্টা চলোৱা হৈছিল বিলাতী সুৰা। অসম-নাগালেণ্ড সীমান্তৱৰ্তী উৰিয়ামঘাট অঞ্চলত দীৰ্ঘদিন ধৰি নিষিদ্ধ এলেকালৈ অবৈধভাৱে সুৰা সৰবৰাহ কৰি অহা এক চক্ৰৰ বিৰুদ্ধে সোমবাৰে নিশা উৰিয়ামঘাট আৰক্ষীয়ে এক বিশেষ তালাচী অভিযান চলাই বৃহৎ সফলতা লাভ কৰিবলৈ সক্ষম হয়। গোপন সূত্ৰ অনুসৰি আৰক্ষীৰ এটা দলে উৰিয়ামঘাট থানাৰ সন্মুখৰ পথত নিৰীক্ষণ চলাই থকাৰ সময়তে AS 01 DL 5010 নম্বৰৰ এখন এল্ট' বাহন সন্দেহজনকভাৱে পাৰ হৈ যাবলৈ চেষ্টা কৰোঁতে বাধা দিয়া হয় আৰু তন্ন তন্নকৈ তালাচী চলোৱাত বাহনখনৰ ভিতৰৰ পৰা সৰ্বমুঠ ৩৫ কাৰ্টোন অবৈধ বিলাতী সুৰা উদ্ধাৰ কৰা হয়। প্ৰাথমিক অনুসন্ধানত পোহৰলৈ অহা অনুসৰি, উৰিয়ামঘাটৰ ফৰেষ্ট তিনিআলিত অৱস্থিত এখন সুৰাৰ বিপনীৰ পৰা সৰবৰাহ হৈছিল সুৰাখিনি। চিলনীজান অঞ্চলৰ বাসিন্দা জনৈক চৰেন উপাধীৰ এজন লোকে আৰক্ষীৰ চকুত ধূলি দি চুবুৰীয়া ৰাজ্য নাগালেণ্ডলৈ লৈ যোৱাৰ পূৰ্ণ পৰিকল্পনা কৰিছিল যদিও আৰক্ষীৰ তৎপৰতাত সেই অপচেষ্টা ব্যৰ্থ হয় আৰু সম্প্ৰতি আৰক্ষীয়ে ঘটনাটোৰ গভীৰ তদন্ত অব্যাহত ৰাখিছে।

# প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰথম মহাপ্ৰয়াণ তিথি ৰহাত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন

**অসম বাৰ্তা, ৰহা, ৮ ছেপ্টেম্বৰ ঃ** অসমৰ হিয়াৰ আমঠু, যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰব, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰথম মহাপ্ৰয়াণ তিথি ৰহাত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰিবলৈ ব্যাপক প্ৰস্তুতি চলিছে। মধ্য অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ ৰহা আঞ্চলিক সমিতিৰ উদ্যোগত আৰু শিল্পী কানন ৰহা আঞ্চলিক সমিতিৰ সহযোগত অহা ১৯ আৰু ২০ ছেপ্টেম্বৰ, ২০২৬ তাৰিখে (২ আৰু ৩ আহিন) ৰহা নতুন চাৰিআলি স্থিত ৰহা মহেন্দ্ৰ হাজৰিকা প্ৰেক্ষাগৃহ আৰু ৰহা সৰাগাঁও ৰজাগাঁৱত এই তিথি উদযাপন কৰা হ'ব। আয়োজক সমিতিয়ে আজি ৰহা আঞ্চলিক সাংবাদিক সন্থাৰ কাৰ্য্যলয়ত সংবাদমেল সম্বোধন কৰি জনোৱা অনুসৰি, প্ৰথম দিনা অৰ্থাৎ ১৯ ছেপ্টেম্বৰ শনিবাৰে ৰহা সৰাগাঁও ৰজাগাঁৱত পুৱা ৮ বজাত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অৱক্ষয় মূৰ্তিত বন্তি প্ৰজ্বলন, মাল্যাৰ্পন আৰু পুষ্পাঞ্জলি অৰ্পণেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। ইয়াৰ পিছত পুৱা ৯ বজাত অতিথি সকলৰ একাষাৰ, পুৱা ১০ বজাত ভাগৱত পাঠ, দিনৰ ১১ বজাত নাম প্ৰসঙ্গ আৰু দুপৰীয়া ১ বজাত ৰাইজৰ মাজত প্ৰসাদ বিতৰণ কৰা হ'ব। দ্বিতীয় দিনা অৰ্থাৎ ২০ ছেপ্টেম্বৰ দেওবাৰে মূল অনুষ্ঠান ৰহা মহেন্দ্ৰ হাজৰিকা প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। সেইদিনা পুৱা ৯ বজাত অতিথি সকলক আনুষ্ঠানিকভাৱে চিনাকি আৰু সম্বৰ্ধনা জনোৱা হ'ব। পুৱা ১০ বজাত ৰহা অঞ্চলৰ স্থানীয় সাংবাদিক সকলক জুবিন গাৰ্গৰ স্মৃতিত বিশেষ সম্বৰ্ধনা জনোৱা হ'ব আৰু দিনৰ ১১ বজাৰ পৰা আকৰ্ষণীয় জুবিন গাৰ্গ দেৱৰ নিৰ্বাচিত অসমীয়া গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ নিয়মাৱলী সমূহৰ ভিতৰত প্ৰতিযোগিতা দুটা শাখাত অনুষ্ঠিত হ'ব। 'ক' শাখা নিম্ন শাখা আৰু 'খ' শাখা উচ্চ শাখা। প্ৰতিযোগিতাত কেৱল জুবিন গাৰ্গৰ নিৰ্বাচিত গীতসমূহহে গাব লাগিব। প্ৰতিগৰাকী প্ৰতিযোগীৰ গীত পৰিৱেশনৰ সময় ৪ মিনিটকৈ ধাৰ্য কৰা হৈছে। প্ৰতিযোগী সকলৰ বাবে বাদ্যযন্ত্ৰ সমিতিৰ ফালৰ পৰা যোগান ধৰিব। আয়োজক সমিতিয়ে প্ৰতিযোগিতাৰ বাবে আকৰ্ষণীয় পুৰস্কাৰৰ ব্যৱস্থা কৰিছে। 'ক' শাখাত প্ৰথম পুৰস্কাৰ ৫, ০০১ টকা, দ্বিতীয় ৩০০১ টকা, তৃতীয় ২০০১ টকা আৰু চতুৰ্থ ১০০১ টকাৰ লগতে মানপত্ৰ আৰু বঁটা। একেদৰে 'খ' শাখাত প্ৰথম পুৰস্কাৰ ৭০০১ টকা, দ্বিতীয় ৫০০১ টকা, তৃতীয় ৩০০১ টকা আৰু চতুৰ্থ ২০০১ টকাৰ লগতে মানপত্ৰ আৰু বঁটা প্ৰদান কৰা হ'ব। উক্ত প্ৰতিযোগিতাত অংশ ল'ব বিচৰা ইচ্ছুক প্ৰতিযোগী সকলে ২০ ছেপ্টেম্বৰৰ পুৱা ১১ বজাৰ পৰা থলিতে নাম পঞ্জীয়ন কৰিব পাৰিব। এই ক্ষেত্ৰত সবিশেষ জানিবলৈ 7086156451 আৰু 8011768551 নম্বৰত যোগাযোগ কৰিবলৈ আয়োজক সমিতিয়ে ৰাইজক আহ্বান জনাইছে। আজি সংবাদ মেলত মধ্য অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক ৰাতুল কুমাৰ ৰাজবংশী, ৰহা আঞ্চলিক সমিতিৰ সভাপতি মনোজ ডেকা, সম্পাদক বৃন্দাবন বৰা, সাংগঠনিক সম্পাদক প্ৰবীন ডেকা, সদস্য বাবুল কুমাৰ ৰাজা, লগতে শিল্পী কাননৰ ৰহা আঞ্চলিক সমিতিৰ কাযকৰী সভাপতি পংকজ বৰদলৈ, সম্পাদক ভাস্কৰ পাটৰ সহ সমূহ বিষয়ববীয়া উপস্থিত থাকে।

# বানাক্ৰান্ত বিশেষভাৱে সক্ষম ব্যক্তিক সাহায্য প্ৰদান সামাজিক অনুষ্ঠান 'বঠা'ৰ



**অসম বাৰ্তা, গেলেকী, ৮ ছেপ্টেম্বৰ ঃ** প্ৰলয়ংকৰী বানত বিধ্বস্ত নাজিৰা সমজিলাৰ বানাক্ৰান্ত ৰাইজৰ কাষত থিয় দিছে স্থানীয় সামাজিক অনুষ্ঠান 'বঠা'। বানপীড়িত অঞ্চলসমূহৰ সাধাৰণ ৰাইজৰ লগতে বিশেষভাৱে সক্ষম লোকসকলক বিভিন্ন ধৰণে সহায়ৰ হাত আগবঢ়াই অনুষ্ঠানটোৱে এক প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰিছে। বঠাৰ সদস্যসকলে খাদ্য-সামগ্ৰী, বস্ত্ৰ আৰু বিশেষভাৱে সক্ষম লোকসকলৰ বাবে প্ৰয়োজনীয় বিভিন্ন সামগ্ৰী বিতৰণ কৰাত ভুক্তভোগী ৰাইজ যথেষ্ট উপকৃত হৈছে। আজিলৈকে চলি থকা এই সেৱামূলক কাৰ্যসূচীৰ অংশ হিচাপে ৰেৱতী কপৌহুৱা গাঁৱত থকা 'বঠা'ৰ কাৰ্যালয়ত বানাক্ৰান্ত বিশেষভাৱে সক্ষম লোকসকলৰ বাবে এক বিশেষ সাহায্য বিতৰণ অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত কাৰ্যসূচীত বানাক্ৰান্ত লোকসকলক তুলি, গাৰু, আঁঠুৱা আৰু তেওঁলোকৰ প্ৰয়োজনীয় বিভিন্ন সামগ্ৰী আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। সাহায্য প্ৰদান কাৰ্যসূচীত বঠাৰ তত্ত্বাবধায়ক ফটিক বৰুৱা, সভাপতি প্ৰণৱ গগৈ, শিক্ষাবিদ লাবণ্য গগৈ, অৱসৰপ্ৰাপ্ত সেনা জোৱান প্ৰদীপ গগৈ, সমাজকৰ্মী কুঞ্জ গগৈ, ভাৰতী ফুকন, প্ৰণৱ গগৈ, যোগেশ্বৰ গগৈ আৰু ব্যৱসায়ী গুপী আগৰৱালা তথা বিকাশ চাহুৰ লগতে অনুষ্ঠানটোৰ সদস্যসকল উপস্থিত থাকে। অনাগত দিনতো বানাক্ৰান্ত বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ পুনৰসংস্থাপন আৰু সাহায্যৰ বাবে এনেধৰণৰ পদক্ষেপ অব্যাহত থাকিব বুলি বঠাৰ তত্ত্বাবধায়ক ফটিক বৰুৱাই সংবাদ মাধ্যমৰ আগত সদৰী কৰে।

# আমগুৰি থানাৰ পৰিসীমা হ্ৰাস; প্ৰতিবাদৰ দিশে আমগুৰিবাসী ৰাইজ

**অসম বাৰ্তা, চেলেংহাট, ৮ ছেপ্টেম্বৰ ঃ** আমগুৰি বিধানসভা সমষ্টিৰ বিলুপ্তিৰ পিছত থানা সীমা পুনৰ নিৰ্ধাৰণৰ প্ৰক্ৰিয়াক লৈ আমগুৰিবাসীৰ মাজত সৃষ্টি কৰিছে তীব্ৰ প্ৰতিক্ৰিয়া। অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ নিৰ্দেশনা মতে ৰাজ্যজুৰি চলি থকা এই পুনৰ্গঠন প্ৰক্ৰিয়াৰ অধীনত শিৱসাগৰ জিলাৰ ঐতিহ্যমণ্ডিত আমগুৰি আৰক্ষী থানাখনৰ পৰিসীমাৰ পৰা আমগুৰি পৌৰসভাৰ ১০টা ৱাৰ্ড আৰু ৭খন ৰাজহ গাঁও কাটি পেলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে প্ৰশাসনে। ইয়াৰ ফলত থানাখনৰ প্ৰশাসনিক মৰ্যাদা তথা কাৰ্যক্ষেত্ৰ যথেষ্ট সংকুচিত হ'ব বুলি আশংকা প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। পৌৰসভাৰ অন্তৰ্গত অঞ্চলসমূহৰ আৰক্ষী সেৱা ভৱিষ্যতে হালোৱাটিং আৰক্ষী চকীৰ অধীনলৈ যোৱাৰ কথাও প্ৰকাশ পাইছে। এই পদক্ষেপৰ বিৰুদ্ধে ২৪ জনীয়া আহ্বায়ক সমিতিৰ নেতৃত্বত অহা ৮ ছেপ্টেম্বৰত বিয়লি ৩ বজাত আমগুৰি ৰাজহুৱা ভৱনত এখন বৃহৎ ৰাজহুৱা সভা আহ্বান কৰা হৈছে। আয়োজকসকলে আমগুৰিবাসী ৰাইজৰ সৰ্বাত্মক উপস্থিতি একান্তই কামনা কৰিছে।

## অসমৰ আত্মাক কঢ়িয়াই ফুৰিছিল ভূপেন

মাজলৈ কঢ়িয়াই নিয়াত তেওঁৰ ভূমিকাক বিশেষভাৱে স্মৰণ কৰে। সামাজিক মাধ্যম এক্সত প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে যে ভূপেন হাজৰিকাৰ কণ্ঠত অসমৰ আত্মা আৰু উত্তৰ-পূবাঞ্চলৰ চেতনা বিৰাজ কৰিছিল, আৰু সেই চেতনাকে তেওঁ নিজৰ সংগীতৰ জৰিয়তে সমগ্ৰ দেশত বিস্তাৰ কৰিছিল। প্ৰধানমন্ত্ৰীয়ে কয় যে ভূপেন হাজৰিকাই তেওঁৰ সুৰ আৰু গীতৰ জৰিয়তে অগণন লোকৰ চিন্তা আৰু আত্মাক অতি সাৱলীলভাৱে প্ৰকাশ কৰি মানুহক কাষ চপাই আনিছিল। গত বছৰি গুৱাহাটীত আয়োজিত জন্ম শতবাৰ্ষিকীৰ শুভাৰম্ভণি অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ স্মৃতিও আজি প্ৰধানমন্ত্ৰীয়ে সজীৱভাৱে সোঁৱৰণ কৰে। তেওঁ আত্মবিশ্বাস প্ৰকাশ কৰে যে ভূপেন হাজৰিকাৰ জীৱন আৰু কৰ্মই অহা প্ৰজন্মক সদায় অনুপ্ৰাণিত কৰি থাকিব। ইফালে উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণেও এক্সযোগে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি কয় যে ডঃ ভূপেন হাজৰিকাই তেওঁৰ আত্মস্পৰ্শী সংগীত আৰু শক্তিশালী ৰচনাৰ জৰিয়তে অসম, উত্তৰ-পূবাঞ্চলৰ মনোভাৱ আৰু বিশাল মানৱ অভিজ্ঞতাক ধৰি ৰাখিছিল। তেওঁৰ কালজয়ী সৃষ্টিসমূহে মমতা, সম্প্ৰীতি আৰু ভাৰতৰ বৈচিত্যময় সাংস্কৃতিক পৰম্পৰাৰ একতাক দাঙি ধৰিছে বুলি উপ-ৰাষ্ট্ৰপতিয়ে উল্লেখ কৰে। তেওঁ লগতে কয় যে ভূপেন হাজৰিকাৰ চহকী কলাত্মক উত্তৰাধিকাৰ প্ৰজন্মৰ পিছত প্ৰজন্মৰ মাজত অনুৰণিত হৈ আছে আৰু ভাৰতৰ সাংস্কৃতিক ঐতিহ্যৰ এক চিৰস্থায়ী অংগ হৈ ৰৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও ইংৰাজী আৰু অসমীয়া ভাষাত এক্সত পোষ্ট দিয়ে ভূপেন হাজৰিকাৰ প্ৰতি নিজৰ ভাৱনা প্ৰকাশ কৰে। তেওঁ কয় যে ভূপেনদাৰ সংগীতে অসমীয়া সংস্কৃতিৰ বৈচিত্ৰ্য আৰু সমৃদ্ধিক বিশ্বমঞ্চত প্ৰতিষ্ঠা কৰিছিল, আনহাতে তেওঁৰ গীতৰ কথাই যুগ যুগ ধৰি সমাজক ঐক্যবদ্ধ কৰি ৰখা চিৰন্তন চেতনাক প্ৰতিফলিত কৰিছিল। অমিত শ্বাহে আত্মবিশ্বাস প্ৰকাশ কৰে যে ভূপেন হাজৰিকাৰ অমৰ সৃষ্টিৰাজিয়ে ৰাষ্ট্ৰ নিৰ্মাণৰ সংকল্পক সদা অনুপ্ৰাণিত কৰি থাকিব। কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙেও এই উপলক্ষে শ্ৰদ্ধাঞ্জলি জনাই লিখে যে ভাৰতৰত্ন ডঃ ভূপেন হাজৰিকাজী এগৰাকী উচ্চ সাংস্কৃতিক আইকন আৰু দূৰদৰ্শী ব্যক্তি আছিল, যাৰ কণ্ঠত অসমৰ আত্মা প্ৰতিধ্বনিত হৈছিল আৰু যাৰ সংগীত আৰু গভীৰ মানৱতাবাদে ভাৰতৰ সাংস্কৃতিক ঐতিহ্যক সমৃদ্ধ কৰি তুলিছিল। তেওঁৰ কালজয়ী ৰচনাসমূহে দেশজুৰি মমতা, সম্প্ৰীতি আৰু সামাজিক ন্যায়ৰ আদৰ্শ প্ৰতিফলিত কৰে বুলি ৰাজনাথ সিঙে উল্লেখ কৰে। কেন্দ্ৰীয় মন্ত্ৰী তথা অৰুণাচলৰ সাংসদ কিৰেণ ৰিজিজুৱেও ভূপেন হাজৰিকাক স্মৰণ কৰি কয় যে ডঃ হাজৰিকাৰ সংগীত সুৰতকৈও অধিক আছিল; ই ভাৰতৰ আত্মাক কঢ়িয়াই লৈ ফুৰিছিল। তেওঁৰ কালজয়ী সংগীত আৰু যাদুকৰী কণ্ঠই প্ৰজন্মৰ পিছত প্ৰজন্মক অনুপ্ৰাণিত কৰি আহিছে আৰু আমাৰ হৃদয়ত জীয়াই আছে বুলি কিৰেণ ৰিজিজুৱে অভিমত প্ৰকাশ কৰে। ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেয়ো এই বিশেষ দিনটোত শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ সামাজিক মাধ্যমত লিখে যে কিংবদন্তি 'ব্ৰহ্মপুত্ৰৰ মহাকবি' ভাৰতৰত্ন ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীত আমি এনে এক উত্তৰাধিকাৰ উদযাপন কৰিছোঁ যি প্ৰজন্মৰ পিছত প্ৰজন্মৰ মাজত অনুৰণন ঘটাই আহিছে। এজন মেধাৱী সংগীতজ্ঞ, কবি, গীতিকাৰ আৰু চলচ্চিত্ৰ নিৰ্মাতা হিচাপে অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যত গভীৰভাৱে নিমজ্জিত তেওঁৰ শিল্পই সীমা আৰু ভাষা অতিক্ৰম কৰি মানৱতা, সম্প্ৰীতি আৰু সৰ্বজনীন ভাতৃত্ববোধৰ বাবে এক শক্তিশালী কণ্ঠস্বৰত পৰিণত হয় বুলি খাৰ্গেয়ে উল্লেখ কৰে। অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱেও এক্সযোগে শ্ৰদ্ধাঞ্জলি জনাই কয় যে ডঃ ভূপেন হাজৰিকাৰ সংগীতে অসম আৰু উত্তৰ-পূবাঞ্চলৰ আত্মাক সীমাৰ বহু ওপৰলৈ কঢ়িয়াই লৈ গৈছিল। তেওঁৰ সুৰবোৰে মানৱতা, মৰ্যাদা, সমন্বয় আৰু মানুহ আৰু তেওঁলোকৰ মাটিৰ মাজত থকা গভীৰ বন্ধনৰ কথা কৈছিল বুলি পেমা খাণ্ডুৱে স্মৰণ কৰে। উল্লেখযোগ্য যে ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠান গত বছৰি ৮ ছেপ্টেম্বৰৰ পৰা বছৰজোৰাভাৱে উদযাপিত হৈ আহিছে। সেইদিনা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভূপেন হাজৰিকা সমাধি ক্ষেত্ৰত পুষ্পাৰ্ঘ্য অৰ্পণ কৰি অনানুষ্ঠানিকভাৱে শুভাৰম্ভণি কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা বছৰ ৰ ছেপ্টেম্বৰত আনুষ্ঠানিকভাৱে এই শতবাৰ্ষিকী আৰম্ভ কৰি দিছিল। চৰকাৰী অনুষ্ঠানৰ উপৰি অসম সাহিত্য সভা আৰু সদৌ অসম ছাত্ৰ সন্থাইও বিভিন্ন কাৰ্যসূচীৰে শিল্পীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰি আহিছে। আজি এই বছৰজোৰা উদযাপনৰ সামৰণি পৰিছে, আৰু এই ঐতিহাসিক মুহূৰ্তত গোটেই দেশৰ ৰাষ্ট্ৰীয় নেতাসকলৰ শ্ৰদ্ধাঞ্জলিয়ে সুধাকণ্ঠৰ প্ৰতি থকা অগাধ কৃতজ্ঞতাক পুনৰবাৰ উজ্জ্বল কৰি তুলিছে।

## সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীত

অৰ্পণ কৰে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই। সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত ৰাজ্যপালে কয় যে ভাৰতৰত্ন ভূপেন হাজৰিকাৰ চিন্তাধাৰাক সমাজৰ প্ৰতিটো স্তৰলৈ আগুৱাই নিয়াৰ বাবে সকলোৱে সংকল্পবদ্ধ হ'ব লাগে। তেওঁ উল্লেখ কৰে যে শিল্পীগৰাকীৰ গীতসমূহত প্ৰতিফলিত হোৱা ভাৰতৰ একতা, সংস্কৃতি আৰু মানৱীয় মূল্যবোধে সদায় পথ দেখুৱাই যায়। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই এই উপলক্ষে জানিবলৈ দিয়ে যে বিগত বছৰি ৮ ছেপ্টেম্বৰৰ পৰা ভূপেন দাৰ জন্মশতবাৰ্ষিকী উদযাপন আৰম্ভ কৰা হৈছিল, কিন্তু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ বিয়োগে উদযাপনৰ গতি কিছু ৰখাই দিছিল। সেইবাবে আগন্তুক ৫ নৱেম্বৰলৈ এই শতবাৰ্ষিকী উদযাপন অব্যাহত ৰখাৰ সিদ্ধান্ত লোৱা হৈছে বুলিও তেওঁ কয়। ইপিনে, অন্য এখন বিশেষ অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ভূপেন হাজৰিকা সমন্বয় তীৰ্থত শিল্পীগৰাকীৰ প্ৰতিমূৰ্তিত মাল্য আৰ্পণ কৰি শ্ৰদ্ধা নিবেদন কৰে। পিছত সামাজিক মাধ্যম এক্সত দিয়া পোষ্টত মুখ্যমন্ত্ৰীয়ে লিখে যে ভূপেন হাজৰিকা কেৱল এটা নাম নহয়, তেওঁ অসমৰ প্ৰতিটো প্ৰাণ আৰু হৃদয়ত জীয়াই থকা এক গভীৰ আৱেগ। তেওঁৰ কালজয়ী সংগীত আৰু অৰ্থগভীৰ বাণীয়ে প্ৰজন্মৰ পিছত প্ৰজন্মক অনুপ্ৰাণিত কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে এই প্ৰসংগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পূৰ্বৰ বাৰ্তাৰ কথাও স্মৰণ কৰে। তেওঁ কয় যে বিগত বছৰি প্ৰধানমন্ত্ৰীয়ে ভূপেন হাজৰিকাৰ জন্মশতবাৰ্ষিকীৰ শুভাৰম্ভ কৰি এখন বিশেষ মুদ্ৰাও উন্মোচন কৰিছিল, আৰু সেই শ্ৰদ্ধাঞ্জলিৰ বাৰ্তাই অসমবাসীৰ বাবে গভীৰ আস্থাৰ উৎস হৈ পৰিছে। অহা নৱেম্বৰত নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া সামৰণি অনুষ্ঠানত প্ৰধানমন্ত্ৰীৰ উপস্থিতিৰ বাবে মুখ্যমন্ত্ৰীয়ে অধীৰ আগ্ৰহ প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে ডঃ হাজৰিকাক 'ব্ৰহ্মপুত্ৰৰ মহাকবি' আখ্যা দিয়ে আৰু কয় যে এই বৰ্ষজোৰা উদযাপনে তেওঁৰ অমৰ উত্তৰাধিকাৰক পুনৰ প্ৰতিষ্ঠা কৰিছে। যাৰ কণ্ঠই অসমৰ প্ৰাণ, কাহিনী আৰু সপোনবোৰক নদীৰ পাৰৰ পৰা বহু দূৰলৈ কঞ্জিয়াই লৈ গৈছিল, সেই মহান শিল্পীৰ সংগীত আৰু সাহিত্যই অসমীয়া জাতিৰ মন-প্ৰাণত সদায় অম্লান হৈ থাকিব বুলি মুখ্যমন্ত্ৰীয়ে আস্থা প্ৰকাশ কৰে। শততম জন্মদিন উপলক্ষে ৰাজ্য চৰকাৰ, বিভিন্ন সাংস্কৃতিক প্ৰতিষ্ঠান আৰু স্বেচ্ছাসেৱী সংগঠনে ঠায়ে ঠায়ে অনুষ্ঠানৰ আয়োজন কৰে। দীঘলীপুখুৰীপাৰত সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত শতাধিক লোকে একেলগে 'মানুহে মানুহৰ বাবে' শীৰ্ষক প্ৰিয় গীতটি পৰিবেশন কৰি শিল্পীগৰাকীক স্মৰণ কৰে। লগতে প্ৰধানমন্ত্ৰী মোদীয়ে গত বছৰি ভূপেন হাজৰিকাৰ স্মৃতিত ভাৰতীয় ৰিজাৰ্ভ বেংকে উলিওৱা ১০০ টকীয়া বিশেষ মুদ্ৰা উন্মোচন কৰাৰ কথাও স্মৰণীয়। অহা নৱেম্বৰত ৰাষ্ট্ৰীয় পৰ্যায়ৰ সামৰণি অনুষ্ঠানে এই শতবাৰ্ষিকী উদযাপনক এক স্মৰণীয় মূৰ্তি প্ৰদান কৰিব বুলি আশা ব্যক্ত কৰে মুখ্যমন্ত্ৰীয়ে। ভূপেন হাজৰিকাৰ জন্মশতবাৰ্ষিকী অসমৰ বাবে এক ঐতিহাসিক মুহূৰ্ত। তেওঁৰ সংগীত, সাহিত্য আৰু মানৱীয় দৰ্শনে অসমীয়া জাতিক সদায় অনুপ্ৰাণিত কৰি থাকিব-এই ভাৱনাতে আজিৰ শ্ৰদ্ধাঞ্জলিৰ পৰিৱেশে সুধাকণ্ঠৰ প্ৰতি অসমবাসীৰ আন্তৰিক মমত্ব আৰু কৃতজ্ঞতাক স্পষ্ট প্ৰতিফলিত কৰিছে। ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীৰ উপস্থিতি, ছাত্ৰ সন্থাৰ উদ্যোগ, আৰু ৰাইজৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণে এই দিনটোক এক অপূৰ্ব স্মৃতিৰে সিঞ্চিত কৰি তুলিছে।

## এডভাণ্টেজ আছাম ২.০ৰ বিনিয়োগ

লগতে বিভিন্ন আগশাৰীৰ প্ৰতিষ্ঠানে গ্ৰহণ কৰা প্ৰকল্পসমূহৰ বৰ্তমান স্থিতিও তেওঁ পৰ্যালোচনা কৰে। বৈঠকত মুখ্যমন্ত্ৰী শৰ্মাই সংশ্লিষ্ট কোম্পানীসমূহৰ বিষয়ববীয়াসকলৰ সৈতে বিশদ আলোচনাত মিলিত হয় আৰু প্ৰকল্পসমূহ সময়মতে ৰূপায়ণৰ ক্ষেত্ৰত দেখা দিয়া প্ৰত্যাহ্বান আৰু বাধাসমূহৰ বিষয়ে অৱগত হয়। তেওঁ গুৰুত্ব আৰোপ কৰে যে আন্তঃগাঁথনিগত সমস্যাই বিনিয়োগ প্ৰকল্পসমূহৰ অগ্ৰগতি যাতে বাধাগ্ৰস্ত নকৰে, তাৰ বাবে সোনকালে প্ৰতিকাৰমূলক ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বিশেষকৈ মূল পথৰ পৰা সংশ্লিষ্ট প্ৰকল্পস্থলীলৈ যোৱা পথসমূহ উন্নত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে লোকনিৰ্মাণ (পথ) বিভাগক কঠোৰ নিৰ্দেশ প্ৰদান কৰে। বৈঠকখনত অম্বুজা চিমেণ্ট, ষ্টাৰ চিমেণ্ট, ডালমিয়া চিমেণ্ট, আদানি চিমেণ্ট, এছএনভিএন গ্ৰীন এনাৰ্জী লিমিটেড, হিন্দুজা গ্ৰুপ, গ্ৰেংকো এনাৰ্জী প্ৰাইভেট লিমিটেড, নীপকো আৰু এনএলচি ইণ্ডিয়া ৰিনিৱেলছকে ধৰি কেইবাটাও প্ৰতিষ্ঠানে প্ৰস্তাৱিত প্ৰকল্পৰ পৰ্যালোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে কোম্পানীসমূহে উত্থাপন কৰা বিভিন্ন বিষয় গুৰুত্বসহকাৰে গ্ৰহণ কৰি সংশ্লিষ্ট বিভাগসমূহক দ্ৰুত আৰু সমন্বিতভাৱে প্ৰতিকাৰমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। প্ৰকল্প কাৰ্যকৰীকৰণত থকা বাধাসমূহ দূৰ কৰি প্ৰতিশ্ৰুতিবদ্ধ বিনিয়োগসমূহৰ ক্ষিপ্ৰ বাস্তৱায়নত সহায় কৰিবলৈ তেওঁ বিভাগসমূহক আহ্বান জনায়। প্ৰকল্প ৰূপায়ণত প্ৰভাৱ পেলোৱা সমস্যাসমূহ নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত সমাধান কৰাৰ বাবে চৰকাৰ আৰু বিনিয়োগকাৰীসকলৰ মাজত নিৰন্তৰ যোগাযোগ বজাই ৰখাৰ প্ৰয়োজনীয়তাৰ ওপৰত মুখ্যমন্ত্ৰীয়ে বিশেষ গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে এডভাণ্টেজ আছাম ২.০ৰ অধীনত কৰা বিনিয়োগৰ চুক্তিসমূহ নিৰ্ধাৰিত সময়ত বাস্তৱায়িত কৰি নিয়োগ সৃষ্টি, অৰ্থনৈতিক কাৰ্যকলাপ বৃদ্ধি আৰু অসমৰ জনসাধাৰণৰ বাবে সুস্থিৰ সুযোগ সৃষ্টি কৰাটো চৰকাৰৰ অন্যতম অগ্ৰাধিকাৰ। এই প্ৰকল্পসমূহ সময়মতে কাৰ্যকৰী হ'লে ৰাজ্যখনৰ ঔদ্যোগিকীকৰণৰ গতি ত্বৰান্বিত হোৱাৰ লগতে অসমৰ আৰ্থ-সামাজিক উন্নয়ন অধিক শক্তিশালী হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। বৈঠকখনত উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান আদি বিভাগৰ মন্ত্ৰী বিমল বড়া, মুখ্য সচিব ডঃ ৰবি কোটা, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব ডঃ কে কে দ্বিবেদী আৰু সংশ্লিষ্ট বিভাগসমূহৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। বিনিয়োগকাৰীসকলৰ সৈতে এই ধৰণৰ আন্তঃক্ৰিয়াই অসমলৈ অধিক বিনিয়োগ আকৰ্ষণ কৰাৰ লগতে ৰাজ্যখনৰ উন্নয়নৰ গতি প্ৰখৰ কৰাত সহায়ক হ'ব বুলি আশা কৰা হৈছে। আগন্তুক দিনবোৰত বাস্তৱায়ন প্ৰক্ৰিয়া ত্বৰান্বিত কৰিবলৈ চৰকাৰী প্ৰশাসনে প্ৰয়োজনীয় সকলো পদক্ষেপ ল'ব বুলি মুখ্যমন্ত্ৰী গৰাকীয়ে স্পষ্টীকৰণ দিয়ে।

## ড্ৰাগছ আসক্ত ঘাতক স্বামী ৰামানুজ

দুৰ্ব্যৱহাৰ কৰা পৰিলক্ষিত হয়। উল্লেখযোগ্য যে পৰকীয়া প্ৰেমৰ সন্দেহতে এই হত্যাকাণ্ড সংঘটিত কৰা বুলি ৰামানুজে আগতে স্বীকাৰ কৰিছিল। কিন্তু আজি তেওঁৰ এই নিৰ্বিকাৰ আৰু উগ্ৰ মন্তব্যৰ পাছত গোচৰটোৱে আন এক মাত্ৰা লাভ কৰিছে। ৰামানুজে পত্নীৰ তথাকথিত 'চুগাৰ ডেডী'ক হত্যা কৰাৰো প্ৰত্যক্ষ ভাবুকি দিছে, যাৰ বাবে আৰক্ষীও সতৰ্ক হৈ পৰিছে। অন্যফালে, ৰিয়া তালুকদাৰৰ মৰণোত্তৰ পৰীক্ষা আজি সম্পন্ন হ'ব বুলি জানিবলৈ দিয়া হৈছে। সোমবাৰে ৰিয়াৰ ককায়েক পলমকৈ উপস্থিত হোৱাৰ বাবে মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰা সম্ভৱ নহৈছিল। ইতিমধ্যে প্ৰায় ২৪ ঘণ্টাৰো অধিক সময় পাৰ হৈ যোৱাত ৰিয়াৰ মৃতদেহৰ ডিঙিৰ তলৰ অংশ উৰলিবলৈ আৰম্ভ কৰিছিল, যাৰ বাবে চিকিৎসক মহলো চিন্তিত হৈ পৰিছে। ইফালে, বেলতলাত শুকুৰবাৰে পত্নী ৰিয়াক হত্যা কৰা ৰামানুজ গোস্বামীৰ সন্দৰ্ভত এক বিস্ফোৰক তথ্য পোহৰলৈ আহিছে। চিকিৎসকৰ সূত্ৰত প্ৰকাশ, প্ৰায় ৫ বছৰ ধৰি ড্ৰাগছ আসক্ত ৰামানুজ এগৰাকী HIV পজিটিভ ৰোগী। তেওঁ ৰিহেব চেণ্টাৰত থকা সময়তে তেওঁৰ দেহত এই ৰোগ ধৰা পৰিছিল। আটাইতকৈ গুৰুত্বপূৰ্ণ তথ্যটো হৈছে যে বিয়াৰ পূৰ্বে ৰামানুজে এই কথাটো পত্নী ৰিয়াক অৱগত কৰা নাছিল। হত্যাকাণ্ড সংঘটিত হোৱাৰ কিছুদিন আগতেহে ৰিয়াই স্বামীৰ HIV পজিটিভ থকাৰ বিষয়টো গম পাইছিল বুলি জানিবলৈ দিয়া হৈছে। এই হত্যাকাণ্ডই এতিয়া সামাজিক মাধ্যমকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ৰিয়াৰ পৰিয়াল আৰু স্বজনসকলে ন্যায়ৰ দাবী জনাই উত্তাল হৈ পৰিছে। আনহাতে, ৰামানুজৰ অতীত, মাদকাসক্তি আৰু এইচ আই ভি ৰোগৰ কথা পোহৰলৈ অহাৰ লগে লগে গোচৰটোৰ গতি আন এক দিশে মূৰ ঘূৰাইছে। আৰক্ষীয়ে ৰামানুজক জেৰা অব্যাহত ৰখাৰ লগতে তেওঁৰ স্বাস্থ্য পৰীক্ষা আৰু মনস্তাত্বিক মূল্যায়নৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। অহা দিনবোৰত আদালতৰ কাৰ্যব্যৱস্থা আৰু পৰিয়ালৰ আইনী সংগ্ৰামে এই হৃদয়বিদাৰক ঘটনাটোৰ চূড়ান্ত নিষ্পত্তি নিৰ্ধাৰণ কৰিব।

## প্ৰাদেশিকীকৰণ আঁচনিৰ অধীনত

জয়মাল্য বাগচী আৰু ন্যায়াধীশ ভি মোহনাৰে গঠিত বিচাৰপীঠে ৰাজেশ চৌহান আৰু মাধৱ মুকুন্দ পূজাৰী নামৰ আবেদনকাৰী দুজনৰ দ্বাৰা দাখিল কৰা ৰাজহুৱা স্বাৰ্থজড়িত আবেদন (পিআইএল)ৰ শুনানি কৰি এই নিৰ্দেশ প্ৰদান কৰে। আবেদনকাৰীসকলৰ হৈ জ্যেষ্ঠ অধিবক্তা ৰঞ্জিত কুমাৰে যুক্তি দাঙি ধৰে যে প্ৰাদেশিকীকৰণ আঁচনিটোৱে ন্যায্য, স্বচ্ছ আৰু প্ৰতিযোগিতামূলক নিযুক্তি প্ৰক্ৰিয়া অবিহনে বস্তুনিষ্ঠ চৰকাৰী সেৱাত প্ৰৱেশৰ অনুমতি দিছে, যি সম্পূৰ্ণৰূপে অসাংবিধানিক। আবেদনখনত বিশেষভাৱে অসম শিক্ষা (শিক্ষকৰ সেৱাৰ প্ৰাদেশিকীকৰণ আৰু শিক্ষানুষ্ঠানৰ পুনৰ সংগঠন) আইন, ২০১৭ৰ বিধানসমূহক প্ৰত্যাহ্বান জনোৱা হৈছে। আবেদনকাৰীসকলে দাবী কৰে যে এই আইনে সংসদীয় প্ৰণয় আৰু শিক্ষকৰ যোগ্যতা নিয়ন্ত্ৰণ কৰা বিধিগত নিয়মাৱলীৰ অধীনত নিৰ্ধাৰিত ন্যূনতম অৰ্হতা নথকা ব্যক্তিক প্ৰাদেশিকীকৰণৰ সুবিধা প্ৰদান কৰিছে, যি সংবিধানৰ ১৪ আৰু ১৬ নং অনুচ্ছেদৰ সুস্পষ্ট উলংঘা। এই অনুচ্ছেদসমূহে আইনৰ দৃষ্টিত সকলো নাগৰিকৰ সমতা আৰু ৰাজহুৱা নিয়োগৰ ক্ষেত্ৰত সমান সুযোগৰ নিশ্চয়তা প্ৰদান কৰে। শুনানিৰ সময়ত বিচাৰপীঠে পৰ্যবেক্ষণ কৰে যে প্ৰাদেশিকীকৰণৰ গাঁথনিটোৰ বাবে সংবিধানে প্ৰদান কৰা মৌলিক অধিকাৰসমূহক অগ্ৰাহ্য কৰা হৈছে। আবেদনকাৰীসকলৰ অভিযোগ অনুসৰি, নিৰ্ধাৰিত অৰ্হতা নথকা ব্যক্তিসকলক চৰকাৰী বা প্ৰাদেশিক শিক্ষানুষ্ঠানত শ্ৰেণীকোঠাত শিক্ষা প্ৰদানৰ অনুমতি দিয়াটোৱে শিক্ষাৰ মানদণ্ডকো প্ৰশ্নবিদ্ধ কৰি তোলে। ইয়াৰ উপৰি এই ব্যৱস্থাই শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইন, নেচনেল কাউন্সিল ফৰ টিচাৰ এডুকেশ্যন এক্ট, ১৯৯৩, আৰু ইউনিভাৰ্চিটী গ্ৰাণ্টছ কমিছন এক্ট, ১৯৫৬ৰ দৰে প্ৰযোজ্য আইনী গাঁথনিৰ সৈতেও সাংঘৰ্ষিক বুলি উল্লেখ কৰা হৈছে। এই পৰিস্থিতিত উচ্চতম ন্যায়ালয়ে অন্তৰ্বৰ্তীকালীন ব্যৱস্থা হিচাপে কেইবাটাও গুৰুত্বপূৰ্ণ নিৰ্দেশ প্ৰদান কৰে। প্ৰথমতে, বিষয়টোৰ চূড়ান্ত নিষ্পত্তি নোহোৱালৈকে প্ৰাদেশিকীকৰণ আঁচনিৰ অধীনত কোনো শিক্ষকক বিদ্যালয় বা মহাবিদ্যালয়ত নিযুক্তি দিয়া বা গ্ৰহণ কৰিব নোৱাৰি বুলি কঠোৰভাৱে উল্লেখ কৰে। দ্বিতীয়তে, অসম চৰকাৰক নিৰ্দেশ দিয়ে যে ২০১১ আৰু ২০১৭ চনৰ প্ৰাদেশিকীকৰণ আইনৰ অধীনত ইতিমধ্যে প্ৰাদেশিকীকৃত সকলো ব্যক্তিজনৰ এক বিস্তৃত পৰ্যালোচনা কৰিব লাগিব। এই পৰ্যালোচনাৰ মূল উদ্দেশ্য হ'ব সেই ব্যক্তিসকলৰ প্ৰযোজ্য সংসদীয় আইন আৰু বিধিগত নিয়মাৱলীৰ অধীনত নিৰ্ধাৰিত অৰ্হতা আছেনে নাই সেইটো নিৰূপণ কৰা। আদালতে লগতে স্পষ্টীকৰণ দিয়ে যে এই পৰ্যালোচনা কেৱল অৰ্হতাৰ প্ৰশ্নতে সীমাবদ্ধ থাকিব আৰু আন কোনো দিশত চৰকাৰে হস্তক্ষেপ কৰাৰ প্ৰয়োজন নাই। ইয়াৰ লগতে আবেদনত বিচৰা অনুসৰি, ভৱিষ্যতে চৰকাৰী শিক্ষক পদত সকলো নিযুক্তি কেৱল ন্যায্য, স্বচ্ছ, মেধাভিত্তিক আৰু প্ৰতিযোগিতামূলক প্ৰক্ৰিয়াৰ জৰিয়তে কৰিব লাগে, যাতে সংবিধানৰ ১৪ আৰু ১৬ নং অনুচ্ছেদ আৰু শিক্ষকৰ অৰ্হতা সম্পৰ্কীয় বিধিগত গাঁথনিৰ সম্পূৰ্ণ পালন হয়। আবেদনকাৰীসকলে আদালতৰ ওচৰত এই নিৰ্দেশনাও বিচাৰে যে যিসকল ব্যক্তিৰ নিৰ্ধাৰিত ন্যূনতম অৰ্হতা নাই, তেওঁলোকক চৰকাৰী বা প্ৰাদেশিক শিক্ষানুষ্ঠানত শিক্ষকতা কৰিবলৈ অনুমতি দিয়াৰ পৰা বাধা দিয়া হওক। লগতে ৰাজ্য চৰকাৰক নতুনকৈ কোনো শিক্ষক নিযুক্তি আৰম্ভ কৰা বা অনুমতি দিয়াৰ পৰা বিৰত থাকিবলৈ আদেশ বিচৰা হৈছে। উচ্চতম ন্যায়ালয়ে এই সকলো দিশ বিবেচনা কৰি এতিয়া বিষয়টোৰ গভীৰ শুনানিৰ বাবে স্থগিত ৰাখিছে, আৰু অহা শুনানীত শিক্ষা বিভাগ আৰু ৰাজ্য চৰকাৰে নিজৰ বক্তব্য দাঙি ধৰিব। এই নিৰ্দেশে অসমৰ শিক্ষা ব্যৱস্থাত এক নতুন পৰিস্থিতিৰ সৃষ্টি কৰিছে। প্ৰাদেশিকীকৰণ আঁচনিৰ অধীনত থকা হাজাৰ হাজাৰ শিক্ষক-কৰ্মচাৰীৰ ভৱিষ্যত এতিয়া আদালতৰ এই ঐতিহাসিক ৰায়ৰ প্ৰতিফলনৰ ওপৰত নিৰ্ভৰ কৰিব। ইফালে শিক্ষাৰ মানদণ্ড আৰু শিক্ষকৰ অৰ্হতাৰ প্ৰশ্নটোৱে ৰাজ্যৰ শিক্ষা জগতত নতুন বিতৰ্কৰ সূচনা কৰিছে।

## বাংলাদেশৰ ৰাষ্ট্ৰপতি আলমগিৰক

বাংলাদেশৰ ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ কৰাৰ পিছত আলমগিৰৰ সৈতে ভাৰতীয় উচ্চায়ুক্তৰ এইটোৱেই প্ৰথম সাক্ষাৎ। বংগভৱনত অনুষ্ঠিত এই সাক্ষাৎকালত দুয়ো দেশৰ মাজত থকা সুগভীৰ আৰু বহুমুখী সম্পৰ্কক অধিক শক্তিশালী কৰাৰ উপায় সম্পৰ্কে বিশদ আলোচনা হয়। ভাৰতীয় উচ্চায়ুক্তগৰাকীয়ে সামাজিক মাধ্যমত প্ৰকাশ কৰা পোষ্ট অনুসৰি, এই সাক্ষাৎত তেওঁ বাংলাদেশৰ ৰাষ্ট্ৰপতিগৰাকীক জনসাধাৰণৰ অবিৰত সেৱাত সফলতা কামনা কৰি শুভেচ্ছা জনায়। আলোচনাৰ প্ৰধান বিষয় আছিল ভাৰত আৰু বাংলাদেশৰ মাজত ঐতিহাসিকভাৱে প্ৰতিষ্ঠিত ঘনিষ্ঠ সাংস্কৃতিক সম্পৰ্ক আৰু দুয়ো দেশৰ জনসাধাৰণৰ মাজত থকা শক্তিশালী বন্ধন। লগতে দুয়োখন দেশৰ জনসাধাৰণৰ পাৰস্পৰিক লাভালাভৰ বাবে দ্বিপাক্ষিক অংশীদাৰিত্ব সুদৃঢ় কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। উচ্চায়ুক্ত ত্ৰিবেদীয়ে ৰাষ্ট্ৰপতি আলমগিৰক সাক্ষাৎ কৰাৰ পিছতে বাংলাদেশৰ জাহাজ, ৰেল, পথ পৰিবহণ আৰু দলং মন্ত্ৰী শ্বেখ ৰবিউল আলমৰ সৈতেও এক পৃথক সাক্ষাৎ অনুষ্ঠিত কৰে। এই সাক্ষাৎ অনুষ্ঠানত গড়কাপ্তানী, ঘাইপথ আৰু ৰে'ল বিভাগৰ ৰাজ্যিক মন্ত্ৰী হবিবুৰ ৰছিদো উপস্থিত থাকে। বৈঠকখনত ৰে'লৱে, জাহাজ পৰিবহণ, সংযোগ আৰু দ্বিপাক্ষিক উন্নয়ন প্ৰকল্পৰ সৈতে জড়িত একাধিক পাৰস্পৰিক স্বাৰ্থৰ বিষয়ত দুয়োপক্ষই ফলপ্ৰসূ আলোচনা কৰে। ভাৰতীয় আয়ুক্তালয়ে প্ৰকাশ কৰা মতে, ভাৰত আৰু বাংলাদেশৰ মাজত সংযোগ শক্তিশালী কৰাৰ গুৰুত্বৰ ওপৰত বিশেষ আলোকপাত কৰা হয়, কিয়নো ই অৰ্থনৈতিক সম্পৰ্ক বৃদ্ধি আৰু জনসাধাৰণৰ ঘনিষ্ঠ সম্পৰ্ক গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। উল্লেখযোগ্য যে ২০২৪ চনৰ আগষ্ট মাহত ছাত্ৰ আন্দোলনৰ প্ৰতিবাদৰ ফলত প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাই পদত্যাগ কৰি ভাৰতলৈ পলায়ন কৰাৰ পিছতেই এই বৈঠক অনুষ্ঠিত হৈছে। নতুন দিল্লীয়ে হাছিনাক ৰাজনৈতিক আশ্ৰয় প্ৰদান কৰাৰ পাছতো দুয়োখন চুবুৰীয়া দেশৰ মাজত দ্বিপাক্ষিক সংযোগ বজাই ৰখা আৰু শক্তিশালী কৰাৰ প্ৰচেষ্টা অব্যাহত আছে। ইয়াৰ আগতে কেইটামান সপ্তাহত ত্ৰিবেদীয়ে প্ৰধানমন্ত্ৰী তাৰিক ৰহমানকে ধৰি বাংলাদেশৰ শীৰ্ষ ৰাজনৈতিক নেতাসকলৰ সৈতেও ধাৰাবাহিক বৈঠকত মিলিত হৈ দ্বিপাক্ষিক সম্পৰ্ক গভীৰ কৰাৰ বাবে অনুকূল পৰিৱেশ গঢ়ি তোলাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে। বাংলাদেশৰ ৰাষ্ট্ৰপতি আলমগিৰে এই সাক্ষাৎত ভাৰতৰ সৈতে চলি থকা সম্পৰ্কক অধিক শক্তিশালী আৰু বহনক্ষম কৰি তুলিবলৈ আলোচনাৰ জৰিয়তে সমস্যাসমূহৰ শীঘ্ৰে সমাধানৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ উল্লেখ কৰে যে দুয়ো পক্ষৰ স্বাৰ্থৰ বিষয়সমূহ ন্যায্য আৰু পাৰস্পৰিকভাৱে গ্ৰহণযোগ্য সমাধানত উপনীত হ'লে দুয়োটা জাতিৰ জনসাধাৰণৰ মাজত আস্থা আৰু বিশ্বাস আৰু অধিক বৃদ্ধি পাব। উমৈহতীয়া নদী ব্যৱস্থাপনাক দুয়োখন দেশৰ জনসাধাৰণৰ জীৱন আৰু জীৱিকাৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতি আলমগিৰে ভাৰতক গংগা আৰু তীস্তাকে ধৰি উমৈহতীয়া নদীসমূহৰ পানীৰ ভাগ-বাটোৱাৰাৰ দিশত ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। উচ্চায়ুক্ত দীনেশ ত্ৰিবেদীয়ে এই প্ৰসঙ্গত ৰাষ্ট্ৰপতিগৰাকীক অৱগত কৰে যে ভাৰত চৰকাৰে এই বিষয়ত ইতিবাচক ব্যৱস্থা গ্ৰহণ কৰি আছে। ৰাষ্ট্ৰপতি আলমগিৰে বাংলাদেশে ভাৰতক নিজৰ ঘনিষ্ঠ প্ৰতিবেশী আৰু মূল বাণিজ্য তথা উন্নয়নৰ অংশীদাৰ হিচাপে বিশেষ গুৰুত্ব প্ৰদান কৰে বুলি স্পষ্টভাৱে উল্লেখ কৰে। লগতে সাৰ্বভৌম সমতা, জাতীয় স্বাৰ্থ, মৰ্যাদা আৰু জনকল্যাণ ৰক্ষা কৰাৰ লগতে ভাৰতৰ সৈতে সন্মানজনক, আগন্তুক দৃষ্টিভংগী, পাৰস্পৰিকভাৱে সন্মানজনক আৰু উপকাৰী অংশীদাৰিত্ব গঢ়ি তোলাৰ বাবে বাংলাদেশৰ আগ্ৰহ পুনৰবাৰ প্ৰকাশ কৰে। ভাৰতৰ বিদেশ মন্ত্ৰণালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে সংবাদ মাধ্যমক জানিবলৈ দিয়ে যে এই সাক্ষাৎখন মূলত সৌজন্যৰ ওপৰত আধাৰিত আছিল, যদিও দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশ, দুয়ো দেশৰ মাজত থকা চুক্তি আৰু জনসাধাৰণৰ মাজত সম্পৰ্কৰ বিষয়েও বিস্তাৰিত আলোচনা হয়। আগন্তুক দিনবোৰত কেনেকৈ এই বিশেষ সম্পৰ্কক আগুৱাই নিব পাৰি, তাৰো সন্ধান কৰা হয় এই বৈঠকত। প্ৰধানমন্ত্ৰীৰ অংশগ্ৰহণ সম্পৰ্কীয় প্ৰশ্নৰ উত্তৰত জয়ছৱালে স্পষ্টকৈ কয় যে তেওঁৰ হাতত সেই সম্পৰ্কীয় কোনো তথ্য নাই। সাক্ষাৎখনত সৌজন্যৰ উপৰি দ্বিপাক্ষিক সম্পৰ্কৰ কিছুমান গুৰুত্বপূৰ্ণ দিশৰ ওপৰতো গভীৰ আলোচনা অনুষ্ঠিত হয়।

## নলবাৰীত আলু মূল্য শৃংখলা

বৈঠকৰ মূল আলোচনাৰ বিষয় আছিল আলুৰ মূল্য শৃংখলা অধিক শক্তিশালী কৰা আৰু খেতিয়কসকলে যাতে ন্যায্য মূল্য আৰু অধিক লাভ লাভ কৰে, তাৰ বাবে প্ৰয়োজনীয় কৌশল আৰু আঁচনি প্ৰস্তুত কৰা। উৎপাদনৰ পৰা আৰম্ভ কৰি সংৰক্ষণ, প্ৰক্ৰিয়াকৰণ আৰু শেষত বিপণনলৈকে বিভিন্ন পৰ্যায়ত কৃষকসকলক অধিক সহায় প্ৰদানৰ প্ৰয়োজনীয়তা বৈঠকত গুৰুত্বসহকাৰে উত্থাপন হয়। মত-বিনিময়ৰ সময়ত খেতিয়কসকলে তেওঁলোকৰ দৈনন্দিন সমস্যা আৰু ক্ষেত্ৰীয় প্ৰত্যাহ্বানসমূহ মন্ত্ৰীগৰাকীক অৱগত কৰে। উৎপাদন খৰচ হ্ৰাস, উন্নত বীজৰ যোগান, সময়মতে ঋণৰ সুবিধা, আৰু আলু সংৰক্ষণৰ বাবে প্ৰয়োজনীয় গুদামঘৰৰ অভাৱৰ দৰে বিষয়বোৰ খেতিয়কসকলে মুখ্য আলোচ্য কৰি তোলে। ইয়াৰ উপৰি বজাৰত আলুৰ মূল্যৰ অস্থিৰতা আৰু মজুতদাৰীৰ সমস্যাৰ বিষয়েও তেওঁলোকে গভীৰ উদ্বেগ প্ৰকাশ কৰে। মন্ত্ৰী পীযুষ হাজৰিকাই কৃষকসকলৰ প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ দি স্পষ্টভাৱে কয় যে আলু খেতিয়কসকলৰ উপাৰ্জন বৃদ্ধি কৰিবলৈ উৎপাদনশীলতা বৃদ্ধি, উন্নত সংৰক্ষণ ব্যৱস্থা, প্ৰক্ৰিয়াকৰণ উদ্যোগ স্থাপন, আৰু বজাৰৰ সৈতে শক্তিশালী সংযোগ স্থাপন কৰাটো অতি জৰুৰী। তেওঁ গুৰুত্ব আৰোপ কৰে যে চৰকাৰ, কৃষক আৰু উদ্যোগখণ্ডৰ অংশীদাৰসকলৰ মাজত এক সুদৃঢ় সহযোগিতা গঢ়ি তুলিব পাৰিলেহে আলু খণ্ডটো দীৰ্ঘম্যাদীভাৱে শক্তিশালী হ'ব পাৰিব। তেওঁ কৃষকসকলক আশ্বস্ত কৰে যে চৰকাৰে সোনকালেই আন্তঃগাঁথনি উন্নয়ন, প্ৰক্ৰিয়াকৰণৰ সুবিধা আৰু বজাৰলৈ প্ৰৱেশৰ পথ সুগম কৰিবলৈ কাৰ্যকৰী পদক্ষেপ ল'ব। বৈঠকখনৰ মূল উদ্দেশ্য আছিল আলুৰ সামগ্ৰিক মূল্য শৃংখলাৰ উন্নয়নৰ বাবে এখন দীৰ্ঘম্যাদী ৰূপৰেখা প্ৰস্তুত কৰা। আলু উৎপাদনৰ পৰা আৰম্ভ কৰি প্ৰক্ৰিয়াকৰণৰ জৰিয়তে মূল্য সংযোজন আৰু শেষত বিস্তৃত বজাৰলৈ নিয়া পৰ্যন্ত সকলো দিশ সামৰি লোৱা হয় এই আলোচনাত। পেপচিকোৰ প্ৰতিনিধিসকলে কোম্পানীটোৰ আলু ক্ৰয় নীতি আৰু কৃষকসকলক প্ৰদান কৰিব পৰা সম্ভাব্য সহায়ৰ বিষয়েও মতামত দাঙি ধৰে। অসমৰ আলু খেতিৰ ভৱিষ্যতৰ বাবে এই বৈঠক এক মাইলৰ খুঁটি হিচাপে গণ্য কৰা হৈছে। মন্ত্ৰী হাজৰিকাৰ সক্ৰিয় অংশগ্ৰহণ আৰু কৃষকসকলৰ প্ৰতি থকা সংবেদনশীলতাই খেতিয়কসকলৰ মাজত নতুন আশাৰ সঞ্চাৰ কৰিছে। চৰকাৰ, উদ্যোগ আৰু কৃষকৰ মাজত এই সহযোগিতামূলক প্ৰয়াসে অসমৰ আলু খণ্ডক এক নতুন দিশ দিব বুলি আশা কৰা হৈছে। আগন্তুক দিনবোৰত এই বৈঠকৰ সিদ্ধান্তসমূহ কাৰ্যকৰী ৰূপ দিয়াকে ধৰি আলু খেতিৰ উন্নয়নে এখন নতুন অধ্যায় সূচাব বুলি ৰাজ্যৰ কৃষি মহলই আকাংক্ষা প্ৰকাশ কৰিছে।

## 'দেৱাশিস শৰ্মাই ফ্ৰদ কৰিছে, মূল

মাল্য প্ৰদান কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই শুভ মুহূৰ্ততে তেওঁ ৰাজ্যৰ ৰাজনৈতিক পৰিস্থিতিৰ ওপৰতো গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰে। ইফালে, অহা নগাঁও লোকসভা উপ-নিৰ্বাচনৰ প্ৰসঙ্গ উত্থাপন কৰি গৌৰৱ গগৈয়ে কয় যে কংগ্ৰেছ দল এই নিৰ্বাচনত জয়লাভ কৰিব বুলি সম্পূৰ্ণ আশাবাদী। তেওঁ বিশ্বাস প্ৰকাশ কৰে যে ৰাইজে কংগ্ৰেছৰ প্ৰতি থকা আস্থা পুনৰ প্ৰতিষ্ঠা কৰিব আৰু দলটোৱে ঐতিহাসিক জয় লাভ কৰিব। গগৈয়ে প্ৰাক্তন আয়ুক্ত দেৱাশিস শৰ্মাৰ প্ৰসংগত কঠোৰ মন্তব্য দিয়ে। তেওঁ স্পষ্টভাৱে কয় যে দেৱাশিস শৰ্মাই ফ্ৰদ কৰিছে আৰু যদি তেওঁ নিৰ্বাচন খেলাৰ কথা ভাবিছিল, তেন্তে পূৰ্বৰে পৰা পদত্যাগ কৰি নিৰ্বাচনী ময়দানলৈ অহা উচিত আছিল। গগৈৰ মতে, দেৱাশিস শৰ্মাৰ এই কাৰ্য সম্পূৰ্ণ ভুল, কিন্তু তেওঁ গুৰুত্ব আৰোপ কৰে যে মূল খলনায়ক হৈছে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৰাকীয়ে মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে তেওঁৰ এই কঠোৰ মন্তব্যৰ মাধ্যমেৰে স্পষ্ট কৰি দিয়ে যে ৰাজ্যৰ বৰ্তমানৰ ৰাজনৈতিক পৰিস্থিতি আৰু বিভিন্ন অনিয়মৰ বাবে মুখ্যমন্ত্ৰী নিজেই দায়ী। তেওঁ কংগ্ৰেছ দলে সত্য আৰু ন্যায়ৰ বাবে সংগ্ৰাম কৰি যাব বুলি ঘোষণা কৰে। উল্লেখযোগ্য যে নগাঁও লোকসভা সমষ্টিত আসন্ন উপ-নিৰ্বাচনক লৈ ৰাজ্যৰ ৰাজনৈতিক মহলত ইতিমধ্যে তীব্ৰ চৰ্চা আৰম্ভ হৈছে। কংগ্ৰেছ দলে এই নিৰ্বাচনক নিজৰ পুনৰুত্থানৰ এক গুৰুত্বপূৰ্ণ সুযোগ হিচাপে গণ্য কৰিছে। গৌৰৱ গগৈৰ আজিৰ এই মন্তব্য আৰু ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলিৰ ঘটনাই নগাঁৱত ৰাজনৈতিক উত্তাপ বৃদ্ধি কৰিব বুলি ধাৰণা কৰা হৈছে।

## দিল্লীত মণিপুৰৰ শিল্পী বিক্ৰম

ৰাজনৈতিক মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই নৃশংস ঘটনাৰ পাছতে দিল্লী আৰক্ষীয়ে মঙলবাৰে সাতজন অভিযুক্তক গ্ৰেপ্তাৰ কৰে, আনহাতে উত্তৰ-পূব আৰু মণিপুৰৰ বিভিন্ন সংগঠনে হত্যাকাৰীক উচিত শাস্তি প্ৰদানৰ দাবী জনাই প্ৰতিবাদ সাব্যস্ত কৰে। ঘটনাটোৰ প্ৰেক্ষাপটত বিক্ৰম সিঙৰ পত্নী জোষনা চঙথামে কয় যে তেওঁলোকে কোনো প্ৰতিশোধ নিবিচাৰে, কেৱল ন্যায় বিচাৰে। হত্যাকাৰীসকল যাতে উপযুক্ত শাস্তি পায় তাৰ বাবেই তেওঁলোকৰ সংগ্ৰাম বুলি জোষনাই স্পষ্টভাৱে উল্লেখ কৰে। অন্যহাতে, কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে এই ঘটনাক অতি দুখজনক বুলি অভিহিত কৰি কয় যে দিল্লী আৰক্ষীয়ে ইতিমধ্যে আঠজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। তেওঁ জনায় যে এখন ধাবাৰ কৰ্মচাৰী আৰু ডেলিভাৰী বয়ৰ সৈতে বিক্ৰম সিঙৰ বাক-বিতণ্ডা হয়, আৰু তাৰ পাছতে আঠজন লোকে মিলি মাৰধৰ কৰাত তেওঁৰ মৃত্যু ঘটে। ঘটনাটোৰ দুই সপ্তাহৰ ভিতৰতে আৰক্ষীয়ে শক্তিশালী অভিযোগপত্ৰ দাখিল কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আশ্বাস প্ৰকাশ কৰে। লগতে তেওঁ কয় যে অভিযুক্তসকল ভিন্ন ৰাজ্যৰ লোক, আৰু পলায়নৰ চেষ্টা কৰিলেও আৰক্ষীয়ে তেওঁলোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। ৰিজিজুৱে স্পষ্টকৈ কয় যে এই ঘটনাক লৈ বিভাজনৰ ৰাজনীতি কৰাৰ কোনো প্ৰয়োজন নাই, আৰু উত্তৰ-পূবৰ লোকসকলৰ নিৰাপত্তাৰ ক্ষেত্ৰত কোনো আপোচ কৰা নহ'ব। কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াইও বিক্ৰম সিঙৰ সৈতে হোৱা ঘটনাক অতি দুখজনক বুলি মন্তব্য কৰে আৰু উত্তৰ-পূবৰ প্ৰতিজন নাগৰিকৰ নিৰাপত্তাক লৈ কোনো আপোচ নকৰা বুলি পুনৰব্যক্ত কৰে। ইফালে, ৰাষ্ট্ৰীয় কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেয়ে ঘটনাটোক নিন্দনীয় বুলি আখ্যা দিয়ে আৰু কয় যে দিল্লী শিক্ষাৰ্থীৰ বাবে নিৰাপদ নহয়, মহিলাসকলে প্ৰতিদিনে নিৰ্যাতনৰ সন্মুখীন হয়, উত্তৰ-পূবৰ বাসিন্দাৰ সৈতে বৈষম্য কৰা হয়, আৰু দলিত, আদিবাসী আৰু সংখ্যালঘুসকলে অসুৰক্ষিত অনুভৱ কৰে। তেওঁ কটাক্ষ কৰি কয় যে গৃহমন্ত্ৰী অমিত শ্বাহৰ তত্ত্বাৱধানত দিল্লী অপৰাধৰ ৰাজধানী হৈ পৰিছে। কংগ্ৰেছ সাংসদ প্ৰিয়ংকা গান্ধীয়ে বিক্ৰম সিঙৰ হত্যাকাণ্ডক দেশৰ বাবে অতি দুৰ্ভাগ্যজনক বুলি উল্লেখ কৰি নিন্দা প্ৰকাশ কৰে আৰু দোষীসকলে যাতে উপযুক্ত শাস্তি পায় তাৰ বাবে দিল্লী আৰক্ষীৰ প্ৰতি আহ্বান জনায়। কংগ্ৰেছ নেতা পৱন খেড়াই কঠোৰ মন্তব্য কৰি কয় যে মণিপুৰতো সুৰক্ষা নাই, দিল্লীতো মণিপুৰৰ লোকসকল সুৰক্ষিত নহয়। তেওঁ প্ৰশ্ন উত্থাপন কৰে যে মণিপুৰ আৰু দিল্লীৰ এই ঘটনাৰ প্ৰতি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কিয় মুখ খোলা নাই। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়েও বিক্ৰম সিঙৰ আত্মাৰ শান্তি কামনা কৰে আৰু আশা প্ৰকাশ কৰে যে বিক্ৰমে ন্যায় লাভ কৰিব। মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই উত্তৰ-পূবৰ লোকৰ বাবে এই ঘটনা অতি দুৰ্ভাগ্যজনক বুলি কয়। দিল্লীত এজন মণিপুৰী শিল্পীক নৃশংসভাৱে হত্যা কৰাটো অতি দুখজনক বুলি তেওঁ অভিমত প্ৰকাশ কৰে। মণিপুৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী এন বিৰেন সিঙে সোমবাৰৰ পৰা সামাজিক মাধ্যমত সক্ৰিয়ভাৱে মন্তব্য কৰি আহিছে। তেওঁ কয় যে অতি জনপ্ৰিয় শিল্পী বিক্ৰম সিঙৰ সৃষ্টি সদায় মণিপুৰবাসীয়ে মনত ৰাখিব, কিন্তু এই হত্যাকাণ্ডৰ বাবে দিল্লী আৰক্ষীয়ে কঠোৰ ব্যৱস্থা ল'ব লাগে। উল্লেখযোগ্য যে এই ঘটনাৰ পাছতে দিল্লীকে ধৰি দেশৰ বিভিন্ন প্ৰান্তত উত্তৰ-পূবৰ সংগঠনসমূহে প্ৰতিবাদ প্ৰদৰ্শন কৰিছে। সামাজিক মাধ্যমতো এই হত্যাকাণ্ডৰ বিৰুদ্ধে ক্ষোভৰ প্ৰকাশ ঘটি আছে। আৰক্ষীৰ গ্ৰেপ্তাৰ প্ৰক্ৰিয়া আৰু আদালতৰ কাৰ্যব্যহাৰে আগন্তুক দিনবোৰত এই গোচৰটোৰ গতি নিৰ্ধাৰণ কৰিব বুলি ধাৰণা কৰা হৈছে।

## বানপানী আৰু লোকপিয়লৰ বাবে

ডাঃ পেগুৱে নিজৰ এক্স পোষ্টত কয় যে শেহতীয়া বানপানীৰ বিপৰ্যয় আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তত চলি থকা লোকপিয়লৰ কাম-কাজৰ পৰিপ্ৰেক্ষিততে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। বিশেষকৈ উজনি অসমৰ চৰাইদেউ, শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট জিলাত সৃষ্টি হোৱা ভয়াবহ আকস্মিক বানৰ ফলত বিদ্যালয়বোৰত শিক্ষাদান প্ৰক্ৰিয়া যথেষ্ট বাধাগ্ৰস্ত হৈছিল। সেইবাবে নিয়মীয়া পাঠদান সম্পূৰ্ণ কৰিবলৈ সময়সীমা বঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে দশম শ্ৰেণীৰ নিয়মীয়া পাঠ্যক্ৰম আগন্তুক ২০২৭ চনৰ ২২ ফেব্ৰুৱাৰীলৈ আৰু দ্বাদশ শ্ৰেণীৰ পাঠ্যক্ৰম ৮ মাৰ্চলৈ অব্যাহত থাকিব। এই নতুন সময়সূচী অনুযায়ী হাইস্কুল শিক্ষান্ত (HSLC) আৰু উচ্চতৰ মাধ্যমিক (HS) চূড়ান্ত পৰীক্ষাৰ তাৰিখ নিৰ্ধাৰণ কৰা হ'ব। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে জাৰি কৰা আনুষ্ঠানিক জাননীত কোৱা হৈছে যে বানপানীৰ দৰে প্ৰাকৃতিক দুৰ্যোগ আৰু লোকপিয়লৰ গুৰুত্বপূৰ্ণ কাম-কাজৰ বাবে যথাসময়ত পাঠ্যক্ৰম সম্পূৰ্ণ নোহোৱাৰ আশংকা অতিশয় বেছি। পৰিষদৰ জাননীত উল্লেখ আছে যে ২০২৭ চনৰ ফেব্ৰুৱাৰীৰ প্ৰথম সপ্তাহৰ ভিতৰত দশম শ্ৰেণীৰ আৰু ২৮ ফেব্ৰুৱাৰীৰ ভিতৰত দ্বাদশ শ্ৰেণীৰ পাঠ্যক্ৰম শেষ হোৱা সম্ভৱ নহয়। সেয়ে সংশ্লিষ্ট সকলোকলৈ নতুন সময়সীমাৰ বিষয়ে অৱগত কৰি পৰীক্ষাৰ সময়সূচী পুনৰ নিৰ্ধাৰণ কৰিবলৈ শিক্ষা বিভাগে পদক্ষেপ গ্ৰহণ কৰিছে। দশম শ্ৰেণীৰ পাঠদান ২২ ফেব্ৰুৱাৰী ২০২৭লৈ আৰু দ্বাদশ শ্ৰেণীৰ পাঠদান ৮ মাৰ্চ ২০২৭লৈ বঢ়োৱা হৈছে, আৰু তাৰ পিছত পৰীক্ষা অনুষ্ঠিত কৰা হ'ব। ৰাজ্যৰ শিক্ষা মহলত এই সিদ্ধান্তক স্বাগত জনোৱা হৈছে। কাৰণ বিপৰ্যয় পৰিস্থিতিত ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ ক্ষতি নোহোৱাকৈ যথেষ্ট সময় দি পাঠ্যক্ৰম শেষ কৰি পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সুযোগ দিয়া হৈছে। অন্যহাতে অভিভাৱকসকলেও এই পদক্ষেপক যুক্তিসংগত বুলি মত প্ৰকাশ কৰিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ ঘোষণাৰ লগে লগে আগন্তুক পৰীক্ষাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে অতিৰিক্ত সময় পাই নতুনকৈ প্ৰস্তুতি চলাব পাৰিব। অহা কেইদিনমানৰ ভিতৰতে পৰিষদে পৰীক্ষাৰ নিৰ্দিষ্ট সময়সূচী প্ৰকাশ কৰিব বুলি আশা কৰা হৈছে।

## নগাঁৱৰ উপ-নিৰ্বাচনৰ পূৰ্বে

কয় যে যোৱা তিনিটা দশকৰো অধিক সময় ধৰি তেওঁ অসম চৰকাৰৰ এজন চৰকাৰী চাকৰিয়াল হিচাপে কৰ্মৰত আছিল। এই দীঘলীয়া কাৰ্যকালত তেওঁ যিমান পাৰিছে সাধাৰণ ৰাইজৰ সেৱা কৰিছে বুলি উল্লেখ কৰে। চৰকাৰী সেৱাৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিছত তেওঁ ৰাজনৈতিক কেৰিয়াৰ আৰম্ভ কৰিবলৈ বিজেপিক বাছি লোৱাৰ কথাও সদৰি কৰে। বিজেপি দলত যোগদান কৰি দেৱাশিস শৰ্মাই কয় যে তেওঁৰ বিজেপিৰ ওপৰত অগাধ বিশ্বাস আছে। এই দলটোৱে উন্নয়ন আৰু জাতীয়তাবাদৰ আদৰ্শক প্ৰাধান্য দিয়ে, যাৰ বাবে তেওঁ দলটোত যোগ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। তেওঁ লগতে স্পষ্টীকৰণ দিয়ে যে নগাঁও লোকসভা সমষ্টিৰ পৰা দলটোৱে তেওঁক টিকট প্ৰদান কৰিব বুলি আশা কৰিয়েই তেওঁ বিজেপিত যোগদান কৰা নাই। দলে যিধৰণে নিৰ্দেশ দিয়ে, তেওঁ সেই অনুসাৰে কাম কৰি যাব আৰু দলৰ যিকোনো সিদ্ধান্তকে আন্তৰিকতাৰে গ্ৰহণ কৰিব বুলিও তেওঁ কয়। উল্লেখযোগ্য যে নগাঁও লোকসভা সমষ্টিৰ প্ৰাক্তন জিলা আয়ুক্ত গৰাকী চৰকাৰী চাকৰিৰ সময়ছোৱাত তেওঁৰ কাৰ্যক্ষমতা আৰু জনমুখী সেৱাৰ বাবে সুপৰিচিত আছিল। তেওঁৰ এই ৰাজনৈতিক পদক্ষেপক লৈ ৰাজ্যৰ ৰাজনৈতিক মহলত ইতিমধ্যে বিভিন্ন ধৰণৰ বিশ্লেষণ আৰম্ভ হৈছে। কংগ্ৰেছ দলৰ পৰা বিজেপিলৈ এই যোগদান ঘটিও নাই, কিয়নো তেওঁ সম্প্ৰতি কোনো ৰাজনৈতিক দলৰ সদস্য নাছিল। অৱশ্যে নগাঁও উপ-নিৰ্বাচনৰ প্ৰাকক্ষণত এই যোগদানে বিজেপি দলটোক সংগঠনিকভাৱে সুবিধা প্ৰদান কৰিব বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে। বিজেপিৰ নগাঁও জিলা সভাপতি আৰু অন্যান্য নেতাসকলে দেৱাশিস শৰ্মাক দলত স্বাগতম জনাইছে আৰু তেওঁৰ অভিজ্ঞতাৰ পৰা দলটো লাভৱান হ'ব বুলি আশ্বাস প্ৰকাশ কৰিছে। আনহাতে কংগ্ৰেছ দলে এই যোগদানক কোনো প্ৰতিকূল পৰিস্থিতি বুলি গণ্য নকৰে বুলি সূত্ৰই জনাইছে। আগন্তুক দিনবোৰত দেৱাশিস শৰ্মাৰ ৰাজনৈতিক ভূমিকা আৰু দলৰ নিৰ্দেশত তেওঁৰ কাৰ্যপন্থাই নগাঁও উপ-নিৰ্বাচনৰ পৰিস্থিতি কেনেকৈ প্ৰভাৱিত কৰে-তাৰ প্ৰতি সমগ্ৰ ৰাজ্যই দৃষ্টি ৰাখিব বুলি ধাৰণা কৰা হৈছে।

## ছিংগাপুৰৰ য়ট পাৰ্টিৰ প্ৰত্যক্ষ সাক্ষী

প্ৰৱাসী অসমীয়া পৰীক্ষিত শৰ্মাইও আদালতত সাক্ষ্য দিছিল। সুস্মিতা গোস্বামী জুবিন গাৰ্গৰ মৃত্যুৰ লগত জড়িত সেই য়ট পাৰ্টিত উপস্থিত থকা প্ৰত্যক্ষ সাক্ষীসকলৰ অন্যতম। ছিংগাপুৰত অধ্যয়নৰত অৱস্থাত তেওঁক ইতিপূৰ্বে চি আই ডি আৰু SIT-য়ে সাক্ষ্য দিবলৈ মাতিছিল। আজি ফাষ্ট ট্ৰেক আদালতত তেওঁৰ সাক্ষ্যয়ে গোচৰটোৰ বহু দিশ স্পষ্ট কৰিব বুলি ধাৰণা কৰা হৈছে, কাৰণ জুবিন গাৰ্গৰ অন্তিম মুহূৰ্তত কি ঘটিছিল তাৰ প্ৰত্যক্ষ দৃষ্টান্ত তেওঁৰ চকুৰ সন্মুখত ঘটিছিল। সুস্মিতা গোস্বামীৰ সাক্ষ্যয়ে গোচৰটোৰ গতি নিৰ্ধাৰণ কৰিব বুলি আশা কৰা হৈছে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ পিছত পৰিয়াল আৰু অসমবাসীৰ দীৰ্ঘদিনীয়া ন্যায়ৰ প্ৰত্যাশা এতিয়া ফাষ্ট ট্ৰেক আদালতৰ বিচাৰ প্ৰক্ৰিয়াত কেন্দ্ৰীভূত হৈ পৰিছে। আগন্তুক দিনবোৰত আদালতে অধিক সাক্ষীৰ সাক্ষ্য গ্ৰহণ কৰি গোচৰটোৰ চূড়ান্ত নিষ্পত্তিৰ ফালে আগবাঢ়িব বুলি ধাৰণা কৰা হৈছে।

## শ্বিলঙত মন্ত্ৰী অতুল বৰা

অংশগ্ৰহণ কৰে। অসমৰ পৰা ৭টা আৰু মেঘালয়ৰ পৰা ৫টা পৰিবহণ সংগঠনে নিজ নিজ সমস্যা আৰু দাবীসমূহ উপস্থাপন কৰে। আলোচনাৰ মূল বিষয় আছিল পৰ্যটক বাহনৰ বাবে কোনো ধৰণৰ বাধা নোহোৱাকৈ নাগৰিকসকলৰ সুৰক্ষা, নিৰাপত্তা আৰু মুক্ত চলাচল নিশ্চিত কৰা। দুয়োখন ৰাজ্যৰ প্ৰতিনিধিসকলে স্পষ্টভাৱে মত পোষণ কৰে যে এই বিষয়বোৰে সৰ্বোচ্চ অগ্ৰাধিকাৰ লাভ কৰিব লাগে। উক্ত বৈঠকত বিশেষকৈ বিনামূলীয়াকৈ ঘূৰি ফুৰাৰ সুবিধা, পাৰ্কিঙৰ সমস্যা দূৰ কৰা, উপযুক্ত শৌচাগাৰ স্থাপন আৰু আৰক্ষীৰ তালাচী সম্পৰ্কীয় সমস্যাৰ বিষয়ত দুয়োপক্ষৰ মাজত সন্মতি গঠন হয়। ভুল বুজাবুজি প্ৰতিৰোধ আৰু উদ্ভৱ হ'ব পৰা যিকোনো সমস্যাৰ সময়োচিত সমাধানৰ বাবে অব্যাহত সমন্বয় আৰু ক্ষিপ্ৰ হস্তক্ষেপৰ গুৰুত্বৰ বিষয়েও দুয়োপক্ষই একমত হয়। ইয়াৰ উপৰি ১৯ আগষ্টৰ ঘটনাৰ পাছত টেক্সি চালকসকলে উত্থাপন কৰা বিভিন্ন দাবীৰ বিষয়েও বিশদ আলোচনা কৰি কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ পাছত যুটীয়াভাৱে সংবাদমেল সম্বোধন কৰি মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰী এছ ধৰে কয় যে অসম চৰকাৰে মেঘালয়ৰ পৰিবহণ সংগঠনসমূহে দিয়া বিমানবন্দৰত পাৰ্কিং আৰু শৌচাগাৰৰ ব্যৱস্থা সম্পৰ্কীয় দাবীসমূহ সমাধান কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। লগতে দুয়োখন ৰাজ্যৰ আৰক্ষীয়ে তালাচীৰ নামত চলোৱা অত্যাচাৰৰ অভিযোগ সমাধানৰ বাবে একত্ৰিতভাৱে কাম কৰিব বুলিও তেওঁ স্পষ্টকৈ উল্লেখ কৰে। অসমৰ মন্ত্ৰী অতুল বৰাই কয় যে মুখ্যমন্ত্ৰীৰ নিৰ্দেশত চচ আগষ্টত অনুষ্ঠিত পূৰ্ববৰ্তী বৈঠক আৰু তাত লোৱা সিদ্ধান্তৰ পাছতে প্ৰতিবাদ প্ৰত্যাহাৰ কৰা হৈছিল। এতিয়া দুয়োখন ৰাজ্যৰ মাজত সম্পূৰ্ণ শান্তি বিৰাজ কৰিছে আৰু সকলো পক্ষই সন্তুষ্ট। দুয়োখন ৰাজ্যই যিকোনো সমস্যাৰ সন্মুখীন হ'লে একেলগে কাম কৰিব লাগে বুলিও মন্ত্ৰী বৰাই গুৰুত্ব আৰোপ কৰে। ১৯ আগষ্টৰ এই ঘটনাৰ পাছত অসম-মেঘালয়ৰ মাজত সৃষ্টি হোৱা উত্তেজনা এতিয়া বৈঠকৰ সিদ্ধান্তসমূহ কাৰ্যকৰীভাৱে ৰূপায়ণ কৰাৰ জৰিয়তে সম্পূৰ্ণৰূপে মীমাংসা হোৱাৰ পথত আগবাঢ়িছে। দুয়োখন ৰাজ্যৰ চৰকাৰে নাগৰিকৰ সুৰক্ষা আৰু পৰ্যটন শিল্পৰ প্ৰসাৰৰ প্ৰতি থকা প্ৰতিশ্ৰুতি পুনৰবাৰ দোহাৰিছে। আগন্তুক দিনবোৰত এই বৈঠকৰ সিদ্ধান্তসমূহ কাৰ্যকৰী ৰূপ দিয়াকে ধৰি অসম-মেঘালয়ৰ মৈত্ৰীপূৰ্ণ সম্পৰ্ক আৰু অধিক সুদৃঢ় হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে।

# শিক্ষক দিৱস উপলক্ষে জ্যেষ্ঠ শিক্ষাগুৰু আব্দুল কাদিৰক সম্বৰ্ধনা সাংবাদিক ছাইদুল ইছলামৰ

**অসম বাৰ্তা, তেজপুৰ সদৰ, ৮ ছেপ্টেম্বৰ ঃ** শিক্ষক দিৱস শিক্ষাগুৰু সকলৰ উৎসৰ্গিত এটি দিন। মহান দাৰ্শনিক, শিক্ষাবিদ ভাৰতবৰ্ষৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ভাৰতৰত্ন ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিন দিনটো সমগ্ৰ দেশজুৰি শিক্ষক দিৱস হিচাপে পালন কৰি শিক্ষাগুৰুক ত্যাগক স্মৰণ কৰি শ্ৰদ্ধা ভক্তি জনোৱা হয়। তেজপুৰৰ যুৱ সাংবাদিক তথা তেজপুৰ সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক ছাইদুল ইছলামে বিগত কেইবা বছৰ ধৰি শিক্ষক দিৱসৰ পৱিত্ৰ দিনটোত অশেষ ত্যাগ কষ্ট কৰি জ্ঞানৰ জ্যোতিৰে শিক্ষাৰ্থীৰ জীৱন আলোকিত কৰি মানৱ সম্পদ গঢ় দিয়াত অৰিহণা যোগোৱা জ্যেষ্ঠ শিক্ষাগুৰু সকলক সম্বৰ্ধনা জনাই আশিস গ্ৰহণ কৰি আহিছে এই বছৰো ব্যতিক্ৰম নহয়। কালি শিক্ষক দিৱসৰ পৱিত্ৰ দিনটোত তেজপুৰ চহৰৰ নিকটৱৰ্তী গোটলং গাঁৱৰ জ্যেষ্ঠ শিক্ষক আব্দুল কাদিৰক তেখেতৰ বাসগৃহত উপস্থিত হৈ সম্বৰ্ধনা জনোৱাৰ লগতে তেখেতৰ স্বাস্থ্যৰ বুজ লয় আৰু আশিস গ্ৰহণ কৰে। গোটলং গাঁৱৰ প্ৰথম প্ৰাথমিক শিক্ষাৰ প্ৰতিষ্ঠান ১৯৩৭ চনত স্থাপিত গোটলং প্ৰাথমিক বিদ্যালয়ৰ সেই সময়ৰ প্ৰধান শিক্ষক কাজিমুদ্দিন আহমেদ আৰু ফয়জান বিবিৰ পুত্ৰ আব্দুল কাদিৰ ১৯৫০ চনৰ ০১ অক্টোবৰ তাৰিখে জন্মগ্ৰহণ কৰে। গোটলং প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা সাং কৰি ভোজখোৱা চিৰাজীয়া মধ্য ইংৰাজী মাদ্ৰাছা(বৰ্তমানৰ বিদ্যালয়)ৰ পৰা মাধ্যমিক শিক্ষা গ্ৰহণ কৰে। পিছলৈ পাঁচমাইল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ দৰং মহাবিদ্যালয়ৰ পৰা দৰ্শন বিষয়ত অনাৰ্ছ সহ স্নাতক ডিগ্ৰী লাভ কৰে। অতি মেধাৱী আব্দুল কাদিৰ বহু দিন বিভিন্ন বিদ্যালয়ত বিনা বেতনে শিক্ষক হিচাপে সেৱা আগবঢ়োৱাৰ পিছত ১৯৭১ চনৰ ০৭ এপ্ৰিল তাৰিখে পাঁচমাইলত অৱস্থিত টেঙাবস্তি বালক প্ৰাথমিক বিদ্যালয় (বৰ্তমানৰ জাকিৰ হুছেইন প্ৰাথমিক বিদ্যালয়) ত সহকাৰী শিক্ষক হিচাপে চৰকাৰী ভাৱে নিযুক্তি লাভ কৰে। ১৯৭৪ চন পৰ্য্যন্ত তাত শিক্ষকতা কৰাৰ পিছত সেই বৰ্ষতে গোটলং প্ৰাথমিক বিদ্যালয়ত যোগদান কৰে। প্ৰায় ছয় বছৰ কাল গোটলং প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰাৰ পিছত ১৯৮০ চনত ২ নং উৰিয়ামগুৰি প্ৰাথমিক বিদ্যালয়লৈ বদলি হয়। কিছুদিন তাত শিক্ষকতা কৰাৰ পিছত ১৯৮২ চনত বাটামাৰী প্ৰাথমিক বিদ্যালয়লৈ বদলি হয়। তাত সুকলমে ২ বছৰমান শিক্ষকতা কৰাৰ পিছত ভোমোৰাগুৰি প্ৰাথমিক বিদ্যালয়লৈ বদলি হয়। সেই বৰ্ষৰে ১৯৮৪ চনত তাৰ পৰা বদলি হৈ সূৰ্য্যোদয় প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষক হিচাপে যোগদান কৰে। নতুনকৈ স্থাপিত হোৱা সূৰ্য্যোদয় প্ৰাথমিক বিদ্যালয়ত অতি কম পৰিমাণৰ ছাত্ৰ-ছাত্ৰীৰে আৰম্ভ হোৱা বিদ্যালয়ত শিক্ষক আব্দুল কাদিৰৰ একান্ত প্ৰচেষ্টাত প্ৰায় ৭০০ লৈকে বৃদ্ধি পাইছিল ছাত্ৰ ছাত্ৰীৰ সংখ্যা। গোটলং দোলাবাৰী অঞ্চলৰ শিশু সকলৰ প্ৰাথমিক শিক্ষা প্ৰদানৰ ক্ষেত্ৰত শিক্ষক আব্দুল কাদিৰে উল্লেখযোগ্য ভূমিকা পালন কৰিছিল। বহু ঘাত প্ৰতিঘাতৰ মাজেৰে চাকৰি জীৱনত কোনো ধৰণৰ বদনাম নোহোৱাকৈ বহু মানৱ সম্পদ গঢ় দি জিলা পৰ্য্যায়ৰ কৃতি শিক্ষকৰ অভিধাৰে বিভূষিত হৈ ২০১০ চনৰ ৩০ ছেপ্টেম্বৰ তাৰিখে অৱসৰ গ্ৰহণ কৰে। অৱসৰ গ্ৰহণ কৰিও চৰকাৰী বিভিন্ন দায়িত্ব পালন কৰি সামাজিক দায়বদ্ধতাৰ পৰিচয় দাঙি ধৰিছে শিক্ষক আব্দুল কাদিৰে। যুৱ সাংবাদিক ছাইদুল ইছলামে সম্বৰ্ধনা জনাই কয় যে শিক্ষাগুৰু সকল সমাজ গুৰি ধৰোঁতা, শিক্ষাগুৰু সকলৰ ত্যাগ অবিহনে সমাজৰ সৰ্বাংগীণ উন্নয়ন সম্ভৱ নহয়। শিক্ষা গুৰু সকলৰ ত্যাগ কষ্টক আমি সুঁৱৰি তেওঁলোকে দেখুওৱা পথত চলাটো আমাৰ সামাজিক দায়িত্ব। আজি ছাৰক সম্বৰ্ধনা জনাই আশিস গ্ৰহণ কৰি নিজকে ধন্য মানিছোঁ।

# গুৰুজনাৰ এক শৰণ নাম ধৰ্ম আৰু কৃষ্টি সংস্কৃতি প্ৰচাৰেৰে উত্তৰ প্ৰদেশত মথুৰা-বৃন্দাৱন মহোৎসৱ

**অসম বাৰ্তা, বৰপেটাসদৰ, ৮ ছেপ্টেম্বৰ ঃ** শ্ৰীশ্ৰীশঙ্কৰদেৱ-মাধৱদেৱ গবেষণা আৰু বিকাশ কেন্দ্ৰৰ উদ্যোগত তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে উত্তৰ প্ৰদেশৰ মথুৰা জিলাৰ নাউগাঁৱত অহা ৩, ৪ আৰু ৫ অক্টোবৰত জগৎগুৰু শ্ৰীশ্ৰী শঙ্কৰদেৱ আৰু মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱৰ একশৰণ নাম ধৰ্ম আৰ বৈভৱ কৃষ্টি সংস্কৃতি প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে মথুৰা-বন্দাবন মহোৎসৱৰ আয়োজন কৰা হৈছে। এই মহোৎসৱত জগৎগুৰু শ্ৰীশ্ৰী শঙ্কৰদেৱ আৰু মাধৱদেৱৰ একশৰণ নামধৰ্মৰ গুণ-গৰিমা তথা বৈষ্ণৱ কৃষ্টি সংস্কৃতিৰ প্ৰসাৰ আৰু প্ৰচাৰৰ ব্যৱস্থা কৰা হৈছে। তৃতীয় বৰ্ষৰ বাবে অনুষ্ঠিত হ'ব লগীয়া এই মহোৎসৱত বৈষ্ণৱ কৃষ্টি সংস্কৃতিৰ প্ৰচাৰৰ বাবে অসমৰ বিভিন্ন স্থানৰ পৰা ভকত বাপ আৰু বহু কেইজন সত্ৰীয়া শিল্পী সমন্বিতে দুশজনীয়া দল এটাই অংশ গ্ৰহণ কৰিব। কাৰ্যসূচী অনুসৰি অহা ৩ অক্টোবৰত অসমৰ পৰা যোৱা দলটিয়ে গোৱৰ্দ্ধন, বৰছলা, নন্দগাওঁ, বৃন্দাবন আদিত অৱস্থিত শ্ৰীকৃষ্ণৰ গুন গৰিমা বিজড়িত ধৰ্মীয় স্থান দৰ্শন কৰি তাত বৈষ্ণৱ ধৰ্মৰ কৃষ্টি সংস্কৃতি প্ৰদৰ্শন কৰিব। ৪ অক্টোবৰত অসমৰ পৰা যোৱা দলটিয়ে উত্তৰ প্ৰদেশৰ মথুৰা জিলাৰ 'নাউগাওঁ'ত বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া ড° বাবুল চন্দ্ৰ দাসৰ তত্ত্বাৱধানত ভাগৱত শোভাযাত্ৰা কৰাৰ পিছতে উক্ত স্থানত নিৰ্মিয়মান নামঘৰৰ বাকৰিত পালনাম আৰু বৰগীত পৰিৱেশন কৰিব সংগীত নাটক অকাডেমী বঁটা প্ৰাপক, বিশিষ্ট সত্ৰীয়া শিল্পী গুণীন্দ্ৰ নাথ ওজাই। এই মহোৎসৱত স্থানীয় ৰাইজৰ মাজত দুয়োজনা গুৰুৰ ধৰ্মাদৰ্শ প্ৰচাৰৰো এক ব্যৱস্থা কৰা হৈছে। অন্তিম দিনা ৫ অক্টোবৰত বৃন্দাবনৰ অন্তৰ্যামী মন্দিৰ প্ৰাঙ্গনত ভাগৱত শোভাযাত্ৰা অনুষ্ঠিত কৰাৰ লগতে পালনাম অনুষ্ঠিত কৰা কৰা হ'ব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ একশৰণ নামধৰ্মৰ গুণ-গৰিমা তথা বৈষ্ণৱ কৃষ্টি সংস্কৃতিৰ প্ৰসাৰ আৰু প্ৰচাৰৰ ব্যৱস্থা কৰা এই মহোৎসৱত বৈষ্ণৱ কৃষ্টি সংস্কৃতিৰ প্ৰচাৰৰ বাবে অসমৰ বিভিন্ন স্থানৰ পৰা ভকত বাপ সমন্বিতে দুশজনীয়া দল এটা উক্ত স্থানলৈ ৰাওনা হ'ব বুলি শ্ৰীশ্ৰী শংকৰদেৱ-মাধৱদেৱ গবেষণা আৰু বিকাশ কেন্দ্ৰৰ সভাপতি উদ্ধৱ পাঠকে জানিবলৈ দিছে।

# ৭০টা পৰিয়ালৰ অবৈধ নিৰ্মাণত চলিল বুলড'জাৰ

# গোৱালপাৰাত কৃষিভূমিত প্ৰশাসনৰ বৃহৎ উচ্ছেদ অভিযান



**অসম বাৰ্তা, কৃষ্ণাই, ৮ ছেপ্টেম্বৰ ঃ** বনাঞ্চলৰ পাছত এই বাৰ কৃষিভূমিত চলিল গোৱালপাৰা জিলা প্ৰশাসনৰ কঠোৰ অভিযান। বৃহত্তৰ হাব্ৰাঘাট অঞ্চলৰ বিস্তৃত কৃষিভূমি তথা মাটিয়া ৰাজহ চক্ৰ কাৰ্যালয়ৰ অন্তৰ্গত পাঁচখন ৰাজহ গাঁৱত একাংশ লোকে ধাননি পথাৰত নীতিঃবৰ্হিভুত ভাৱে একো একোখন গাওঁ নিৰ্মাণকৰি বসবাস আৰম্ভ কৰিছিল। মুঠ ৭০টা পৰিয়ালৰ বাসগৃহৰ আজি প্ৰশাসনে এক উচ্ছেদ কৰে। মাটিয়া ৰাজহ চক্ৰ বিষয়াই উচ্ছেদৰ জাননী জাৰি কৰাৰ মাত্ৰ ২৪ ঘণ্টাৰ ভিতৰতে জিলা প্ৰশাসনে এই পদক্ষেপ গ্ৰহণ কৰে। সম্ভৱতঃ অসমৰ ভিতৰত গোৱালপাৰা জিলাতেই প্ৰথমবাৰৰ বাবে কৃষিভূমিত উচ্ছেদ চলোৱা হৈছে বুলি জিলা আয়ুক্ত গৰাকীয়ে সাংবাদিকক জানিব দিয়ে। প্ৰাপ্ত তথ্য অনুসৰি, মাটিয়া ৰাজহ চক্ৰৰ কৃষ্ণাইৰ পাঁচখনকৈ ৰাজহ গাঁও ক্ৰমে খাৰিজা পাইকান, খামাৰ মাণিকপুৰ, ভোজমালা দ্বিতীয় খণ্ড, টেঙাবাৰী আৰু জংছৰৰদ্দীত। জিলা প্ৰশাসনে জাননীত উল্লেখ কৰা মতে এই অঞ্চলসমূহত চৰকাৰী নিয়ম উলংঘা কৰি মুঠ ৭০টা পৰিয়ালে নিশাটোৰ ভিতৰতে সাজিছিল এই গাওঁ সমূহ অভিযোগ অনুসৰি, দৰং, বিলাসীপাৰা, কলগাছিয়া, ধুবুৰী আৰু মানকাচৰ আদি ভিন্ন প্ৰান্তৰ পৰা অহা একাংশ লোকে ভূমি দালাল চক্ৰৰ সহায়ত কৌশলেৰে এই কৃষিভূমি সমূহ ক্ৰয় কৰি লৈছিল। আজি গোৱালপাৰা জিলা আয়ুক্ত প্ৰদীপ টিমুং উচ্ছেদিত অঞ্চলত উপস্থিত হৈ সমগ্ৰ পৰিস্থিতি তদাৰক কৰা দেখা গৈছে। আয়ুক্ত গৰাকীয়েই সংবাদ মাধ্যমত কৰা মন্তব্য অনুসৰি কৃষিভূমিত এনে কাৰ্যৰ বাবে ইয়াৰে এজন স্থানীয় অধিবক্তা হাত আছে। নাম উল্লেখ নকৰাকৈ আয়ুক্ত গৰাকীয়ে দৰং, ধুবুৰীৰ পৰা বহু সংখ্যক লোকক আনি সংস্থাপনৰ ব্যৱস্থা কৰিছে। জিলা প্ৰশাসনে অধিবক্তা গৰাকীৰ বিৰুদ্ধে অতি শীঘ্ৰেই তদন্ত কৰাৰো কথা প্ৰকাশ কৰে। ইফালে আজি এই উচ্ছেদৰ পিছতে চৰকাৰ তথা জিলা আয়ুক্ত ধন্যবাদ জনায় অঞ্চলটোৰ স্থানীয় হিন্দু -মুছলমান লোকে। আজিৰ অভিযানত বৃহৎ সংখ্যক আৰক্ষী জোৱানৰ উপস্থিতিত শান্তিপূৰ্ণ ভাৱে সামৰণি পৰে। অভিযান। প্ৰাকৃতিক ভাৰসাম্য আৰু কৃষিভূমি ৰক্ষাৰ স্বাৰ্থত গোৱালপাৰা জিলা প্ৰশাসনে আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ সহযোগত পথাৰত অবৈধভাৱে নিৰ্মাণ কৰা গৃহসমূহ ভাঙি উচ্ছেদ প্ৰক্ৰিয়া অব্যাহত ৰাখিব বুলি জানিব দিয়ে। ভৱিষ্যতলৈ সমগ্ৰ জিলাখনত পৰ্যায়ক্ৰমে কৃষিভূমি আৰু প্ৰাকৃতিক ভাৱে সৃষ্টিহোৱা জলাশয় নলা নৰ্দমাত উচ্ছেদ চলিব বুলি জিলা আয়ুক্ত গৰাকীয়ে প্ৰকাশ কৰে।

# চেলেংহাটত চৰকাৰী কৰ্মচাৰীক ৰাইজৰ ভৎসনা, ক্ষমা প্ৰাৰ্থনা

# ফেচবুক লাইভত অঞ্চলবাসী ৰাইজক আপত্তিজনক মন্তব্য

**অসম বাৰ্তা, চেলেংহাট, ৮ ছেপ্টেম্বৰ ঃ** সামাজিক মাধ্যম ফেচবুকত বানপীড়িত চেলেংহাট অঞ্চলৰ ৰাইজক লৈ কটু, অশালীন আৰু আপত্তিজনক মন্তব্য কৰি অৱশেষত ৰাইজৰ তীব্ৰ ভৰ্ৎসনাৰ সন্মুখীন হ'বলগীয়া হ'ল যোৰহাট জিলাৰ চেলেংহাট আৰক্ষী চকীৰ অন্তৰ্গত বৃহত্তৰ লহিং পানী যোগান আঁচনিত কৰ্মৰত পৰেশ বৰা উপাধিৰ তৃতীয় বৰ্গৰ চৰকাৰী কৰ্মচাৰী। ঘটনাৰ বিৱৰণী অনুসৰি, যোৱা ১৯ জুলাই তাৰিখৰ পৰা অঞ্চলটো বানপানীত আক্ৰান্ত হৈ থকাৰ সময়ছোৱাত বৰাই নিজৰ ফেচবুক একাউণ্টৰ জৰিয়তে এটা লাইভ সম্প্ৰচাৰ কৰি চেলেংহাট অঞ্চলৰ বান সাহায্যৰ পৰিস্থিতি সন্দৰ্ভত মন্তব্য কৰাৰ লগতে স্থানীয় ৰাইজক লৈ কেতবোৰ কটু আৰু আপত্তিজনক মন্তব্য কৰে বুলি অভিযোগ উত্থাপন হয়। লাইভত তেওঁ দাবী কৰে যে সেই সময়লৈ চেলেংহাটত বানৰ পানী বহু পৰিমাণে শুকাইছিল আৰু বহু লোক ঘৰলৈ উভতি গৈছিল বাবে পুনৰ সাহায্য বিতৰণৰ বিশেষ প্ৰয়োজন নাই। ইয়াৰ উপৰি সাহায্য সামগ্ৰী মধ্যভোগীয়ে জমা কৰি প্ৰকৃত দুৰ্দশাগ্ৰস্তৰ পৰিৱৰ্তে আত্মীয়-স্বজনৰ মাজত বিতৰণ কৰাৰ অভিযোগো তুলিছিল, যদিও ৰাজহুৱাভাৱে ইয়াৰ প্ৰমাণ দাঙি ধৰিব নোৱাৰিলে। চেলেংহাটৰ ৰাইজক "দালাল" আখ্যা দিয়া বুলিও অভিযোগ উত্থাপিত হৈছে। বৰাৰ এই বক্তব্যই সমগ্ৰ চেলেংহাট অঞ্চলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাত তেওঁ পিছত ভিডিঅ'টো ফেচবুকৰ পৰা আঁতৰাই দিয়ে যদিও ক্ষুব্ধ ৰাইজে বিষয়টোৰ মীমাংসাৰ দাবী কৰে। স্থানীয় গাঁওবুঢ়া, বেলতল জাপিসজীয়া, পানীগাঁও, লুখুৰাখন আদি কেইবাখনো গাঁৱৰ ৰাইজে দুদিনত দুবাৰকৈ আলোচনাৰ বাবে আহ্বান জনালেও বৰা অনুপস্থিত থকাত পৰিস্থিতি উত্তপ্ত হয়। ফলত ৰাইজে চেলেংহাট আৰক্ষী চকীত লিখিত অভিযোগ দাখিল কৰাত আৰক্ষীয়ে দুয়োপক্ষকে তলব কৰে। আৰক্ষী চকীত অনুষ্ঠিত আলোচনাত ৰাইজে চৰকাৰী কৰ্মচাৰী হিচাপে দায়িত্বশীল পদত থাকি এনে মন্তব্যৰ বাবে বৰাক তীব্ৰ ভৎসনা কৰে। অৱশেষত ৰাইজৰ প্ৰতিবাদৰ সন্মুখত বৰাই ভুল স্বীকাৰ কৰি হাতযোৰ কৰি ক্ষমা প্ৰাৰ্থনা কৰাৰ লগতে ভৱিষ্যতে এনে কাৰ্যৰ পুনৰাবৃত্তি নকৰাৰ মৌখিক আৰু লিখিত প্ৰতিশ্ৰুতি দিয়াৰ লগতে ফেচবুক লাইভৰ জৰিয়তেও ক্ষমা প্ৰাৰ্থনা জনাব বুলি অৱগত কৰাত ৰাইজে তেওঁক ক্ষমা প্ৰদান কৰে।

# বৰপেটা জিলা আয়ুক্তৰ উন্নয়নমূলক আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা সভা

**অসম বাৰ্তা, বৰপেটা সদৰ, ৮ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ বিভিন্ন বিভাগৰ অধীনত ৰূপায়ণ হৈ থকা উন্নয়নমূলক আঁচনি আৰু প্ৰকল্পসমূহৰ অগ্ৰগতি সম্পৰ্কে আজি বৰপেটা আৱৰ্ত ভৱনৰ সন্মিলন কক্ষত এই পৰ্যালোচনা বৈঠকখন অনুষ্ঠিত হয়। বৰপেটাৰ জিলা আয়ুক্ত নৱদীপ পাঠকে এক পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰে। পৰ্যালোচনা বৈঠকখনত জিলা আয়ুক্ত গৰাকীয়ে লোকনিৰ্মাণ, জনস্বাস্থ্য কাৰিকৰী, কৃষি, শিক্ষা, স্বাস্থ্য, জলসিঞ্চন, সমাজ কল্যাণ আৰু অন্যান্য গুৰুত্বপূৰ্ণ উন্নয়নমূলক বিভাগসমূহৰ মুৰব্বীসকলৰ পৰা চলি থকা আঁচনিসমূহৰ অগ্ৰগতি আৰু ৰূপায়ণৰ স্থিতি সম্পৰ্কে সবিশেষ বুজ লয়। জিলা আয়ুক্তই বিভাগীয় মুৰব্বীসকলক আঁচনিসমূহৰ ৰূপায়ণৰ ওপৰত চোকা নজৰ ৰাখিবলৈ আৰু চলি থকা কামসমূহ খৰতকীয়া কৰিবলৈ নিৰ্দেশ দিয়ে। সময়মতে কাম সম্পূৰ্ণ কৰা, গুণগত মান আৰু আৱণ্টিত পুঁজিৰ সঠিক ব্যৱহাৰৰ ওপৰতো তেওঁ বিশেষ গুৰুত্ব আৰোপ কৰে। ইয়াৰ উপৰি, সমস্যাসমূহ দূৰ কৰি উন্নয়নমূলক আঁচনিসমূহৰ প্ৰকৃত সুবিধা যাতে অতি সোনকালে ৰাইজৰ ওচৰ পায়গৈ, তাৰ বাবে আন্তঃবিভাগীয় সমন্বয় ৰক্ষাৰ প্ৰয়োজনীয়তাৰ বিষয়েও তেওঁ উল্লেখ কৰে। এই বৈঠকত বৰপেটা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দিতিমণি পেগু, বৰপেটাৰ জিলা উন্নয়ন আয়ুক্ত গীতালী দুৱৰা, অতিৰিক্ত জিলা আয়ুক্তৰ লগতে সহকাৰী আয়ুক্ত আৰু বৰপেটা জিলা প্ৰশাসনৰ অন্যান্য বিষয়াসকল উপস্থিত থাকে।

# পুষ্টি সজাগতা বৃদ্ধিৰ লক্ষ্যৰে 'পোষণ মাহ'ৰ শুভাৰম্ভ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৮ ছেপ্টেম্বৰ ঃ** হিন্দুস্তান ইউনিলিভাৰ লিমিটেডৰ এক সামূহিক উদ্যোগ 'প্ৰভাত নিউট্ৰিচন প্ৰগ্ৰেম'-এ SHARP নামৰ এটা বেচৰকাৰী সংস্থাৰ সহযোগত আজি ডুমডুমা সম-জিলাৰ অন্তৰ্গত হানচৰা চাহ বাগিচা, কুমচাং চাহ বাগিচা, বাঘজান চাহ বাগিচা আৰু ডাঙৰীৰ বিভিন্ন অংগনৱাড়ী কেন্দ্ৰত 'পোষণ মাহ ২০২৬'ৰ শুভাৰম্ভ কৰে। এই অনুষ্ঠানসমূহত স্থানীয় অংশীদাৰ, সমাজকৰ্মী আৰু বিভিন্ন সম্প্ৰদায়ৰ লোকসকলে অংশগ্ৰহণ কৰি স্বাস্থ্যসন্মত খাদ্যাভ্যাস গঢ়ি তোলা আৰু পুষ্টিগত মান উন্নত কৰাৰ উদ্দেশ্যে আয়োজিত বিভিন্ন কাৰ্যসূচীত সক্ৰিয়ভাৱে অংশ লয়। ৰাজ্যিক প্ৰকল্প প্ৰধান ভাস্বতী গোৱালাৰ সমন্বয়ত তথা ফিল্ড নিউট্ৰিচন বাডী হিচাপে কাম কৰা সীতা তেলী, অহল্যা নায়ক, লিজা বাগলাৰী আৰু পুনম তাঁতীয়ে কাৰ্যসূচীসমূহ পৰিচালনা কৰে। কাৰ্যসূচীৰ অংশ হিচাপে 'পোষণ সংকল্প ৱাল' শীৰ্ষক এক বিশেষ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। ইয়াত হিতাধিকাৰী আৰু স্থানীয় ৰাইজে স্বাস্থ্যসন্মত পুষ্টি অভ্যাস গ্ৰহণ কৰাৰ লগতে দৈনন্দিন জীৱনত পুষ্টিকৰ খাদ্য বাছনি কৰাৰ সংকল্প লয়। তদুপৰি স্থানীয়ভাৱে উপলব্ধ বিভিন্ন শাক-পাচলিৰ প্ৰদৰ্শনীৰ জৰিয়তে কম খৰচী, ঋতুভিত্তিক আৰু পুষ্টিকৰ খাদ্য গ্ৰহণৰ বাবে ৰাইজক উৎসাহিত কৰা হয়। গৰ্ভৱতী মহিলা, প্ৰসূতি মাতৃ আৰু শিশুৰ পুষ্টিৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰি সুষম আহাৰৰ গুৰুত্ব, সুস্বাস্থ্য বজাই ৰখা আৰু অপুষ্টি প্ৰতিৰোধৰ বিষয়ে অংশগ্ৰহণকাৰীসকলক সজাগ কৰা হয়। এই কাৰ্যসূচীৰ জৰিয়তে সুস্থ আৰু অপুষ্টিমুক্ত সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত সম্প্ৰদায়ৰ অংশগ্ৰহণ আৰু সামূহিক দায়িত্ববোধ অধিক শক্তিশালী কৰাৰ লক্ষ্য লোৱা হৈছে।

# বাইক আৰোহীৰ মূৰত পৰিল প্ৰকাণ্ড গছ; সংকটজনক অৱস্থাত চিকিৎসাধীন

# ডিব্ৰুগড়ৰ জালান চাহ বাগিচাত গছ কটাৰ সময়তে অঘটন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৮ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় চহৰৰ চৌকিডিঙিৰ জালান চাহ বাগিচাৰ সমীপত আজি সংঘটিত এক ভয়ংকৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। বাগিচাৰ বিবাদভূমিত গছ কাটি থকা সময়তে প্ৰকাণ্ড এজোপা গছ পথৰ ওপৰত বাগৰি পৰাত এজন বাইক আৰোহী গুৰুতৰভাৱে আহত হয়। ব্যস্ত পথটোৰে বাইকেৰে গৈ থকা লোকজনৰ মূৰত হঠাৎ প্ৰকাণ্ড গছজোপা পৰে। ফলত লোকজন পথতে তেজেৰে লুতুৰি পুতুৰি হৈ অচেতন হৈ পৰে। সংকটজনক অৱস্থাত তেওঁক ততাতৈয়াকৈ চিকিৎসালয়লৈ লৈ যোৱা হয় আৰু বৰ্তমান চিকিৎসাধীন হৈ আছে। দিনৰ পোহৰতে শ শ লোক আৰু যান-বাহনে অহা-যোৱা কৰা ব্যস্ত পথৰ কাষত গছ কটা হৈছিল যদিও পথচাৰীৰ সুৰক্ষাৰ বাবে কোনো ধৰণৰ ট্ৰেফিক নিয়ন্ত্ৰণ, বেৰিকেড অথবা সতৰ্কতামূলক সাংকেতিক চিহ্নৰ ব্যৱস্থা কৰা হোৱা নাছিল বুলি ৰাইজে অভিযোগ কৰিছে। যাৰ ফলত এই ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হোৱা বুলি অভিযোগ উঠিছে। ঘটনাৰ পাছতে গছ কটাৰ কামত ব্যৱহৃত জে চি বি সহ অন্যান্য সামগ্ৰী এৰি সংশ্লিষ্ট লোকসকলে পলায়ন কৰে। উল্লেখ্য যে, চৌকিডিঙিত অৱস্থিত জালান চাহ বাগিচাৰ ভূমি মৃগেন জালানে ব্যক্তিগতকৰণ আৰু হস্তান্তৰক লৈ বিগত সময়ছোৱাত ডিব্ৰুগড়ত প্ৰতিবাদ-আন্দোলন অব্যাহত আছিল। ডিব্ৰুগড়বাসীৰ একাংশই চহৰৰ মাজমজিয়াত থকা এই সেউজীয়া চাহ বাগিচাখন ধ্বংস নকৰি প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ সোঁৱৰণীত 'জুবিন গাৰ্গ আৰ্বান ফৰেষ্ট' হিচাপে সংৰক্ষণ কৰাৰ দাবী জনাই আহিছে। ইয়াৰ মাজতে বাগিচাৰ ভূমি খণ্ড খণ্ডকৈ বিক্ৰী কৰাৰ লগতে গোপনে গছ কটা আৰু চাৰিসীমা বেৰা দিয়াৰ অভিযোগো পূৰ্বৰে পৰা উত্থাপিত হৈ আহিছিল। আজি তেনে পৰিস্থিতিৰ মাজতে গছ কটাৰ সময়ত পথচাৰী গুৰুতৰভাৱে আহত হোৱাৰ ঘটনাই নতুনকৈ প্ৰশ্নৰ অৱতাৰণা কৰিছে। আনহাতে অভিযোগ মতে, এই ভূমিৰ গছ কটাৰ কামৰ সৈতে ডিব্ৰুগড়ৰ এগৰাকী লেব'ৰেটৰীৰ স্বত্বাধিকাৰী তথা চিকিৎসক জড়িত থকাৰ অভিযোগ উঠিছে। অভিযোগ অনুসৰি, সংশ্লিষ্ট পক্ষৰ সৈতে বুজাবুজিৰ ভিত্তিত তেওঁলোকে গছ কটাৰ কাম চলাই আছিল। ঘটনাৰ পাছতে ডিব্ৰুগড়ৰ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইতিমধ্যে আহত ব্যক্তিজন সংকটজনক অৱস্থাত ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ৰ আই চি ইউ ত চিকিৎসাধীন হৈ আছে যদিও বাগিচা কৰ্তৃপক্ষই চিকিৎসা ক্ষেত্ৰত কোনো পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগো উত্থাপন হৈছে।

# বাংলাদেশলৈ বিতাড়িত মহিলাক ঘূৰাই

ভাৰতীয় নাগৰিক, যাৰ ফলত সমগ্ৰ ঘটনাটোৱে নতুন মোৰ লাভ কৰে। এই বিতাড়নৰ সমগ্ৰ পৰিস্থিতি অতি গুৰুত্বসহকাৰে লৈ আদালতে কৰ্তৃপক্ষক মহিলাগৰাকীৰ স্বামীক ৮ লাখ টকাৰ অন্তৰৱৰ্তীকালীন ক্ষতিপূৰণ প্ৰদান কৰিবলৈও নিৰ্দেশ দিছে। লগতে মহিলাগৰাকীক সোনকালে ভাৰতলৈ ঘূৰাই অনাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ অসম চৰকাৰক নিৰ্দেশ দিয়া হয়। এই আদেশে বিতাড়ন প্ৰক্ৰিয়াত সংশ্লিষ্ট কৰ্তৃপক্ষৰ গম্ভীৰ ত্ৰুটি আৰু সতৰ্কতাৰ অভাৱৰ প্ৰতি ইংগিত দিছে। উল্লেখযোগ্য যে মমতাজ বেগমৰ লগতে জাহানাৰা খাতুন নামৰ আন এগৰাকী মহিলাকো বিদেশী নাগৰিক বুলি সন্দেহ কৰি একেদৰেই বাংলাদেশলৈ বিতাড়ন কৰা হৈছিল বুলি অভিযোগ উত্থাপন হৈছে। এই ঘটনাই প্ৰকাশ কৰে যে ভুল তথ্যৰ ভিত্তিত কিছুমান প্ৰকৃত ভাৰতীয় নাগৰিকক বিদেশী বুলি চিনাক্ত কৰি বিতাড়ন কৰাৰ প্ৰৱণতা আছে, যি অতি চিন্তনীয়। গুৱাহাটী উচ্চন্যায়ালয়ৰ এই হস্তক্ষেপে বিদেশী বুলি সন্দেহ কৰা লোকসকলক চিনাক্ত আৰু বিতাড়ন কৰাৰ ক্ষেত্ৰত কৰ্তৃপক্ষই গ্ৰহণ কৰা সৰ্বমুঠ প্ৰক্ৰিয়াটোৰ ওপৰত এক ডাঙৰ প্ৰশ্নৰ অৱতাৰণা কৰিছে। ভুল তথ্য বা অযৌক্তিক সন্দেহৰ ভিত্তিত কোনোবা নাগৰিকক যদি বিদেশী বুলি প্ৰমাণ কৰি বিতাড়ন কৰা হয়, তেন্তে সেই ব্যক্তিৰ আইনী সুৰক্ষা আৰু ন্যায়ৰ অধিকাৰ ক'ত থাকে-এই প্ৰশ্নই এতিয়া গুৰুত্ব লাভ কৰিছে। অন্য দিশত, ভুলৱশতঃ বিদেশী নাগৰিক হিচাপে চিনাক্ত হ'ব পৰা প্ৰকৃত ভাৰতীয় নাগৰিকসকলৰ বাবে থকা আইনী সুৰক্ষাকৱচৰ দিশটোৰ প্ৰতিও এই সমগ্ৰ বিষয়টোৱে দৃষ্টি আকৰ্ষণ কৰিছে। আদালতৰ এই ৰায়ে সংশ্লিষ্ট বিভাগসমূহক আগন্তুক সময়ত অধিক সতৰ্কতা আৰু যাচাই-বাচাই প্ৰক্ৰিয়া কঠোৰভাৱে মানি চলিবলৈ এক স্পষ্ট সঙ্কেত প্ৰদান কৰিছে। বিতাড়নৰ দৰে সংবেদনশীল বিষয়ত কৰ্তৃপক্ষৰ পৰ্যাপ্ত তদন্ত আৰু প্ৰমাণৰ অভাৱে এনে দুৰ্ঘটনা ঘটাইছে বুলি বিশেষজ্ঞ মহলে মত প্ৰকাশ কৰিছে।

# নগাঁৱৰ উপ-নিৰ্বাচনৰ পূৰ্বে সংখ্যালঘুৰ

সভাপতি গৌৰৱ গগৈ আৰু দলটোৰ জ্যেষ্ঠ নেতা তথা সাংসদ ৰকিবুল হুছেইন। এসময়ত কংগ্ৰেছৰ শক্তিশালী ভেটি হিচাপে পৰিচিত নগাঁও লোকসভা সমষ্টিতে ঘটনা ঘটে এই অপ্ৰীতিকৰ পৰিস্থিতিৰ। ৰহা সমষ্টিৰ অন্তৰ্গত শালমাৰাৰ নতুন বজাৰ অঞ্চলত সংখ্যালঘু লোকসকলে দুয়োগৰাকী কংগ্ৰেছী নেতাক ক'লা পতাকা দেখুৱাই পহুখেদা দিয়ে আৰু তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰী সংখ্যালঘু লোকসকলে গৌৰৱ গগৈ আৰু ৰকিবুল হুছেইনক 'মুছলমানৰ শত্ৰু' আখ্যা দি বিৰোধিতা প্ৰকাশ কৰে। 'কংগ্ৰেছৰ দালালি নচলিব', 'মুছলমানৰ দুছমন ওলাই যা'-এই দৰে হুংকাৰ দিয়ে প্ৰতিবাদকাৰীসকলে। শ শ সংখ্যালঘু লোকৰ এই উত্তাল প্ৰতিবাদে কংগ্ৰেছ দলটোক সম্পূৰ্ণ শলঠেকত পেলাই দিয়ে। উল্লেখযোগ্য যে ৭ ছেপ্টেম্বৰত নিৰ্বাচন আয়োগে নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ তাৰিখ ঘোষণা কৰাৰ পিছদিনাই এই প্ৰতিবাদৰ সন্মুখীন হ'ব লগাত কংগ্ৰেছ দলৰ শীৰ্ষ নেতৃত্ব চিন্তিত হৈ পৰিছে। ৰাজ্যৰ সংখ্যালঘু অধ্যুষিত অঞ্চলবোৰত ক্ৰমে ভেটি হেৰুৱাইছে নেকি শতিকা পুৰণি কংগ্ৰেছ দলে-এই প্ৰশ্নই এতিয়া ৰাজনৈতিক মহলত চৰ্চাৰ বিষয় হৈ পৰিছে। ঘটনাটোৰ পিছত কংগ্ৰেছ দলৰ অভ্যন্তৰীণ মহলত চিন্তা-উদ্বেগ বৃদ্ধি পাইছে। কাৰণ নগাঁও লোকসভা সমষ্টি আছিল কংগ্ৰেছৰ পৰম্পৰাগত দুৰ্গ, কিন্তু এই প্ৰতিবাদৰ ঘটনাই দলটোৰ বাবে এক বিপদসংকেত হিচাপে চিহ্নিত হৈছে। সংখ্যালঘু ভোট ব্যাংক কংগ্ৰেছৰ বাবে ঐতিহাসিকভাৱে অতি গুৰুত্বপূৰ্ণ হৈ আহিছে, আৰু এই পৰিস্থিতিয়ে আগন্তুক উপ-নিৰ্বাচনত দলটোৰ সম্ভাৱনাক কঠিন প্ৰত্যাহ্বানৰ সন্মুখীন কৰাইছে।

# গ্ল'বেল ফিনটেক ফেষ্টত ইউপিআইৰ

বাস কৰা লোকসকলৰ ধন প্ৰেৰণৰ খৰচ ৰাহি কৰাত সহায় কৰিবলৈ আহ্বান জনায়। তেওঁ স্পষ্টভাৱে কয় যে যিবোৰ দেশ বৃহৎ প্ৰব্ৰজনকাৰীৰ বাসস্থান, ভাৰতৰ সৈতে বাণিজ্যৰ পৰিমাণ বেছি, বা ভাৰতৰ সৈতে অংশীদাৰিত্ব কৰিবলৈ ইচ্ছুক-এনে দেশসমূহক অগ্ৰাধিকাৰ দিয়াৰ ওপৰত গুৰুত্ব দিব লাগে। প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে বৃহৎ সংখ্যক ভাৰতীয়ই বিদেশত কাম কৰে আৰু তেওঁলোকেই সৰ্বাধিক ধন প্ৰেৰণ কৰে। ধন প্ৰেৰণৰ এটা অংশ লেনদেনৰ খৰচ হিচাপে নষ্ট হয়, কিন্তু ইউপিআই প্ৰযুক্তিয়ে এই খৰচ ৰাহি কৰাত সহায় কৰিব পাৰে আৰু একে সময়তে ধন দ্ৰুতগতিত পৰিয়াললৈ হস্তান্তৰ কৰিব পাৰে। তেওঁ লগতে কয় যে বৰ্তমান গ্ল'বেল কাৰ্ড পেমেণ্ট অন্য দেশত ডিজাইন কৰা ব্যৱস্থাত চলি আছে, কিন্তু ভাৰতত এতিয়া একেটা কাম কৰিব পৰা বিকল্প ব্যৱস্থা উপলব্ধ। 'আমি নিজৰ নিয়ম আৰু মানদণ্ড নিৰ্ধাৰণ কৰি বিশ্বৰ সৈতে সংযোগ কৰিব পাৰোঁ'-বুলি মোদীয়ে দৃঢ়তা প্ৰকাশ কৰে। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰনৰ উক্তিক স্মৰণ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে ইউপিআই কেৱল প্ৰযুক্তিৰ কাহিনী নহয়, এই এক সভ্যতাৰো কাহিনী। বিগত বহু বছৰত ধনৰ লেনদেনৰ ক্ষেত্ৰত যথেষ্ট সফলতা লাভ কৰাৰ পিছত এতিয়া ভাৰতীয় ফিনটেক উদ্যোগৰ বাবে পৰৱৰ্তী অধ্যায় হ'ব লাগে নন-পেমেণ্ট লেনদেন। অৰ্থাৎ ইউপিআইৰ সৈতে সংযুক্ত নোহোৱা অন্যান্য আৰ্থিক লেনদেনসমূহকো এই প্লেটফৰ্মৰ অন্তৰ্ভুক্ত কৰি অধিক ব্যাপক পৰিসৰত ব্যৱহাৰ কৰাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰীয়ে ফিনটেক সম্প্ৰদায়ক শীৰ্ষ পৰ্যায়ৰ চাইবাৰ সুৰক্ষা সমাধান আৰু নৈতিক তথ্য সুৰক্ষাৰ মানদণ্ড প্ৰস্তুত কৰিবলৈও আহ্বান জনায়। লগতে ফিনটেক নিয়ন্ত্ৰণ পৰিৱেশ তন্ত্ৰ আৰু ফিনটেক গ্ৰাহক সুৰক্ষা সূচকাংকৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰে, যাৰ মাধ্যমেৰে প্ৰতিটো কোম্পানীক স্বচ্ছতাৰ ভিত্তিত ৰেটিং দিয়াত সহায় কৰিব পাৰি। গ্ল'বেল ফিনটেক ফেষ্টৰ এই সপ্তম সংস্কৰণত প্ৰধানমন্ত্ৰী মোদীৰ ভাষণে ভাৰতীয় ডিজিটেল পেমেণ্ট ব্যৱস্থাৰ বিশ্বব্যাপী স্বীকৃতি আৰু প্ৰসাৰৰ বাবে এখন নতুন দিগন্ত উন্মোচন কৰিছে। ইউপিআইৰ সফলতা ভাৰতক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত এক অনন্য সামৰ্থ্য হিচাপে প্ৰতিষ্ঠিত কৰিছে, আৰু আগন্তুক দিনবোৰত ই বিশ্বৰ বহু দেশৰ পেমেণ্ট ব্যৱস্থাক পুনৰ সংজ্ঞায়িত কৰাত সহায়ক হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে।

# চেপন বেতবাৰী ফুটবল ক্লাব পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ

# চেপনত প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা

**অসম বাৰ্তা, চেপন, ৮ ছেপ্টেম্বৰ ঃ** উজনি অসমৰ অগ্ৰণী ক্ৰীড়া সংগঠন মৰাণহাট ক্ৰীড়া সন্থাৰ তত্ত্বাৱধানত, চেপন কমলদৈ বেতবাৰী আৰু ১ নং ৰঙাগড়া যুৱ সংঘৰ উদ্যোগত স্থানীয় কমলদৈ বেতবাৰী ৰাজহুৱা খেলপথাৰত চলি থকা প্ৰথম বাৰ্ষিক প্ৰাইজমানি ও ট্ৰফী ফুটবল প্ৰতিযোগিতাত চেপন বেতবাৰী ২১নং ফুটবল ক্লাবে জয়েৰে অভিযান আৰম্ভ কৰিছে। প্ৰতিযোগিতাৰ আজি বিয়লি অনুষ্ঠিত খেলখনত চেপন বেতবাৰী ২১ নং ফুটবল ক্লাবে গোৰ্খা ফুটবল ক্লাবক ২-১ গলৰ ব্যৱধানত পৰাজিত কৰে। তুমুল প্ৰতিদ্বন্দ্বিতামূলক খেলখনৰ প্ৰথমাৰ্ধৰ ১৩ মিনিটত চেপন বেতবাৰী দলৰ সুযোগসন্ধানী খেলুৱৈ চেম থাপাই দলক প্ৰথমটো অগ্ৰগতি প্ৰদান কৰে আৰু বিৰতিলৈকে দলটো ১-০ত আগবাঢ়ি থাকে। আনহাতে দ্বিতীয়াৰ্ধৰ খেলৰ আৰম্ভণিৰ পৰা গোৰ্খা ফুটবল ক্লাবে সমতা স্থাপনৰ বাবে চেষ্টা চলায় আৰু খেলৰ ১০ মিনিটত ১-১ত সমতা স্থাপন কৰিবলৈ সক্ষম হয়। অৱশ্যে খেলখন সামৰণি পৰিবলৈ মাত্ৰ কেইটামান মুহূৰ্ত বাকী থকা অৱস্থাত চেপন বেতবাৰী ফুটবল ক্লাবৰ হৈ চেম থাপাই ব্যক্তিগতভাৱে দ্বিতীয়টো গল স্ক'ৰ কৰাত চেণ্ট বেতবাৰীৰ দলে পুনৰ ২-১ ৰ অগ্ৰগতি লাভ কৰাৰ বিপৰীতে গোৰ্খা ফুটবল ক্লাবে প্ৰতিযোগিতাৰ পৰা বিদায় লোৱাটো নিশ্চিত হৈ পৰে। আজিৰ খেলখন পৰিচালনা কৰে সূৰুজ পুলামি, জীৱন নায়ক, চন্দন নায়ক আৰু মঙ্গল কৰোৱাই। কাইলৈ প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডৰ অন্তিমখন খেল অনুষ্ঠিত হ'ব। খেলখনত ডিব্ৰুগড় জিলাৰ শালমাৰী ফুটবল ক্লাবে খুমটাই ফুটবল ক্লাবৰ মুখামুখি হ'ব। কিক্ অফ্ বিয়লি ৩-০০ বজাত।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন